www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

□ প্ৰথম বছৰ □ সংখ্যা- ১৬৮ □ সোমবাৰ □ ১৩ এপ্ৰিল, ২০২৬ চন □ Volume/Year- I □ Issue- 168 □ Monday □ 13th April, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি কোনো মানুহকে একো শিকাব নোৱাৰা, তুমি মাথোঁ মানুহজনৰ ভিতৰত থকা শক্তিক বিচাৰি উলিয়াবলৈ সহায় কৰিব পাৰা। — গেলিলিও গেলিলি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

### ৯২ বছৰ বয়সত মুম্বাইত শেষ নিশ্বাস ত্যাগ সুৰসম্ৰাজ্ঞীৰ



## কিংবদন্তি শিল্পী আশা ভোছলেৰ দেহাৱসান

□ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু অসম মুখ্যমন্ত্ৰীৰ শোক □

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ এপ্ৰিল ঃ** ভাৰতীয় সংগীত জগতৰ এগৰাকী অমৰ কণ্ঠস্বৰৰ অৱসান ঘটিল। বলীউডৰ কিংবদন্তি গায়িকা আশা ভোচলে দেওবাৰে ৯২ বছৰ বয়সত মুম্বাইৰ ব্ৰিছ কেণ্ডি হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। শনিবাৰে নিশা শাৰীৰিক অসুস্থতা বৃদ্ধি পোৱাত তেওঁক হাস্পতালত ভৰ্তি □ ৬ পৃষ্ঠাত

### ■ পাকিস্তানত অনুষ্ঠিত ২১ ঘণ্টীয়া শান্তি আলোচনা ব্যৰ্থ ■

## ভুল পদক্ষেপে মাৰাত্মক ঘূৰ্ণি-পাকত পেলাব; ইৰাণৰ সকীয়নি

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১২ এপ্ৰিল ঃ** ইৰাণৰ ইছলামিক বিপ্লৱী গাৰ্ডছ (আইআৰজিচি) নৌ-বিভাগে দেওবাৰে ঘোষণা কৰিছে যে দেশখনৰ সশস্ত্ৰ বাহিনীয়ে হৰমুজ সাগৰপথৰ সকলো যাতায়াত সম্পূৰ্ণ নিয়ন্ত্ৰণত ৰাখিছে। কোনো শত্ৰুপক্ষই ভুল সিদ্ধান্ত ল'লে তেওঁলোকক এই সাগৰপথত "মাৰাত্মক ঘূৰ্ণিপাক"ত আবদ্ধ কৰি দিয়া হ'ব বুলি তীব্ৰ সকীয়নি দিয়া হৈছে। □ ৬ পৃষ্ঠাত



### আজিৰ কলম

## অসমীয়া সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য পিঠা-পনা আৰু জা-জলপান



শৰৎ চন্দ্ৰ চিৰিংফুকন

অসমীয়া সংস্কৃতিক সমন্বয়ৰ সংস্কৃতি বুলি কোৱা হ'য় যদিও অসমীয়া সংস্কৃতিৰ কেতবোৰ স্বকীয় বৈশিষ্ট্যও নোহোৱা নহয়। ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, আহাৰ-বিহাৰ, সাজ-পোছাক আৰু ভাষা প্ৰয়োগ আদি- □ ৬ পৃষ্ঠাত

### ■ ৰাজ্যজুৰি আনন্দৰ বতাহ, গাঁও-চহৰত বিহুৰ প্ৰস্তুতিত উখল-মাখল ■

# পদূলিমুখত হেঁপাহৰ ৰঙালী ঃ আজি উৰুকা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ এপ্ৰিল ঃ** আজি ব'হাগ বিহুৰ উৰুকা। কাইলৈ পহিলা ব'হাগত গৰু বিহু আৰম্ভ হ'ব। সমগ্ৰ অসমত এতিয়া ৰঙালী বিহুক লৈ উৎসৱমুখৰ পৰিৱেশ। গাঁৱে-ভূঁয়ে, চহৰে-নগৰে অসমীয়া জাতিৰ প্ৰাণৰ উৎসৱ ব'হাগ বিহুৰ আগমনৰ সুৰে ৰজনজনাই তুলিছে। ঢোল-পেঁপাৰ মাত, হুঁচৰিৰ সুৰ আৰু পিঠা-পনাৰ সুবাসে প্ৰতিটো ঘৰ-পদূলিক ৰাঙলী কৰি তুলিছে। উৰুকাৰ দিনটোত পৰিয়ালৰ সকলো সদস্যই একেলগ হৈ বিহুৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰে। বজাৰসমূহত লাও, বেঙেনা, মাখিয়তী, দীঘলতী, থেকেৰা, আমৰলি পৰুৱা, পান-তামোল, বৰা চাউল, কোমল চাউল, সান্দহ চিৰা আদিৰ ভিৰ লক্ষণীয়। ঘৰে ঘৰে তৈয়াৰ কৰা হয় বিভিন্ন প্ৰকাৰৰ পিঠা-পনা, লাডু আৰু অন্যান্য বিহুৱান। যুৱক-যুৱতীসকলে হুঁচৰি জুৰি জ্যেষ্ঠজনৰ আশীৰ্বাদ ল'বলৈ সাজু হৈছে। ব'হাগ বিহু অসমীয়া জাতিৰ সাংস্কৃতিক □ ৬ পৃষ্ঠাত



### নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাক লৈ প্ৰশ্ন, বিৰোধী প্ৰাৰ্থীৰ প্ৰতি বৈষম্যমূলক আচৰণৰ অভিযোগ

## অসম চিভিল ছ'চাইটিৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ 'অসহিষ্ণু' আচৰণক লৈ তীব্ৰ উদ্বেগ প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ এপ্ৰিল ঃ** ৰাজ্যত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছতো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যম আৰু বিৰোধী ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ প্ৰতি প্ৰদৰ্শন কৰা অসহিষ্ণু আচৰণক লৈ তীব্ৰ উদ্বেগ প্ৰকাশ কৰিছে অসম চিভিল ছ'চাইটিয়ে। আজি এখন প্ৰেছ বিজ্ঞপ্তি জাৰি কৰি সংগঠনটোৱে নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাক লৈয়ো কেইবাটাও গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। সংগঠনটোৰ মতে, বিশেষকৈ অসম জাতীয় পৰিষদৰ □ ৬ পৃষ্ঠাত

### ■ বিজেপি চৰকাৰক তীব্ৰ গৰিহণা লুৰীণজ্যোতি গগৈৰ ■

## দুঘণ্টা ধৰি পাণবজাৰ থানাত সোধ-পোছ কুংকি চৌধুৰীক

নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ অভিযোগ মধ্য গুৱাহাটী সমষ্টিৰ অজাপৰ প্ৰাৰ্থী গৰাকীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ এপ্ৰিল ঃ** নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ অভিযোগত পাণবজাৰ আৰক্ষী থানাত প্ৰায় দুঘণ্টা ধৰি সোধ-পোছৰ মুখামুখি হ'বলগীয়া হ'ল মধ্য গুৱাহাটী সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰীক। থানাত হাজিৰ হোৱাৰ পিছত তেওঁক যাবলৈ দিয়া হৈছে। আৰক্ষীয়ে □ ৬ পৃষ্ঠাত

### □ এখন নাও জব্দ, মাছমৰীয়াক সুৰক্ষিতভাৱে মুকলি কৰি অনাৰ প্ৰচেষ্টা ভাৰত চৰকাৰৰ □

## শ্ৰীলংকাৰ নৌসেনাৰ জালত ১২জন ভাৰতীয় মাছমৰীয়া



আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সীমা উলংঘনৰ অভিযোগত গ্ৰেপ্তাৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ এপ্ৰিল ঃ** শ্ৰীলংকাৰ নৌসেনাই আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সীমা উলংঘন আৰু অবৈধ মাছ ধৰাৰ অভিযোগত ১২জন ভাৰতীয় মাছমৰীয়াক গ্ৰেপ্তাৰ কৰিছে। লগতে তেওঁলোকৰ এখন মাছ ধৰা নাও জব্দ কৰা হৈছে। ঘটনাটো পাল্ক ষ্ট্ৰেইট বা মান্নাৰ অঞ্চলৰ □ ৭ পৃষ্ঠাত

সংগঠনটোৰ হৈ বিভিন্ন কাম-কাজত সহায় কৰি অহাৰ অভিযোগ

## লেখাপানী আৰক্ষীৰ জালত আলফা(স্বা)ৰ ৭ যোগাযোগকাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ এপ্ৰিল ঃ** ৰাজ্যত পুনৰ আলফা (স্বাধীন)ৰ যোগাযোগকাৰী সকলক আটক কৰা হৈছে। তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত আৰক্ষীয়ে চলোৱা এক □ ৬ পৃষ্ঠাত

### দুবছৰত চাৰিটা দল সলনি ৰাজনীতিবিদ গৰাকীৰ

## অৱশেষত ৰাইজৰ দলো ত্যাগ কৰিলে ৰমেন চন্দ্ৰ বৰঠাকুৰে



পদত্যাগ পত্ৰ প্ৰেৰণ অখিল গগৈলৈ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ এপ্ৰিল ঃ** ৰাজনীতিত দল সলোৱাটো যেন নিয়মত পৰিণত হৈছে ৰমেন চন্দ্ৰ বৰঠাকুৰৰ বাবে। মাত্ৰ দুবছৰৰ ভিতৰতে চাৰিটা দল সলনি কৰা ৰাজনীতিবিদগৰাকীয়ে সদ্য সমাপ্ত অসম বিধানসভা নিৰ্বাচনৰ পাছতে ৰাইজৰ দল ত্যাগ কৰিছে। ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ৰমেন চন্দ্ৰ বৰঠাকুৰে দেওবাৰে □ ৬ পৃষ্ঠাত

### এনডিএই ৯০ৰ ওচৰা-ওচৰি আসন লাভ কৰিব বুলি দাবী

## অগপই ডাবল ডিজিট আসন লাভ কৰিব; অতুল বৰাৰ ভৱিষ্যতবাণী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ফলাফল ঘোষণাৰ পূৰ্বেই অগপৰ আসন সংখ্যা ডাবল ডিজিটত উপনীত হ'ব বুলি ভৱিষ্যতবাণী কৰিছে অসম গণ পৰিষদৰ সভাপতি অতুল বৰাই। তেওঁ কয় যে ২০২১ চনতকৈ □ ৬ পৃষ্ঠাত

## খিলঞ্জীয়াৰ ওপৰত হাত দিলে ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হ'ব; আটাছুৰ কঠোৰ সকিয়নী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ এপ্ৰিল ঃ** ৰাজ্যত খিলঞ্জীয়া লোকৰ ওপৰত বহিৰাগত লোকৰ দ্বাৰা ক্ৰমান্বয়ে বৃদ্ধি পোৱা আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত □ ৭ পৃষ্ঠাত

### বন্যপ্ৰাণীৰ আৱাস ধ্বংসৰ আশংকাত কঠোৰ গুৱাহাটী উচ্চ ন্যায়ালয়

## গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ বাবে আমচাঙৰ গছ কটাৰ নিবিদাৰ ওপৰত স্থগিতাদেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ নিৰ্মাণকাৰ্যৰ বাবে আমচাং বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত গছ কটাৰ উদ্দেশ্যে আহ্বান কৰা নিবিদা প্ৰক্ৰিয়াত গুৱাহাটী উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰিছে। সমাজকৰ্মী অৰ্কশীষ চলিহা আৰু জ্যেষ্ঠ সাংবাদিক মহেশ ডেকাই দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰৰ বিচাৰপীঠে যোৱা ৮ এপ্ৰিলত এই গুৰুত্বপূৰ্ণ নিৰ্দেশ □ ৬ পৃষ্ঠাত



# শিক্ষাবিদ-পিতৃ জামালুদ্দিন আহমেদৰ স্মৃতিত মাজুলী মহাবিদ্যালয়লৈ এক লক্ষ টকা দান লখিমপুৰৰ মুহিবুদ্দিন আহমেদৰ



**অসম বাৰ্তা, মাজুলী, ১২ এপ্ৰিল** ঃ লখিমপুৰৰ এগৰাকী স্বনামধন্য শিক্ষাবিদ, তেলাহী বাণ্টৌ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰয়াত জামালুদ্দিন আহমেদৰ স্মৃতিত মাজুলী মহাবিদ্যালয়লৈ গ্ৰন্থ ক্ৰয় কৰিবৰ বাবে তেওঁৰ পুত্ৰ, অসম বিদ্যুৎ পৰিষদৰ লখিমপুৰ সংমণ্ডলৰ অৱসৰপ্ৰাপ্ত মুখ্য সহায়ক মুহিবুদ্দিন আহমেদে আজি নগদ এক লাখ টকা দান কৰে। এই উদ্দেশ্য মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্ত দেৱ গোস্বামী সভাকক্ষ'ত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত মুহিবুদ্দিন আহমেদ আৰু তেওঁৰ পৰিয়ালে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত সেই টকা অৰ্পণ কৰে। উল্লেখ্য, ১৯৬২ চনতে প্ৰতিষ্ঠিত মাজুলীৰ প্ৰাচীনতম উচ্চশিক্ষাৰ অনুষ্ঠানটিয়ে যোৱা ২০১৬ চনৰ ৮ অক্টোবৰৰ পৰা ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' শীৰ্ষক কাৰ্যসূচীত ভাগ লৈ বিভিন্নজন মহানুভৱ ব্যক্তিয়ে আগবঢ়োৱা গ্ৰন্থই ইতিমধ্য ত্ৰিশ হাজাৰৰ সীমা অতিক্ৰম কৰিছে। বিভিন্নজনে দানসূত্ৰে আগবঢ়াইছে শতাধিক কিতাপ থোৱা আলমিৰা, চেল্‌ফ ইত্যাদি। আজি দাতাপুৰুষ মুহিবুদ্দিন আহমেদ আৰু তেওঁৰ পৰিয়ালবৰ্গক কৃতজ্ঞতা জ্ঞাপন কৰিবৰ উদ্দেশ্য আয়োজিত সভাখনিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই দাতা মুহিবুদ্দিন আহমেদ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° হামিদুৰ ৰহমানক অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু মহাবিদ্যালয়ৰ স্মাৰকেৰে সম্ভাষণ জনায়। নিজৰ পেঞ্চনৰ ধনৰ পৰা মুহিবুদ্দিন আহমেদে তেওঁৰ পিতৃৰ স্মৃতিত মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষাৰ অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ উপকাৰত অহাকৈ আগবঢ়োৱা এই দান তেওঁৰ বদান্যতাৰ চিন বুলি মন্তব্য কৰে। মাজুলী মহাবিদ্যালয় পৰিয়ালে মুহিবুদ্দিন আহমেদৰ এই মহানুভৱতাৰ কথা সদায় মনত ৰাখিব বুলি উল্লেখ কৰি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "গ্ৰন্থ-ধন অক্ষয় আৰু অব্যয় সম্পত্তি। দানক পৱিত্ৰাতিপৱিত্ৰ কৰ্ম বুলি অভিহিত কৰা হয়। সেই দান যেতিয়া জ্ঞানৰ ভাণ্ডাৰস্বৰূপ গ্ৰন্থ হয়, তেতিয়া অধিক কথাটো হৈ পৰে অধিক তাৎপৰ্যপূৰ্ণ।" মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক অপূৰ্বজ্যোতি হাজৰিকাই আঁত ধৰা সভাখনিত মহাবিদ্যালয় কৰ্মচাৰী গোটৰ তৰফৰ পৰা বিশিষ্ট ব্যক্তিসকলক একোখনিকৈ বিহুৱানেৰে বিহুৰ ওলগ যচা হয়। সভাত নিজৰ অনুভৱ প্ৰকাশ কৰি মুহিবুদ্দিন আহমেদে আবেগিক হৈ পৰে আৰু পিতৃৰ নামত সমাজলৈ সাধ্যানুসাৰে কিবা এটা আগবঢ়াবলৈ পাই কৃতাৰ্থ হোৱা বুলি কয়। আজিৰ সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, শিক্ষাবিদ ডঃ হামিদুৰ ৰহমানেও মহাবিদ্যালয়লৈ বিশখন গ্ৰন্থ দান কৰে। সভাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষত্ৰয় সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া আৰু ভোলা বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা আদিয়ে মুহিবুদ্দিন আহমেদৰ বদান্যতাৰ শলাগ লোৱাৰ লগতে অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ নেতৃত্বত ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' শীৰ্ষক কাৰ্যসূচীয়ে শিক্ষাৰ্থীৰ পুথি অধ্যয়নৰ প্ৰতি আকৰ্ষিত কৰিছে বুলি ব্যক্ত কৰে। সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলে, মহিলা কোষৰ সভানেত্ৰী ড° ৰূপজ্যোতি বৰা, সম্পাদিকা ড° শ্ৰুতি তালুকদাৰ প্ৰমুখ্যে শিক্ষকসকল সমন্বিতে শতাধিক লোক উপস্থিত থাকে। মুহিবুদ্দিন আহমেদৰ এই বদান্যতাত মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, মহাবিদ্যালয়ৰ প্ৰাক্তন সংগীত সম্পাদক তথা জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা।

# ডবকা একাডেমীৰ কৃতী ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, ডবকা, ১২ এপ্ৰিল** ঃ হোজাই জিলাৰ ডবকাত অৱস্থিত এখন আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ডবকা একাডেমীয়ে আৰম্ভণিৰ পৰা শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ স্থান দখল কৰি আহিছে। বিদ্যালয় খনে প্ৰতিবছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উল্লেখযোগ্য ফলাফল প্ৰদৰ্শন কৰি অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এইবাৰো ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীয়ে উৎকৃষ্ট ফলাফল লাভ কৰি বিদ্যালয় খনৰ সুনাম অটুট ৰাখিবলৈ সক্ষম হৈছে। এই সফলতাৰ পিছত বিদ্যালয় কৰ্তৃপক্ষই কৃতী ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰাৰ উদ্দেশ্যে এখনি সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰে। ফলাফল ঘোষণা হোৱাৰ পিছদিনা অনুষ্ঠিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰী সকলৰ লগতে তেওঁলোকৰ অভিভাৱক সকলকো একোখন ফুলাম গামোচাৰে সন্মান জনোৱা হয়। অনুষ্ঠানটোৰ মূল লক্ষ্য আছিল ছাত্ৰ-ছাত্ৰী সকলৰ এই সাফল্যক স্বীকৃতি দিয়াৰ লগতে আগন্তুক দিন সমূহতো অধিক ভাল ফলাফলৰ বাবে উৎসাহ প্ৰদান কৰা। অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰে বিদ্যালয়খনৰ শিক্ষক চুলতান আহমেদ খানে। তেওঁৰ পৰিচালনাৰ ফলত অনুষ্ঠানটো এক শৃংখলাবদ্ধ আৰু মনোমোহা ৰূপ লাভ কৰে। এই অনুষ্ঠানত বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়ত্ৰী ক্ৰমে চাইদুল আলম তাফাদাৰ, চুলতান আহমেদ খান, আতাউৰ ৰহমান, বদৰুল ইছলাম লস্কৰ, তপন দাস, সুমন্ত চক্ৰবৰ্তী, বাবলু শীল, চাহিৰ আহমদ আৰু গীতুমনি বৰা, ৰিণা বৰা, মাচুকা খানম, ৰিজুৱান আহমেদ, সংগিতা দাস, প্ৰিয়া দে, সুজাতা বৰা, চাইদুৰ ৰহমান আৰু জুবাইৰ আহমেদ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক এখনী ফুলাম গামোচাৰে অভিনন্দন জনায় আৰু তেওঁ লোকৰ আগন্তুক জীৱনৰ বাবে শুভেচ্ছা প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থকা অভিভাৱক সকলে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰী সকলৰ নিষ্ঠা, পৰিশ্ৰম আৰু দায়িত্ববোধৰ ভূয়সী প্ৰশংসা কৰে। তেওঁলোকৰ মতে, শিক্ষক সকলৰ নিৰন্তৰ প্ৰচেষ্টা আৰু যত্নৰ ফলতেই ছাত্ৰ-ছাত্ৰী সকলে এনে সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। অভিভাৱক সকলে বিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জনোৱাৰ লগতে আগন্তুক দিনসমূহতো শিক্ষাৰ একেই ধৰণৰ মানদণ্ড বজাই ৰাখিবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও বিদ্যালয় খনৰ অধ্যক্ষ ইকৰাম উদ্দিন আৰু শিক্ষক আতাউৰ ৰহমানে ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে এক গুৰুত্বপূৰ্ণ আৰু তথ্যসমৃদ্ধ ভাষণ আগবঢ়ায়। তেওঁলোকে নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰী সকলক কঠোৰ অধ্যৱসায়, শৃংখলা আৰু লক্ষ্য স্থিৰ কৰি আগবাঢ়িবলৈ আহ্বান জনায়। তেওঁ কয় যে জীৱনত সফলতা লাভ কৰিবলৈ হ'লে নিয়মিত অধ্যয়ন, সৎ চিন্তা আৰু অধ্যৱসায় অতি প্ৰয়োজনীয়। লগতে তেওঁ ছাত্ৰ-ছাত্ৰী সকলক সমাজৰ উপকাৰী নাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈও পৰামৰ্শ আগবঢ়ায়। সামগ্ৰিক ভাৱে এই সম্বৰ্ধনা অনুষ্ঠানটোৱে ডবকা একাডেমীৰ শৈক্ষিক উৎকৰ্ষৰ প্ৰতিফলন দাঙি ধৰে। এই ধৰণৰ অনুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰী সকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে তেওঁলোকক আগন্তুক সময়ত আৰু অধিক সাফল্যৰ বাবে অনুপ্ৰাণিত কৰে বুলি স্থানীয় লোকসকলে মন্তব্য প্ৰকাশ কৰে।

# অসমীয়া বিষয়ত কাটৰি চাপৰি হাইস্কুলৰ দুগৰাকী ছাত্ৰীয়ে লাভ কৰিলে ১০০ নম্বৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১২ এপ্ৰিল** ঃ এইবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত শতকৰা ৮৬শতাংশ উত্তীৰ্ণ হৈ বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে লখিমপুৰ জিলাৰ কাটৰি চাপৰি হাইস্কুলে। ইয়াৰে ২ গৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্টিংছন সহ মুঠ ৯ জনে প্ৰথম বিভাগত, ৩৬জনে দ্বিতীয় বিভাগত আৰু ৭জনে তৃতীয় বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। কাটৰি চাপৰি হাইস্কুলৰ পৰা অৱতীৰ্ণ দুগৰাকী ছাত্ৰীয়ে অসমীয়া বিষয়ত সম্পূৰ্ণ ১০০ নম্বৰ লাভ কৰি পিছপৰা অঞ্চলটোলৈ বিশেষভাৱে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তনুশ্ৰী সেনাপতি আৰু দৃষ্টি হাজৰিকাই অসমীয়া বিষয়ত ১০০ৰ ভিতৰত ১০০ নম্বৰ লাভ কৰি ঈৰ্ষণীয় সফলতা লাভ কৰিবলৈ সক্ষম হয়। প্ৰধান শিক্ষক প্ৰশান্ত হাজৰিকাৰ নেতৃত্বত হাইস্কুলখনৰ এই জয় যাত্ৰাক সকলোৱে উম্ম প্ৰশংসা কৰিছে।

# ছাত্ৰ সন্থাৰ উদ্যোগত ঢেকীয়াজুলিত আয়োজিত বিহুনাচ, ঢোলবাদন আৰু জেংবিহুৰ ২০ দিনীয়া কৰ্মশালাৰ সফল সামৰণী




**অসম বাৰ্তা, ঢেকীয়াজুলি, ১২ এপ্ৰিল** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিত আয়োজন কৰা বিহুনাচ, ঢোলবাদন আৰু জেংবিহুৰ ২০ দিনীয়া কৰ্মশালাৰ আজি এক উৎসৱমুখৰ আৰু উদুলিমুদুলি পৰিৱেশৰ মাজেৰে সফল সামৰণী পৰে। ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত ১৮ মাৰ্চ ২০২৬ তাৰিখৰ পৰা আৰম্ভ হোৱা এই কৰ্মশালাখন নগৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰাংগনত অনুষ্ঠিত হৈছিল। কৰ্মশালাখনৰ মুখ্য উদ্দেশ্য আছিল অসমৰ ঐতিহ্যমণ্ডিত বিহু সংস্কৃতিৰ বিভিন্ন দিশ—বিশেষকৈ বিহুনাচ, ঢোলবাদন আৰু জেংবিহু—নৱ প্ৰজন্মৰ মাজত সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উৎসাহ যোগোৱা। ২০ দিন ধৰি চলা এই প্ৰশিক্ষণ কাৰ্যসূচীত বহু সংখ্যক কিশোৰ-কিশোৰী আৰু যুৱ প্ৰজন্মে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে আৰু অভিজ্ঞ প্ৰশিক্ষকৰ পৰা প্ৰশিক্ষণ গ্ৰহণ কৰে। আজি অনুষ্ঠিত হোৱা সামৰণী অনুষ্ঠানত অসমৰ বিভিন্ন সামাজিক আৰু ছাত্ৰ সংগঠনৰ নেতৃবৰ্গ আৰু অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নয়নজ্যোতি গগৈ, সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা মণ্ডলী অৰূপ তালুকদাৰ আৰু নয়ণ কলিতা। সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি দেৱাঞ্জন বিকাশ পাঠক আৰু সাধাৰণ সম্পাদক শংকৰ দাস উপস্থিত থাকে। ইয়াৰ উপৰিও লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰী, সমাজকৰ্মী ধ্ৰুৱ বৰা, বিদ্যালয়খনৰ প্ৰধান শিক্ষক কহিনুৰ আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক বিধুভোষন ৰয়, সমাজকৰ্মী নাৰায়ণ বৰা, সংবাদকৰ্মী পলিমা বি চেতিয়া, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ সভাপতি আনন্দ তাঁতী আৰু সদৌ অসম ভোজপুৰী পৰিষদৰ শোণিতপুৰ জিলাৰ সভাপতি সন্তোষ চাহানীৰ লগতে বহুতো সংগঠনৰ প্ৰতিনিধি আৰু অঞ্চলটোৰ গণ্য-মান্য ব্যক্তি উপস্থিত থাকি অনুষ্ঠানখনৰ গৌৰৱ বৃদ্ধি কৰে। সামৰণী অনুষ্ঠানত প্ৰশিক্ষণ লোৱা শিক্ষাৰ্থীসকলে বিহুনাচ আৰু ঢোলবাদনৰ মনোমোহা প্ৰদৰ্শন আগবঢ়ায়, যি উপস্থিত দৰ্শকৰ মন জয় কৰে। বক্তাসকলে নিজৰ ভাষণত অসমীয়া সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত এনে কৰ্মশালাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু আগন্তুক দিনত এনেধৰণৰ অনুষ্ঠান অধিক পৰিসৰত আয়োজন কৰাৰ আহ্বান জনায়। এই কৰ্মশালাৰ সফল আয়োজনৰ বাবে উদ্যোক্তা সংগঠন আৰু স্থানীয় ৰাইজক সকলো ফালৰ পৰা প্ৰশংসা কৰা হয়। উক্ত অনুষ্ঠানত সকলোৱে সহযোগ আগবঢ়োৱাত সদৌটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰে ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভাগ্যজ্যোতি নাথ আৰু সাধাৰণ সম্পাদক বিকাশ কলিতাই।

**জাঁজী জামুগুৰিৰ আহোম ৰজাদিনীয়া প্ৰাচীন ঢোল শিল্প সংকতৰ গৰাহত; নাই কোনো চৰকাৰী সুবিধা**

# "ফুলপানিছিগাতে ঢোলৰ মাত শুনিছোঁ গছকত ভাঙি যাওঁ যঁতৰ"



**অসম বাৰ্তা, জাঁজী, ১২ এপ্ৰিল ঃ** ৰঙালী বিহু সমাগত। অসম বিখ্যাত ফুলপানিছিগাৰ ঢোল শিল্প। ঐতিহাসিক শিৱসাগৰ জিলাৰ ইতিহাসে গৰকা এক অঞ্চল জাঁজী জামুগুৰি। এতিয়া সন্মুখত অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু নঙলা মুখত। শিৱসাগৰ আৰু যোৰহাট জিলাৰ সীমান্তৱৰ্তী জাঁজী গড়মূৰৰ পৰা তিনি কিলোমিটাৰ উজাই বুৰঞ্জীপ্ৰসিদ্ধ ফুলপানীছিগাৰ সমীপত অৱস্থিত জামুগুৰিৰ বলমীয়া গাঁৱৰ বেতনি চুকত গঢ় লৈ উঠিছিল অসমৰ এক প্ৰাচীন ঢোল শিল্প। কিন্তু চৰকাৰী অৱহেলা তথা স্থানীয় বৌদ্ধিক সমাজৰ নিষ্ক্ৰিয় ভূমিকাত বৰ্তমান এই ঐতিহ্যমণ্ডিত শিল্পটোৰ অৱস্থা শোচনীয়। আহোম ৰাজত্বৰ সময়ত ৰজাৰ যিকোনো সাংস্কৃতিক অনুষ্ঠানত বাদ্যৰ যোগান ধৰা এইসকল লোক তেতিয়াৰেপৰা এই শিল্পৰ লগত বংশানুক্ৰমে জড়িত হৈ আজি পৰ্যন্ত ইয়াক জীয়াই ৰাখিছিল। কিন্তু কালক্ৰমত গছ তলৰ বিহু মঞ্চত উপবিষ্ট হোৱাৰ দৰে বহিৰাগত কিছুমান ব্যৱসায়ীয়ে এই ঢোলক নিজস্বভাৱে অনুন্নত তথা নিম্ন মানৰ কাঠেৰে নিৰ্মাণ কৰি কম দামত বিক্ৰী কৰিবলৈ ব্যৱসায় আৰম্ভ কৰাত প্ৰকৃত ৰজাদিনীয়া থলুৱা কাৰিকৰী বিদ্যাৰো মৃত অৱস্থালৈ গতি কৰিলে। এই প্ৰাচীন গাঁওখনৰ প্ৰায় পোন্ধৰ বিশটা পৰিয়ালেই এই শিল্পৰ লগত জড়িত আছিল যদিও কেঁচা সামগ্ৰীৰ দাম, উন্নত যন্ত্ৰ পাতিৰ অভাৱ আৰু নৱ প্ৰজন্মৰ অৱহেলাৰ বাবে বৰ্তমান গাঁওখনত মাঠো প্ৰয়াত শিল্পী গিলাচী(নৱীন) শইকীয়াৰ পৰিয়ালেহে এই শিল্পকৰ্ম জীয়াই ৰাখিছে। প্ৰয়াত গিলাচী শইকীয়াৰ তিনি পুত্ৰ বিনোদ, উজ্জ্বল আৰু অমৃতে এই শিল্পকৰ্মত দক্ষ হৈ উঠিছে আৰু ইয়াক জীয়াই ৰখাৰ অংগীকাৰবদ্ধ হৈছে। তেওঁলোকে জানিবলৈ দিয়া মতে কঠাল কাঠৰ গছৰ খোলা উলিয়াই তালি আৰু কোবনি লগাই বৰটি আৰু মলুৱা সংযোগ কৰি এটা ঢোল প্ৰস্তুত কৰি বৰ্তমান প্ৰায় ১২ /১৩ হেজাৰ টকাৰ ভিতৰত বিক্ৰী কৰিব পাৰি। এটা ঢোল চাৱনিৰ বাবদ প্ৰায় চাৰি হাজাৰ টকা সংগ্ৰহ কৰিব পাৰে। পৰিয়ালৰ তথ্য অনুযায়ী এইবাৰ অমৃত হতে বৰ্তমানলৈকে প্ৰায় ৪০ তাৰো অধিক ঢোল ৰাইজৰ মাজলৈ দিব পৰিছে। কিন্তু ঢোলৰ কোবনিৰ বাবে গাই গৰুৰ আগছেৱা অৰ্থাৎ ডিঙিৰ ছাল, তালিৰ বাবে চেউৰী গৰুৰ আগছেৱা আৰু বৰটিৰ বাবে বলদ গৰুৰ ছালৰ প্ৰয়োজন যদিও বৰ্তমান গৰুৰ ছাল পাবলৈ নাই কিয়া হৈছে। এই ছাল যোৰহাটৰ কাকজান নাইবা বিভিন্ন গৰুৰ ছালৰ ভাণ্ডাৰৰ পৰা সংগ্ৰহ কৰা হয়। জানিব পৰা মতে মূলধনৰ অভাৱত এওঁলোকে এতিয়াও সহজতে পোৱা কটাৰী, দা, বাচুলা, গিৰমিট, চেওকৰট, বটালি, প্লাচ আদি সৰ্জুলিৰ দ্বাৰাই বাদ্যযন্ত্ৰবোৰ নিৰ্মাণ কৰে। ফলত সময়ৰ অপব্যৱহাৰৰ উপৰিও শাৰীৰিক শ্ৰম অত্যধিক হয়। তথাপিও কিন্তু শদিয়াৰ পৰা ধুবুৰীলৈকে বিনোদ, উজ্জ্বল আৰু অমৃতহঁতে বনোৱা ঢোলৰ চাহিদা কমা নাই। কাৰণ এই ঢোল দীৰ্ঘস্থায়ী হোৱাৰ উপৰি শব্দৰ ক্ষেত্ৰতো অতুলনীয়। প্ৰাপ্ত তথ্যমতে উজ্জ্বলহঁতৰ পৰিয়ালে এই শিল্পকৰ্মৰ যোগেদিয়েই বছেৰেকত প্ৰায় তিনি, চাৰি লাখ টকা পৰ্যন্ত উপাৰ্জন কৰে যদিও কেঁচা সামগ্ৰীৰ অত্যধিক দাম আৰু কঠোৰ শ্ৰমৰ বিনিময়ত এয়া নগণ্য। ঢোলৰ উপৰি খোল, নেগেৰা, ডবা, টোকাৰী, দগৰ আদি লোকবাদ্যও এওঁলোকে নিৰ্মাণ কৰে। বৰ্তমান নিবনুৱা সমস্যাৰ যুগত এই শিল্পটোক বৈজ্ঞানিক পদ্ধতিৰে অধিক উন্নত কৰি এক উদ্যোগ হিচাপে গঢ়ি তুলিব পৰা হ'লে বৃত্তিমুখী কৰ্মত বহু যুৱক সংস্থাপিত হ'ব পাৰিলেহেঁতেন। কেইবছৰমানৰ আগতে সদৌ অসম টাই সংস্কৃতি লোক পৰিষদে এই শিল্পটোৰ ওপৰত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি উদ্যোগ হিচাপে গঢ়ি তোলাৰ চিন্তা চৰ্চা কৰিছিল যদিও সেয়া হৈ নুঠিল। গতিকে শিল্পটোক জীয়াই ৰখাৰ ক্ষেত্ৰত চৰকাৰে উচিত কাৰ্যব্যৱস্থা নললে ই সময়ৰ সোঁতত হেৰাই যোৱাৰ সম্ভাৱনাই অধিক। উল্লেখযোগ্য যে বিগত ৬ বছৰৰ আগতে সমগ্ৰ বিশ্বৰ লগতে অসমতো কৰুণা মহামাৰীয়ে আতংক বিৰাজ কৰাৰ পৰিপ্ৰেক্ষিতত ঢোলৰ ব্যৱসায়ত বহুতো লোকচানৰ সন্মুখীন হব লগা হৈছিল এই পৰিয়ালতো। ইয়াৰোপৰি আজিলৈকে এই পৰিয়াল টোৱে পোৱা নাই কোনো চৰকাৰী সুবিধা। বাতৰি অনুসৰি এই কথাল কাঠৰ ঢোল এইবাৰ সুদূৰ কলকাতা লৈও প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে। অসম বিখ্যাত ফুলপানিছিগা এই ঢোল শিল্পলৈ চৰকাৰে কৃপা কৰিবনে? তাক লৈ এই পৰিয়াল টু এতিয়া অপেক্ষাত। এটা সময়ত ফুলপানিছিগাৰ ঢোলে ৰজন জনাই উঠিছিল, কিন্তু বৰ্তমান সংকটৰ গৰাহত। আনহাতে ঢোল, খোলৰ নিৰ্মাণৰ বাবে সামগ্ৰীৰ বজাৰত আকাশলংঘি দামে অমৃত, বিনোদহতে মূৰে কপালে হাত দিব লগা হৈছে। তথাপিও অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ আগ মুহূৰ্তত ব্যস্ত হৈ পৰিছে জাঁজী জামুগুৰীৰ বলমিয়া গাঁৱৰ বেটনি চুকৰ এই পৰিয়ালটো।

# প্ৰথম বৰ্ষতে আশাপ্ৰদ ফলাফলেৰে উজলিল নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰ

**অসম বাৰ্তা, নুমলীগড়, ১২ এপ্ৰিল** ঃ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলে আশাৰ বতৰা কঢ়িয়াই আনিছে সমগ্ৰ নুমলীগড় অঞ্চললৈ। হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ স্বীকৃতি লাভ কৰি এই কেন্দ্ৰত এই বছৰ প্ৰথম বছৰ অনুষ্ঠিত হৈছিল পৰীক্ষা। এই কেন্দ্ৰৰ পৰা মুঠ চাৰিখন বিদ্যালয়ৰ মুঠ ২৩৬ জন পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অংশগ্ৰহণ কৰিছিল, ইয়াৰে ২০৫ জন পৰীক্ষাৰ্থীয়ে সুখ্যাতিৰে উতীৰ্ণ হবলৈ সক্ষম হৈছে। কেন্দ্ৰটোত ২ জনে ডিষ্টিংচন, ৬ জনে ষ্টাৰ মাৰ্ক, ৪৬ জন প্ৰথম বিভাগত, ১২৬জন দিত্বীয় বিভাগত আৰু ২৫জন ছাত্ৰ ছাত্ৰীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। কেন্দ্ৰটোত এইবছৰ উত্তীৰ্ণ হাৰ ৮৬.৮৬ক্ষ শতাংশ। অন্যহাতে কেন্দ্ৰটোৰ পৰা পৰীক্ষাত অংশগ্ৰহণ কৰা বিদ্যালয় সমূহৰ বিদ্যালয় ভিত্তিক ফলাফল হৈছে, নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা - অৱতীৰ্ণ হোৱা ৯৪ জনৰ ভিতৰত উত্তীৰ্ণ হয় ৭৫ জন। উত্তীৰ্ণৰ হাৰ ৭৯.৭৯ শতাংশ। ইয়াৰে প্ৰথম বিভাগত উত্তীৰ্ণ ৬ জন, দিত্বীয় বিভাগত উত্তীৰ্ণ হয় ৫৫জন আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হয় ১৪ জন। ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হোৱা ১১১ জনৰ ভিতৰত উত্তীৰ্ণ হৈছিল ৯৯ জন। উত্তীৰ্ণৰ হাৰ ৮৯.১৯ শতাংশ। ইয়াৰে ডিষ্টিংচন ২ জন, ষ্টাৰ মাৰ্ক ২ জন, প্ৰথম বিভাগত ২৩জন দিত্বীয় বিভাগত ৬১ আৰু তৃতীয় বিভাগত ১১জন উত্তীৰ্ণ হয়। শ্বহীদ বিজু বৈষ্ণৱ আদৰ্শ বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হোৱা ৬ জনৰ ভিতৰত উত্তীৰ্ণ হৈয় ৬ জন। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। ইয়াৰ কেউগৰাকী ছাত্ৰ-ছাত্ৰী দিত্বীয় বিভাগত উত্তীৰ্ণ হবলৈ সক্ষম হয়। কল্পতৰু চিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হোৱা ২৫ জনৰ ভিতৰত উত্তীৰ্ণ হয় ২৫ জন। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। ইয়াৰে ষ্টাৰ মাৰ্ক ৪ জন, প্ৰথম বিভাগত ১৭জন দিত্বীয় বিভাগত ৪জন উত্তীৰ্ণ হয়।

**অসমীয়া আৰু গণিত বিষয়ত এশ শতাংশ নম্বৰ লাভ অৰিন্দম ৰাজদ্বীপ দত্ত**

# এশ শতাংশ উত্তীৰ্ণৰে গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনৰ কৃতিত্ব

**অসম বাৰ্তা, গহপুৰ, ১২ এপ্ৰিল** ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কালি ঘোষিত ফলাফলত এশ শতাংশ উত্তীৰ্ণৰে কৃতিত্ব অৰ্জন কৰি বৃহত্তৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনে। উত্তৰ অসমৰ এখন উল্লেখযোগ্য আৰু আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান শংকৰদেৱ শিক্ষা নিকেতন, গহপুৰে এইবাৰো ঘোষিত ফলাফলত সাফল্যৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। ঘোষিত ফলাফলত ১৫ গৰাকীয়ে ড্ৰিষ্টিংচন আৰু ৫৫ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰিছে। এইক্ষেত্ৰত বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত শইকীয়াই প্ৰকাশ কৰা তথ্য অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ঘোষিত ফলাফলত ৬৪জন ছাত্ৰ-ছাত্ৰীৰ ৬৪ জনেই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰে ৫৫জন ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰে ৭৫ শতাংশ নম্বৰ(ষ্টাৰ)ৰ ওপৰত আৰু ১৫জন ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰে ৮৫ শতাংশ নম্বৰ(ড্ৰিষ্টিংচন)ৰ ওপৰত। অসমীয়া আৰু সাধাৰণ গণিত দুয়োটা বিষয়ত ১০০ শতাংশ নম্বৰ লাভ কৰি কৃতিত্বৰ অধিকাৰী হৈছে অৰিন্দম ৰাজদ্বীপ দত্ত। বিদ্যালয়খনৰ ভিতৰত প্ৰথম সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থী সকল হৈছে অৰিন্দম ৰাজদ্বীপ দত্ত(৯৪.১৭ শতাংশ), সৃষ্টি বৰুৱা(৯৪ শতাংশ) আৰু ৰ'জী বৰা(৯৩ শতাংশ)। কৃতি শিক্ষাৰ্থী সকলক বিদ্যালয়খনৰ সভাপতি উদয় আদিত্য গোস্বামী আৰু অধ্যক্ষ জয়ন্ত শইকীয়াই অভিনন্দন জ্ঞাপন কৰিছে।

# গৌৰীমাৰীৰ গ্ল'বেল একাডেমীত কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা

**অসম বাৰ্তা, গৌৰীমাৰী, ১২ এপ্ৰিল** ঃ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৌৰীমাৰীৰ গ্ল'বেল একাডেমীৰ পৰা কৃতিত্বসহকাৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীক আজি বিদ্যালয় তৰফৰ পৰা অভিনন্দন জনোৱা হয়। উল্লেখ্য যে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ পৰা এগৰাকীয়ে ষ্টাৰ নম্বৰসহ ৫ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগ, ২১ গৰাকী দ্বিতীয় আৰু ৬ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ১৩ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। এই উপলক্ষে আজি বিদ্যালয় প্ৰাংগণত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মণিৰুদ্দিন আহমেদৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ একাডেমীক ইনচাৰ্জ ৰহুল আমিনে। শিক্ষক মাতিন খানে সম্বৰ্ধনা সভা পৰিচালনা কৰা সভাত অধ্যক্ষ আব্দুছ ছালাম, বিদ্যালয়ৰ পৰিচালন সঞ্চালক তাৰামিঞা, একেডমীক ইনচাৰ্জ ৰহুল আমিন, শিক্ষক ক্ৰমে ছবুৰ উদ্দিন, ৰফিকুল ইছলাম, ফুলবৰ আলী, নজৰুল ইছলাম, হজৰত আলী, দেলবৰ হুছাইন, ইলিয়াছ আহমেদ, নুৰুল ইছলাম লগতে অভিভাৱক ছুৰমান আলী, জমিৰন বেগম, আব্দুৰ ৰহিম, নুৰুল ইছলাম, আয়েছা আহমেদে অংশগ্ৰহণ কৰে।

# নতুন দিল্লীত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় যুৱ সংসদত অসমৰ সাফল্য

**অসম বাৰ্তা, মৈৰাবাৰী, ১২ এপ্ৰিল** ঃ হোজাইৰ আগশাৰীৰ শিক্ষানুষ্ঠান UNITED PUBLIC SCHOOL ৰ চাৰিগৰাকী শিক্ষাৰ্থীৰ দলে আজুৰি আনিলে Best School Delegation Award. এই চাৰিগৰাকী শিক্ষাৰ্থী হ'ল-জুয়িনা বিন্তে বাহাৰ, নাজিফ হুছেইন, ফাইজান আহমেদ আৰু মেহদিয়া। জুয়িনা মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ বাহাৰুল উলুম চৌধুৰী আৰু খুছবু ইজাহানৰ কন্যা। নাজিফ হুছেইন- বিশিষ্ট শিক্ষাবিদ হুছেইন আহমেদৰ পুত্ৰ, ফাইজান আহমেদ-নিয়াজ উদ্দিন আহমেদৰ পুত্ৰ, মেহদিয়া - মুজিবুৰ ৰহমান লস্কৰৰ কন্যা। উল্লেখ্য যে গাইড শিক্ষক পাৰছা বেগম আৰু ইফতিকাৰ আলমৰ তত্ত্বাৱধানত UNITED PUBLIC SCHOOL ৰ চাৰিগৰাকী শিক্ষাৰ্থীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত এনে সাফল্য লাভ কৰা খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ অসমৰ হোজাই আৰু মৰিগাঁও অঞ্চলৰ শিক্ষানুৰাগী ৰাইজৰ মাজত ব্যাপক আনন্দ-উচ্ছাসৰ পৰিৱেশ পৰিলক্ষিত হৈছে। বিভিন্ন জনে বিদ্যালয়খনৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে চাৰিওগৰাকী শিক্ষাৰ্থী আৰু গাইড শিক্ষক দুগৰাকীক শুভেচ্ছাৰে উপচাই পেলাইছে। তদপুৰি তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ শুভকামনা জনাইছে। ইপিনে মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাপতি বাহাৰুল উলুম চৌধুৰীৰ সুকন্যা জুয়িনাৰ সাফল্য লাভৰ খবৰে প্ৰেছক্লাব পৰিয়ালতো উঠিছে আনন্দৰ জোৱাৰ।

# ৰূপহীহাটৰ গড়াজান আৰক্ষীৰ জালত চাইবাৰ অপৰাধী

**অসম বাৰ্তা, ৰূপহীহাট, ১২ এপ্ৰিল** ঃ ৰূপহীহাটৰ গড়াজানত আজি আৰক্ষীৰ জালত পৰে এটা চাইবাৰ অপৰাধী। পূব ফুটালজাৰ মহৰ উদ্দিন নামৰ লোকজনে চাইবাৰ অপৰাধৰ লগত জড়িত থকাৰ অভিযোগত আটক কৰে আৰক্ষীয়ে। চাইবাৰ অপৰাধৰ লগত জড়িত হৈ কোটি কোটি টকা লেনদেনৰ তথ্য লাভ কৰিছিল আৰক্ষীয়ে। মহৰ উদ্দিনে দীৰ্ঘদিনৰ পৰা এটা চাইবাৰ গেং তৈয়াৰ কৰি গড়াজানত অঞ্চলত দপদপাই আছিল। সম্প্ৰতি গড়াজান আৰক্ষীয়ে আটক কৰি জেৰা অব্যাহত ৰাখিছে মহৰ উদ্দিনক।

## বাসুগাঁৱৰ কৃষি পৰিদৰ্শকৰ আকস্মিক মৃত্যু; গুণমুগ্ধৰ শোক প্ৰকাশ

**অসম বাৰ্তা, বাসুগাঁও, ১২ এপ্ৰিল** ঃ চিৰাং জিলাৰ বাসুগাঁও চহৰ নিবাসী কৃষি বিভাগৰ পৰিদৰ্শক পদত অধিষ্ঠিত সুবীৰ চেৰ্টাৰ্জী যোৱা নিশা চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। সুস্থ-সৱল কৃষি পৰিদৰ্শক গৰাকীক যোৱা দহদিন আগতে আকস্মিক ভাৱে নাৰ্ভৰ সমস্যাই দেখা দিয়ে। লগে-লগে পৰিয়ালৰ লোকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰায়। তাতে চিকিৎসাধীন হৈ থাকোঁতে যোৱা মাজনিশা শেষ নিশ্বাস ত্যাগ কৰে। সৰবৰাহী লোকজনৰ মৃত্যুৰ সময়ত পত্নী সহ এজন পুত্ৰ আৰু এগৰাকী কন্যাৰ উপৰি তিনিজন ভাতৃ আৰু তিনিজনী ভগ্নী এৰি থৈ যায়। লোকজন মৃত্যুৰ সময়ত বয়স হৈছিল ৫৮ বছৰ। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অগণন আত্মীয়-কুটুম্ব, গুণমুগ্ধই ঘৰত ভিৰ কৰি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আজি সন্ধিয়া বাসুগাঁও নিচিনাপাৰা ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়।

## গণিত আৰু ঐচ্ছিক গণিত বিষয়ত ১০০ শতাংশ নম্বৰেৰে গহপুৰৰ নিশিতা বৰমূদৈৰ সফলতা

**অসম বাৰ্তা, গহপুৰ, ১২ এপ্ৰিল** ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কালি ঘোষিত ফলাফলত ৯৩.৬ শতাংশ নম্বৰেৰে চমকপ্ৰদ সফলতা লাভ কৰি কৃতিত্বৰ অধিকাৰী হৈছে গহপুৰৰ নিউ স্কলাৰ্চ একাডেমীৰ মেধাৱী ছাত্ৰী নিশিতা বৰমূদৈ। ঘোষিত ফলাফলত তেওঁ গণিত আৰু ঐচ্ছিক গণিত বিষয়ত এশ শতাংশ নম্বৰ লাভ কৰি মেধাৰ পৰিচয় ডাঙি ধৰিবলৈ সক্ষম হৈছে। নিশিতা বৰমূদৈয়ে অসমীয়াত ৯৪, ইংৰাজীত ৮৭, সাধাৰণ গণিতত ১০০, সাধাৰণ বিজ্ঞানত ৯৫, সমাজ বিজ্ঞানত ৮৬ আৰু ঐচ্ছিক গণিত বিষয়ত লাভ কৰে ১০০ নম্বৰ। উল্লেখযোগ্য যে-নিশিতা বৰমূদৈয়ে এশ শতাংশ নম্বৰ লাভ কৰা সাধাৰণ গণিত আৰু ঐচ্ছিক গণিত বিষয়ৰ অতিৰিক্ত পাঠগ্ৰহণৰ ক্ষেত্ৰত এপিটাইচিয়া লাৰ্নিং হাবত তেওঁ নিয়মীয়াকৈ টিউচন কৰিছিল। তেওঁৰ এই সাফল্যৰ বাবে এপিটাইচিয়া লাৰ্নিং হাবৰ সাধাৰণ গণিত আৰু ঐচ্ছিক গণিত বিষয়ৰ শিক্ষয়িত্ৰী উপমা মহন্তই যথেষ্ট সন্তোষ প্ৰকাশ কৰি তেওঁক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। মেধাৱী ছাত্ৰী নিশিতা বৰমূদৈ গহপুৰ নগৰৰ ধেনুধৰা নিবাসী, যুৱ ব্যৱসায়ী দিগন্ত বৰমূদৈ আৰু মৌচুমী শইকীয়া বৰমূদৈৰ জীয়ৰী।

## বকোৰ শিক্ষকৰ জীয়ৰী ছয়গাঁৱৰ জ্যোতিষ্মিতা দাসৰ সাফল্যত আনন্দিত পৰিয়ালৰ লগতে আত্মীয় স্বজন

**অসম বাৰ্তা, বকো, ১২ এপ্ৰিল** ঃ সদ্যঘোষিত অসম হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাত বকো মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ড° বলেন চন্দ্ৰ দাসৰ একমাত্ৰ জীয়ৰী জ্যোতিষ্মিতা দাসে পাঁচটা বিষয়ত লেটাৰ নম্বৰ লৈ প্ৰথম স্থান দখল কৰিছে। উল্লেখ্য যে ছয়গাঁও নোৱাপাৰা গাঁৱৰ বাসিন্দা বকো মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ড° বলেন চন্দ্ৰ দাস আৰু মাতৃ নিকুলতা দাসৰ একমাত্ৰ ছোৱালী চেণ্ট লুইচ হাইস্কুল পৰা ৫টা বিষয়ত লেটাৰ নম্বৰ সহ ৮২.৫ শতাংশ নম্বৰ লাভ কৰি পৰীক্ষাত উত্তীৰ্ণ হৈছে। ফলাফল ঘোষণা মতে অসমীয়া, সাধাৰণ গণিত, সমাজ বিজ্ঞান, উচ্চ গণিত, ইংৰাজী বিষয়ত লেটাৰ নম্বৰ লাভ কৰিছে। সেয়ে জ্যোতিষ্মিতাৰ সাফল্যত আনন্দিত হৈ পৰিছে পৰিয়ালৰ লগতে আত্মীয় স্বজন আৰু শুভাকাংক্ষীয়ে। আনহাতে জ্যোতিষ্মিতাৰ ককায়েক মানস জ্যোতি দাসে আজাৰাৰ গীৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ পৰা অলপতে বি, চি, এ শাখত স্নাতক ডিগ্ৰী প্ৰথম শ্ৰেণীত ৮৯.৬ক্স লাভ কৰি উত্তীৰ্ণ হৈ শিক্ষানুষ্ঠান টোৰ পৰা বৃত্তি লাভ কৰিছে। বৰ্তমান এমচিএ, শাখাত অধ্যয়ন কৰি আছে। সেয়ে বকোৰ শিক্ষক ড° বলেন চন্দ্ৰ দাসৰ পুত্ৰ কন্যাই কৰা সফলতক সকলোলেই আন্তৰিকতাৰে আৰ্শীবাদ প্ৰদান কৰে।

## মাজুলীত বিশিষ্ট লেখিকা ৰুবী শইকীয়াৰ গ্ৰন্থ 'বিহুনামৰ ৰহঘৰা' উন্মোচন

**অসম বাৰ্তা, মাজুলী, ১২ এপ্ৰিল** ঃ মাজুলীৰ বনগাঁৱৰ বিশিষ্ট লেখিকা, মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন উপসভানেত্ৰী তথা মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ৰুবী শইকীয়াৰ বিহুগীতৰ ৰহঘৰা শীৰ্ষক পুথিখন আজি বনগাঁও ৰংঘৰত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। এই উপলক্ষে বিয়লি ২ বজাৰ পৰা আয়োজিত গ্ৰন্থ উন্মোচনী সভাখনিত সভাপতিত্ব কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি তথা অৱসৰী শিক্ষক প্ৰফুল্ল কুমাৰ বৰুৱাই। মাজুলী জিলা নাট্য সন্মিলনীৰ সভাপতি তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ ভূঞাই উদ্বোধন কৰা সভাৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° অৰূপ কুমাৰ বৰাই। ত্ৰিনয়ণ শইকীয়া আঁত ধৰা সভাখনিত আৰম্ভণিতে শিশুশিল্পী অভিলেখ শইকীয়াই এটি বৰগীত পৰিৱেশন কৰে। বিশিষ্ট অতিথিসকলক অংগবস্ত্ৰৰে আদৰণি জনায় ৰুবী শইকীয়াৰ স্বামী তথা অৱসৰী শিক্ষক ৰবীন চন্দ্ৰ শইকীয়াই। সভাত ৰুবী শইকীয়াৰ পুথিখনি উন্মোচন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "বিহুনামত অনুৰণিত হয় অসমীয়াৰ প্ৰাণৰ সুমধুৰ সুৰ। পুৰণি কালৰ বিহুনামসমূহক সংৰক্ষণ কৰি ৰখাটো আমাৰ সকলোৰে কৰ্তব্য হোৱা উচিত। তেনে কৰ্মত জড়িত হৈ ৰুবী শইকীয়া সকলোৰে ধন্যবাদৰ পাত্ৰী হৈছে।" নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰতি বৰা, মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তিলক চন্দ্ৰ শৰ্মা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক শম্ভুনাথ তামোলীয়ে ভাষণ আগবঢ়ায়। সভাত শিক্ষাবিদ অন্নদা শইকীয়া, জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা শইকীয়া বৰা, সম্পাদিকা নিতুল হাজৰিকা শইকীয়া, জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰা, মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্ত গোস্বামী, সম্পাদিকা স্বপ্না বৰা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অজিত হাজৰিকা, সম্পাদক দিপাংকৰ ৰাজখোৱা, শিক্ষাবিদ লক্ষিমী বৰুৱা, দিলীপ শইকীয়া, প্ৰেম চন্দ্ৰ চাহু, অতুল হাজৰিকা, উপেন বৰা, মুহিন্দ্ৰ গায়ন, হেম ভৰালী, প্ৰদীপ শৰ্মা, সূৰ্য কুমাৰ ভূঞা, অভিজিত ফুকন, লোকনাথ শইকীয়া, কমল চন্দ্ৰ তামোলী, বুপৰাম শইকীয়া, ইন্দ্ৰেশ্বৰ হাজৰিকা, চন্দ্ৰ শইকীয়া, বনগাঁও ৰংঘৰৰ সম্পাদক শেৱ হাজৰিকা, বনগাঁও আঞ্চলিক মহিলা সমিতিৰ সম্পাদিকা ৰীতা শইকীয়া, স্বৰ্ণ মুদৈ, ত্ৰিদিপ হাজৰিকা, ৰঞ্জিত বৰুৱা, কৌশল্যা বায়ন হাজৰিকা প্ৰমুখ্য দ্বিশতাধিক লোক উপস্থিত থাকে। শেষত পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিহুনৃত্য পৰিৱেশন কৰে।

**লক্ষ্য লক্ষ্য দৰ্শনাৰ্থীক আদৰিবলৈ সাজু বকো মৌজাৰ খাৰিজা ৰাইজ**

## বকোৰ ঐতিহ্যমণ্ডিত মা পাৰ্বতী দেৱীৰ পূজা আৰু মেলাৰ আয়োজন

**অসম বাৰ্তা, বকো, ১২ এপ্ৰিল** ঃ কামৰূপ জিলাৰ বকো মৌজা পৰিষদৰ ১ নং খাৰিজা ৰাইজৰ ইতিহাস প্ৰসিদ্ধ শক্তিপীঠ স্থান শ্ৰীশ্ৰী মা পাৰ্বতী দেৱীৰ মন্দিৰত বিগত বছৰবোৰৰ দৰে এই বৰ্ষও আয়োজন কৰা হৈছে পূজা আৰু ঐতিহ্য মণ্ডিত দেৱী স্থানত মেলা। উল্লেখ্য যে ৰাজ্যৰ উপৰিও বহিঃৰাজ্যৰ লক্ষ্য লক্ষ্য ভক্ত আৰু দৰ্শনাৰ্থীৰ সেৱাৰ থলী মা পাৰ্বতী দেৱীৰ মন্দিৰত প্ৰতি বছৰে অসমীয়া মাহৰ ৩০ চ'তৰ দিনা অনুষ্ঠিত হয় পূজা আৰু মহা মেলা অৰ্থাৎ মহোৎসৱ। ইফালে ১ নং খাৰিজা ৰাইজৰ ভাৰপ্ৰাপ্ত সভাপতি মেঘনাথ বড়ো, উপ সভাপতিদ্বয় অচ্যুত কান্ত বড়ো আৰু দীপক দাস, সাধাৰণ সম্পাদক ভদ্ৰেশ্বৰ ৰাভা আৰু সহকাৰী সম্পাদক প্ৰভাত ৰাভাই জনোৱা মতে বহু শতিকা বছৰ জুৰি ধৰ্মীয় আৰু আধ্যাত্মিক তথা মাংগলিক ৰীতি-নীতিৰে আয়োজন কৰা হয় শ্ৰীশ্ৰী মা পাৰ্বৃতী দেৱীৰ পূজা ভাগি। চ'তৰ সংক্ৰান্তিৰ দিনা অৰ্থাৎ এই বেলি ৩০ চ'ত; ১৪ এপ্ৰিলত দিনযোৱা ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰা অনুসৰি আয়োজন কৰা হয় পাৰ্বৃতী মেলাৰ। বকোৰ বালাপাৰাস্থিত পাৰ্বৃতী পাহাৰৰ সুউচ্চ টিংত সুন্দৰ তথা নৈসৰ্গিক পৰিবেশত আয়োজন কৰা হয় বিশাল মেলা উৎসৱ। উক্ত দিনা দূৰ-দূৰণিৰ পৰা লক্ষ্য লক্ষ্য ভক্ত আৰু দৰ্শনাৰ্থীয়ে দেৱী দৰ্শন কৰিবলৈ আহে আৰু অঞ্চলটোত লোকে লোকাৰণ্য পৰিবেশৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত অগণন ভক্ত আৰু দৰ্শনাৰ্থীক আদৰিবলৈ সকলো প্ৰকাৰে সাজু হৈছে খাৰিজা ৰাইজ। ইতিমধ্যে মন্দিৰৰ নামনিত দোকান পোহাৰৰ উপৰিও অন্যান্য ব্যৱসায়িক প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও মন্দিৰলৈ আগমন কৰা খটখটি সদৃশ পথটো চাফ চিকুণ কৰি তোলা হৈছে লগতে পাহাৰৰ ওপৰত মন্দিৰটো চাফ চিকুণ কৰি ৰং-চুণ দি সুন্দৰকৈ সজাই তোলা হৈছে। মুঠৰ ওপৰত মা পাৰ্বৃতী মেলাৰ বাবে সকলো যাৱতীয় কাম-কাজ সম্পূৰ্ণ কৰি তুলিছে বুলি জানিব দিয়ে সম্পাদক ভদ্ৰেশ্বৰ ৰাভাই।

## গ্ৰীণভেলী জাতীয় বিদ্যালয়ত মেট্ৰিক উত্তীৰ্ণক সম্বৰ্ধনা

**অসম বাৰ্তা, সোণতলী, ১২ এপ্ৰিল** ঃ কামৰূপ জিলাৰ ছমৰীয়া শিক্ষাখণ্ডৰ অধীনস্থ ১নং মালিবাৰী পথাৰৰ অগ্ৰণী ব্যক্তিগত খণ্ডৰ বিদ্যালয়, "গ্ৰীণভেলী জাতীয় বিদ্যালয়"ৰ মেট্ৰিক উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। আজি এই সন্দৰ্ভত বিদ্যালয়ৰ অধ্যক্ষ নজমুল হকৰ প্ৰযোজনাত এখন সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত বিদ্যালয় খনৰ পৰা সদ্যঘোষিত মেট্ৰিক উত্তীৰ্ণ ২০ গৰাকীকৈ কীৰ্তি ছাত্ৰ-ছাত্ৰীক বিপুলভাৱে আদৰাৰ লগতে জনায় সম্বৰ্ধনা। উল্লেখ্য, বিদ্যালয় খনৰ পৰা এই বেলি মেট্ৰিকত ৮৪ক্স হাৰত প্ৰথম বিভাগত ৫ গৰাকী আৰু দ্বিতীয় বিভাগত ১৫ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰে জাহাঙ্গীৰ আলম নামৰ ছাত্ৰ গৰাকীয়ে প্ৰথম বিভাগত অসমীয়া বিষয়ত লেটাৰ নম্বৰসহ শতকৰা ৭২ নম্বৰ অৰ্জন কৰি বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে। বিদ্যালয়খনৰ লগতে ছাত্ৰ গৰাকীৰ এনেকুৱা সাফল্যত ইয়াৰ বিদ্যালয় পৰিচালনা সমিতি আৰু অভিভাৱক-অভিভাৱিকা সকল যথেষ্ট আনন্দ উৎফুল্ল হৈছে।

**নিৰ্বাচনী হিংসাৰ মূল নায়কেই হ'ল ড° হিমন্ত বিশ্ব শৰ্মা**

## ডিব্ৰুগড় জিলা নাগৰিক সন্মিলনৰ অভিযোগ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ এপ্ৰিল** ঃ এইবাৰৰ নিৰ্বাচনী প্ৰস্তুতি চলোৱাৰ দিন ধৰি ভোট গ্ৰহণ পৰ্ব সমাপ্ত হোৱাৰ সময়লৈকে ৰাজ্যখনৰ বিভিন্ন ঠাইত বিক্ষিপ্তভাৱে যি নিৰ্বাচনী হিংসাই দেখা দিছিল আৰু সেই বোৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যেনেকৈ প্ৰশাসনে বিহিত ব্যৱস্থা হাতত ল'ব লাগিছিল তেনেদৰে লোৱা দেখা নগ'ল। বিশেষকৈ ৰাজ্যখনৰ মুৰব্বী হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যেনেকৈ নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন ৰাজ্যত অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰাইজলৈ আনুষ্ঠানিকতাৰ খাতিৰতে হ'লেও পূৰ্বৰ মুখ্যমন্ত্ৰীসকলে জনাই অহাৰ দৰে একাধিকবাৰ আবেদন জনাব লাগিছিল, তেনেকৈতো জনোৱা নহ'লেই, বৰং ওলোটাই তেনে হিংসাত্মক কাৰ্যক পৰোক্ষ উদগণিহে যোগাই আহিছিল। তাৰ মুক্ত প্ৰকাশ ঘটিল চূড়ান্ত ফেচীত্ব কায়দাৰে ৰাজহুৱাভাৱে যেতিয়া গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ স্বৰূপ সংবাদ মাধ্যমক শেষ কৰি দিয়াৰ হুমকি দিছিল, তেতিয়া। পুনৰ চৰকাৰ আহিলে অসমীয়া প্ৰতিদিন আৰু ডি. ৱাই, ৩৬৫ক শেষ কৰি দিয়াৰ যি গুণ্ডাৰ বচন এজন পৱিত্ৰ আসনত অধিষ্ঠিত মুখ্যমন্ত্ৰীৰ মুখত উচ্চাৰিত হ'ব পাৰে, তেনেস্থলত পূৰ্ববে পৰা সংগঠিত ঘটনাবোৰৰ আঁৰতো তেখেতৰ হাত আছে বুলি স্বাভাৱিকতে সন্দেহ হয়। দেশৰ কিছু আন আন ৰাজ্যত নিৰ্বাচনৰ সময়ত যি গুণ্ডাগিৰি চলে, সেই গুণ্ডাৰাজক প্ৰথমবাৰলৈ শান্তিপূৰ্ণ অসমলৈ আমদানি কৰি অনা মানুহজনেই হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীৰ অবাঞ্চিত আৰু অদ্ভুত আচৰণ, লাগ-বান্ধ নোহোৱা শিশুসুলভ কথাই মুখ্যমন্ত্ৰীৰ পৱিত্ৰ আসনক প্ৰথমবাৰলৈ দেশবাসীৰ আগত লজ্জানত কৰিলে। ডিব্ৰুগড় সাহিত্য সভা ভৱনত আয়োজিত এখন সংবাদমেলত এই অভিযোগ উত্থাপন কৰে অসম নাগৰিক সন্মিলন, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি শৰৎ চন্দ্ৰ নেওগ আৰু সাধাৰণ সম্পাদক উত্তম কুমাৰ চেতিয়াই। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত এজন জনপ্ৰতিনিধি তথা ৰাজ্যৰ শীৰ্ষতম পৱিত্ৰ আসনত অধিষ্ঠিত মুখ্যমন্ত্ৰীৰ মুখত সংবাদ মাধ্যমৰ বিৰুদ্ধে সকিয়নী দিয়াৰ যি ভাবুকি প্ৰদান কৰিলে, এই ক্ষেত্ৰত ডিঙিত গামোচা লৈ জয় আই অসম চিঞৰা ৰাজ্যৰ একাধিক দল-সংগঠন সমূহ আজি ক'ত বুলি প্ৰশ্ন উত্থাপন কৰে সন্মিলনৰ নেতৃত্বই। নিৰ্বাচনৰ সময়ত ৰাজ্যৰ বিভিন্ন ঠাইত সংগঠিত হিংসাত্মক ঘটনা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত নিৰপেক্ষ ভূমিকা জিলা প্ৰশাসন সমূহে আৰু নিৰ্বাচন আয়োগেও পালন নকৰাৰ অভিযোগ উত্থাপন কৰে। সাংবাদিকৰ আগত সন্মিলনৰ বিষয়ববীয়াসকলে লগতে কয় যে-১৯৭৫ চনবৰ দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়তো সংবাদ পত্ৰৰ ওপৰত আৰু সাংবাদিকৰ ওপৰত গ্ৰেপ্তাৰ আৰু চেঞ্চৰ ব্যৱস্থা চৰকাৰে প্ৰৱৰ্তন কৰিছিল। কিন্তু আজিৰ দৰে জৰুৰীকালীন অৱস্থা নোহোৱা অৱস্থাটো এনেধৰণৰ গুণ্ডাৰ দৰে ধমকী দিয়া হোৱা নাছিল। সংবাদমেলত জিলা সন্মিলনৰ পক্ষৰ পৰা ৰাইজলৈ আবেদন জনাই ব্যক্ত কৰে যে মুখ্যমন্ত্ৰীৱ এনে দাম্ভিক আচৰণ ৰাজ্যখনৰ ভৱিষ্যতৰ কাৰণেই মংগলজনক নহয়। সময় থাকোঁতেই এনে কাৰ্য্যৰ বিৰুদ্ধে সকলো দল-সংগঠন, সমাজ সচেতন ৰাইজে প্ৰতিবাদ নকৰিলে ভৱিষ্যতে আৰু অধিক বিশৃংখল অৱস্থালৈ গতি কৰাটো নিশ্চিত। সংবাদমেলত উপস্থিত থকা সন্মিলনৰ অন্যান্য বিষয়ববীয়া- সদস্য- সদস্যা হ'ল- ৰাতুল গগৈ, পৱিত্ৰ বুঢ়াগোহাঁই, বিচিত্ৰা খাৰঘৰীয়া, ভাৰতী হাজৰা দত্ত আৰু নীলকান্ত মিছিংসহ অন্যান্য।

## জাঁজী আঞ্চলিক অলংকৃতা মহিলা সমাজৰ ব'হাগী মেলাৰ সফল সামৰণি

**অসম বাৰ্তা, জাঁজী, ১২ এপ্ৰিল** ঃ শিৱসাগৰ জিলাৰ অগ্ৰণী মহিলা সংগঠন জাঁজী আঞ্চলিক অলংকৃতা মহিলা সমাজৰ উদ্যোগত অষ্টম বাৰৰ বাবে ১০ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা দুদিনীয়া বহাগী মেলা আজি সামৰণি পৰে। প্ৰথম দিনা এই বহাগী মেলা উদ্বোধন কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ উপাধ্যক্ষা নৱনীতা বৰাই। উক্ত মেলাত ৰঙালী বিহুৰ সকলো যাৱতীয় সামগ্ৰী উপলব্ধ হয়। মেলাত দৈ, চিৰা, পিঠা আখৈ, হুৰুম, তিল পিঠা, ঘিলা পিঠা, মুৰি, সান্ধহ, জৈৱিক পদ্ধতিৰে উৎপাদিত হোৱা বিভিন্ন পাচলি, চাদৰ, মেখেলা, গামোচা, চেলেং, ৰুমাল, ফুলৰ টাব, তামোল- পান, তেল পিঠা, ৰিহা আদি ৰঙালী বিহুৰ সকলো যাৱতীয় বস্তু উপলব্ধ হয়। মেলাত প্ৰায় ২০ খনতকৈও অধিক বিপনী দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে অলংকৃতা মহিলা সমাজৰ উদ্যোগত স্থানীয় মহিলাসকল স্বাৱলম্বী হ'বৰ বাবে প্ৰতিবছৰে এনেধৰণৰ বহাগী মেলা, ভোগালী মেলা আয়োজন কৰি অহাৰ উপৰি প্ৰতি শনিবাৰে মহিলা বজাৰ অনুষ্ঠিত কৰি আহিছে। ইয়াৰোপৰি বিভিন্ন সাংস্কৃতিক আৰু সাহিত্যনুষ্ঠান আয়োজনৰ যোগেদি মহিলাসকলৰ কলাসুলভ দিশ বিকশিত কৰাৰ বাবে উদ্যোগ লৈ আহিছে। বহাগী মেলাৰ দুয়োটা দিনতে স্থানীয় ৰাইজৰ বিপুল সঁহাৰিৰ বাবে জাঁজী আঞ্চলিক অলংকৃতা মহিলা সমাজৰ সভানেত্ৰী ৰুণু বৰুৱা, সম্পাদিকা বন্তিমালা গগৈ হাতীবৰুৱা আৰু বজাৰ পৰিচালিকা অনন্যা গগৈ শইকীয়াই সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

**সৰ্বকালৰ নিকৃষ্ট ফলাফলত ক্ষুব্ধ প্ৰাক্তন ছাত্ৰ সমাজ**

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৩৯.০৪ শতাংশ উত্তীৰ্ণ

**অসম বাৰ্তা, মঙলদৈ, ১২ এপ্ৰিল** ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সদ্যঘোষিত ফলাফলত পূৰ্বৰ সকলো ৰেকৰ্ড ভংগ কৰিছে মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে। এসময়ত এই বিদ্যালয়ৰ প্ৰতি ছাত্ৰ সকলৰ আছিল এক বিশেষ আকৰ্ষণ। বিদ্যালয়খনত নিজৰ সন্তানক নামভৰ্তি কৰি দিবলৈ অভিভাৱক সকলে সপোন দেখিছিল। বাছনি পৰীক্ষাত অৱতীৰ্ণ হোৱা পাঁচ শতাধিক ছাত্ৰৰ মাজৰ পৰা মাত্ৰ ১২০জন ছাত্ৰক পঞ্চম শ্ৰেণীত নামভৰ্তিৰ সুযোগ প্ৰদান কৰা হৈছিল। আনকি উচ্চতৰ মাধ্যমিক বিজ্ঞান, কলা আৰু বৃত্তিমূলক পাঠ্যক্ৰমতো একেই পৰিবেশ আছিল। অকল দৰং জিলাৰ পৰাই নহয়, বৰ্তমানৰ ওদালগুৰি, শোণিতপুৰ, কামৰূপ জিলাৰ পৰাও ছাত্ৰ ছাত্ৰী নামভৰ্তি কৰিবলৈ আহিছিল এই শিক্ষানুষ্ঠানলৈ। কিন্তু বৰ্তমান সেই পৰিবেশ বিদ্যালয়খনত নাই। বিদ্যালয়খনৰ সোপাটিলা প্ৰশাসন ব্যৱস্থা, অধিকাংশ শিক্ষক শিক্ষয়িত্ৰীৰ পাঠদানত অনীহা, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ নিষ্ক্ৰিয়তাৰ বাবে এসময়ৰ ঐতিহ্যমণ্ডিত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় বৰ্তমান শৈক্ষিক দিশ বিধ্বস্ত হৈ পৰিছে। কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ ছাত্ৰ সকলে দেখুওৱা ফলাফলেই ইয়াৰ উৎকৃষ্ট উদাহৰণ হৈ পৰিছে। জানিব পৰা মতে, এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হৈছিল মুঠ ১০৫জন ছাত্ৰ। আচৰিত হ'লেও সত্য যে, ১৯০৩ চনত প্ৰতিষ্ঠিত এই বিদ্যালয়খনৰ মাত্ৰ ৪১জন ছাত্ৰ উত্তীৰ্ণ হৈছে। অৰ্থাৎ ৬৪জন ছাত্ৰ ফেইল কৰিছে। উত্তীৰ্ণৰ হাৰ ৩৯.০৪ শতাংশ। এজনো ছাত্ৰই ডিষ্টিংচন, ষ্টাৰ মাৰ্ক পোৱা নাই। প্ৰথম বিভাগত মাত্ৰ ১১ জন, দ্বিতীয় বিভাগত ২৭জন আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে মাত্ৰ ৩ জন। বিদ্যালয়খনৰ এনে নিম্নমানৰ ফলাফলত জাঙুৰ খাই উঠিছে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ সমাজ। বিদ্যালয়খনৰ অধ্যক্ষই দায়িত্বত চূড়ান্ত গাফিলতি কৰি অহাৰ বাবে অধিকাংশ শিক্ষক শিক্ষয়িত্ৰীয়ে নিৰ্ধাৰিত সময়ত বিদ্যালয়ত উপস্থিত নোহোৱা, পাঠদান সঠিকভাৱে নকৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত দৰং জিলা সংমণ্ডলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক আৰু জিলা আয়ুক্তই আওকণীয়া মনোভাৱ পোষণ কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনত শেহতীয়াকৈ প্ৰায় ৮ কোটি টকাৰে আটকধুনীয়াকৈ ভৱন নিৰ্মাণ কৰা হৈছে যদিও বিদ্যালয়ৰ আভ্যন্তৰীণ নগ্ন শৈক্ষিক ৰূপটোৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই কোনো গুৰুত্ব আৰোপ কৰা নাই। শিক্ষানুষ্ঠানখনৰ অৱনমিত শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ ক্ষেত্ৰত চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে অচিৰেই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ দিছে ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক গণেশ দত্ত আৰু প্ৰাক্তন ছাত্ৰ সমাজে।

## ১৫ এপ্ৰিলৰ পৰা তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সদৌ টংলা ৰঙালী বিহু উৎসৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১২ এপ্ৰিল** ঃ বিগত বছৰবোৰৰ দৰে এইবেলিও বৃহত্তৰ টংলা অঞ্চলৰ সকলো জাতি-জনগোষ্ঠীয়ে একত্ৰিত হৈ অহা ১৫, ১৬ আৰু ১৭ এপ্ৰিলত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। সদৌ টংলা ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি দুলাল কুমাৰ বৰুৱা, কাৰ্যকৰী সভাপতি খৰ্গেশ্বৰ বড়া জিন্না আৰু সাধাৰণ সম্পাদক ধৰ্মকান্ত ৰামচিয়াৰীয়ে জনোৱা অনুসৰি ১৫ এপ্ৰিলৰ পুৱা ৮-৩০ বজাত সদৌ টংলা বঙালী বিহু সন্মিলনী, স্থায়ী সমিতি আৰু ৰঙালী বিহু উদ্‌যাপন সমিতিৰ পতাকা উত্তোলনৰ পিছতে শ্বহীদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই জ্যেষ্ঠজনলৈ সেৱা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ক্ৰীড়া প্ৰতিযোগিতা, চেমনীয়াৰ বিহু ঢোল, পেঁপাবাদন আৰু বিহুগীত প্ৰতিযোগিতা, শিশুৰ বিহুনাচ প্ৰতিযোগিতা, চেমনীয়াৰ বিহু নাচ প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। ১৬ এপ্ৰিলৰ পুৱা ৫-০০ বজাত মাৰাথন প্ৰতিযোগিতা, ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, আবেলি ৪ বজাত হুঁচৰি প্ৰতিযোগিতা, ৫ বজাত আঞ্চলিক ভিত্তিত জেং বিহু প্ৰতিযোগিতা আৰু সন্ধিয়া ৬ বজাত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশা ১০ স্থানীয় শিল্পীৰ গীতৰ অনুষ্ঠানেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচী সামৰণি পৰিব। ১৭ এপ্ৰিলৰ সন্ধিয়া ৭-০০ বজাত সাংস্কৃতিক সন্ধিয়াত কণ্ঠশিল্পী বিদিশা দেবী, বিহু সম্ৰাট খগেন গগৈ আৰু টেটোন তামোলীৰ কৌতুক গোষ্ঠী ধিচমে সাংস্কৃতিক সন্ধিয়াৰ সৌষ্ঠৱ বৃদ্ধি কৰিব।

## মাকুম বিষ্ণু নগৰৰ সমীপত পথ দুৰ্ঘটনা সংঘটিত

**অসম বাৰ্তা, মাকুম, ১২ এপ্ৰিল** ঃ আজি নিশা মাকুম বিষ্ণু নগৰৰ সমীপত এক পথ দুৰ্ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য অনুসৰি ডিগবৈৰ পৰা তিনিচুকীয়ালৈ আহি থকা এখন এ-এচ-২৩-পি ০৪৯৭ নম্বৰৰ এল্টু কে -টেন বাহনক তিনিচুকীয়া দিশৰ পৰা ডিগবৈ দিশেৰে গৈ থকা এখন ট্ৰাকে তীব্ৰ বেগত খুন্দা মাৰে। ঘটনাতো সংঘটিত কৰিয়েই ঘটনা স্থলীৰ পৰা পলায়ন কৰে এল্টু কে-টেন বাহনক খুন্দা মৰা ট্ৰাক খনে। পথ দুৰ্ঘটনাৰ ফলত এল্টু কে-টেন বাহনখন যথেষ্ট পৰিমাণৰ ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে বাহনখনত থকা লোক তিনিজন কম বেছি পৰিমাণে আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীত ততাতৈয়াকৈ মাকুম থানাৰ আৰক্ষী উপস্থিত হৈ এল্টু কে -টেন বাহনখন থানা লৈ লৈ যোৱাৰ সমান্তৰালভাৱে আঘাতপ্ৰাপ্ত লোক তিনিজনক মাকুম স্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

## আমগুৰিৰ সাংবাদিক নিগ্ৰহ ঘটনাত জড়িত ৩ জনক আটক

**অসম বাৰ্তা, চেলেংহাট, ১২ এপ্ৰিল** ঃ নিৰ্বাচনৰ ভোটগ্ৰহণৰ আগমুহূৰ্তত শিৱসাগৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত আমগুৰি দিকচু অঞ্চলত সংঘটিত সাংবাদিক আক্ৰমণৰ ঘটনাৰ লগত জড়িত তিনি দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিছে আমগুৰি আৰক্ষীয়ে। উল্লেখযোগ্য যে, নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনাই পুৱা কৰ্তব্য সম্পাদনৰ বাবে ঘৰৰ পৰা ওলাই অহা আমগুৰিৰ সংবাদকৰ্মী ৰূপম বৰবৰাক এটা চাৰিজনীয়া দুৰ্বৃত্তৰ দলে আগচি ধৰি শাৰীৰিক ভাৱে অপদস্ত কৰাৰ লগতে মোবাইল কাঢ়ি লৈ ভিডিঅ পৰ্যন্ত ডিলিট কৰিছিল। এই ঘটনাৰ পিছতে ৰূপম বৰবৰাই আমগুৰি আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰিছিল। আমগুৰি আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাই তৎপৰতাৰে এই ঘটনাৰ লগত জড়িত তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এই ঘটনাৰ লগত জড়িত বিজেপি যুৱ মৰ্চাৰ চাৰিং মণ্ডলৰ সভাপতি অংশুমান বৰা, সাধাৰণ সম্পাদক বিপুল দত্ত আৰু সম্পাদক মানস প্ৰতীম বৰুৱাক আমগুৰি আৰক্ষীয়ে ১০/২০২৬ নম্বৰৰ গোচৰত গ্ৰেপ্তাৰ কৰি জামিনত মুক্তি দিয়ে। আনহাতে এই ঘটনাৰ লগত জড়িত আন এটা অপৰাধী এতিয়াও পলাতক বুলি প্ৰকাশ।

## ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ত কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১২ এপ্ৰিল** ঃ ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ সফলতাৰে লখিমপুৰ জিলাৰ চাউলধোৱাঘাটস্থিত ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা মুঠ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকসকলক আজি সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত আঁত ধৰে অধ্যক্ষা ভৱানী চেতিয়াই। একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ পিছত এটা মতবিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। উল্লেখযোগ্য যে বিদ্যালয়খনৰ পৰা পৰীক্ষাত অৱতীৰ্ণ মুঠ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত তিনিজনে ষ্টাৰ নম্বৰ সহ ৯ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে ৬ জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল।

## ভগামুখ আদৰ্শ বিদ্যা মন্দিৰত "ৰঙালী চ'ৰা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ১২ এপ্ৰিল** ঃ অসম জাতীয় বিদ্যালয় সংঘদ, অসমৰ দিনপঞ্জী অনুসৰি ভগামুখ আদৰ্শ বিদ্যা মনন্দিৰ( যোৰহাট )ৰ পৰিয়াল বৰ্গও আজি পুৱা ৯-০০বজাৰ পৰা আৰম্ভ হোৱা ৰঙালী চ'ৰা অনুষ্ঠান দুপৰীয়া ১২-০০বজাৰ পৰ্যন্ত পালন কৰা হয়। উক্ত সময় চোৱাত ছাত্ৰী সকলে জেংবিহু প্ৰদৰ্শন কৰাৰ উপৰিও ছাত্ৰ সমাজে বিভিন্ন বিহুগীত, বিহুনৃত্য প্ৰদৰ্শন কৰে আৰু শিক্ষক শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী সম্বনিতে হুঁচৰি প্ৰদৰ্শন কৰি সমবেত অভিভাৱক তথা ৰাইজৰ পৰা ভুয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। সমান্তৰাভাৱে কাৰ্যসূচী সফল পৰিসমাপ্তিৰ বাবে বিদ্যালয়ৰ কৰ্তীপক্ষই সন্তোষ প্ৰকাশ কৰাৰ উপৰিও সকলোকে ভূয়সী প্ৰশংসা কৰে।

## সম্পাদকীয়

# উৰুকাৰ আনন্দৰ মাজত বিহুৰ আত্মাক নেহেৰুৱাওঁ আহক

পদূলিত হেঁপাহৰ ব'হাগ বিহু। ব'হাগক আদৰিবলৈ ব্যস্ততাৰ অন্ত নোহোৱা হৈছে প্ৰতিজন অসমীয়াৰ। প্ৰকৃতিয়ে ন-সাজেৰে দিলেহি ব'হাগৰ বতৰা। অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ এটা দিন। নিৰ্বাচনী বতাহ শেষ হোৱাৰ পাছত এতিয়া ৰাজ্যৰ চৌদিশে ঢোলৰ গুমগুমনি। ঢোল-পেঁপাৰ শব্দত ৰজনজনাইছে প্ৰতিটো চুবুৰী। বিভিন্ন প্ৰান্তৰ কপৌ-কেতেকী, মাধৈমালতী ফুলে ব'হাগৰ বতৰা লৈ বসন্তৰ সুবাস বিলাইছে। তাঁতশালত শিপিনীৰ ব্যস্ততাৰ অন্ত নোহোৱাৰ লগতে ঢুলীয়াই বতৰ চাই টানিছে ঢোলৰ বৰতী।

হয়, উৰুকা আজি অসমীয়াৰ দুৱাৰদলিত। উৰুকা শব্দটোৰ অৰ্থ হ'ল সাজু হোৱা, জাগ্ৰত হোৱা। গৰু বিহুৰ পৰা আৰম্ভ কৰি মানুহ বিহুৰ প্ৰস্তুতিলৈ- এই সময়খিনি আনন্দৰ লগতে এক পৱিত্ৰ ব্যস্ততাৰ। কিন্তু এই ব্যস্ততাৰ মাজতে কেতিয়াবা আমাৰ মনত প্ৰশ্ন জাগে- আমি প্ৰকৃত অৰ্থত বিহু উদ্‌যাপন কৰিছো নে কেৱল বাহ্যিক আড়ম্বৰত হেৰাই গৈছো?


সাধাৰণ মানুহৰ মনত আজি কিছুমান সৰ্বাংগীণ প্ৰশ্নৰ উত্থাপন হয়। প্ৰথমতে, বিহুৰ মূল চেতনা কি? ব'হাগ বিহু কেৱল ঢোল-পেঁপা আৰু নাচ-গানৰ উৎসৱ নহয়; ই হৈছে কৃষি-প্ৰধান অসমীয়া সমাজৰ এক নতুন বছৰৰ আগমনৰ বাৰ্তা। ইয়াৰ লগত জড়িত হৈ আছে মাটিৰ প্ৰতি মৰম, প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু সামাজিক মিলনৰ ভাব। দ্বিতীয়তে, উৰুকাৰ নামত আজি কোনো কোনো ঠাইত অনাকাংক্ষিত হুলস্থুল, মদ্যপান আৰু ৰাতিৰ ভাগত উচ্চ শব্দৰ প্ৰদূষণে সৃষ্টি কৰা অসুবিধাৰ কথাও ভাবিবলগীয়া হৈছে। তৃতীয়তে, বিহু অনুষ্ঠানবোৰ বাণিজ্যিকীকৰণৰ বলি হৈছে নেকি? পৰম্পৰাগত বিহু গীতৰ ঠাইত আধুনিক বিকৃতি, অশ্লীলতাৰ আভাস থকা নৃত্যৰ প্ৰচলন, আৰু পৃষ্ঠপোষকতাৰ নামত অশালীনতাৰ প্ৰভাৱ- এইবোৰে আমাৰ নৱপ্ৰজন্মক বিহুৰ প্ৰকৃত ৰূপৰ পৰা আঁতৰাই নিছে নেকি?

আনহাতে, অনেক অভিভাৱকে উদ্বেগ প্ৰকাশ কৰে যে ব্যস্ত জীৱনশৈলীৰ বাবে গাঁৱৰ তাঁতশালৰ শিপিনীৰ সংখ্যা কমি অহাৰ লগতে পিঠা-লাৰুৰ পৰম্পৰাগত সোৱাদ হেৰাই যোৱাৰ আশংকা আছে। চহৰীয়া অঞ্চলত বহুতো পৰিয়ালে উৰুকাৰ দিনা পৰম্পৰাগত নিয়ম-কানুন পাহৰি কেৱল বাহিৰৰ খাদ্য আৰু সাজ-পাৰত সন্তুষ্ট হৈ পৰিছে।

এই প্ৰশ্নবোৰৰ উত্তৰ আমি বিহুৰ আত্মাত উলিয়াব পাৰোঁ। ব'হাগ বিহুৱে আমাক শিকায় নতুনকৈ আৰম্ভ কৰাৰ, পুৰণিবোৰ এৰি দিয়াৰ। কিন্তু এৰি দিয়া বুলিলে পৰম্পৰাক নহয়, কেৱল কু-অভ্যাসক। উৰুকা মানে জাগ্ৰতি, সেয়ে আমি সজাগ হ'ব লাগে যে আমাৰ উৰুকা উদযাপন যেন আনৰ বাবে উৰুকাৰ কাৰণ নহয়। মদৰ সোঁতত ভাহি নগৈ পৰম্পৰাগত পানী-তামোল আৰু বিহুৰ গীত-মাতেৰে আপোনজনক আদৰোঁহক।

আজিৰ প্ৰয়োজন হৈছে পৰম্পৰা আৰু আধুনিকতাৰ সুন্দৰ সমন্বয়। তাঁতশালৰ শিপিনীসকলক উৎসাহিত কৰাৰ লগতে ঘৰে ঘৰে পিঠা প্ৰস্তুত কৰাৰ অভ্যাস ৰক্ষা কৰক। পুৰণি বিহু গীতৰ লগতে সৎ আৰু সৃজনশীল নতুন বিহু গীতৰো উৎসাহ দিয়ক। বিহু অনুষ্ঠানসমূহক বাণিজ্যিক স্বাৰ্থৰ সলনি শিল্পীসকলৰ প্ৰতিভাৰ প্ৰদৰ্শনী কৰি তোলক।

অসমীয়া জীৱনৰ প্ৰাণ হৈছে বিহু। নিৰ্বাচনৰ ৰাজনৈতিক উত্ৰাৱলতা পাছত এৰি আজি আমি বিহুৰ উৰুকাত সোমাই পৰিছো- এইটো ইতিবাচক দিশ। গতিকে, এই উৰুকাত আমি সংকল্প লওঁ যে বিহুৰ জৰিয়তে আমি আমাৰ অসমীয়া জাতিৰ ঐক্য, সংস্কৃতিৰ মৰ্যাদা আৰু পৰিৱেশৰ প্ৰতি সচেতনতা বজাই ৰাখিম। চুবুৰীয়ে চুবুৰীক সুখ-শান্তিৰ বাণী দিওঁ, হাঁহি-মাত লগাওঁ। নিজে ৰঙীন হওঁ, আনকো ৰঙীন কৰোঁ। তেতিয়াহে প্ৰকৃত অৰ্থত উৰুকা সাৰ্থক হ'ব। তেতিয়াহে ব'হাগ বিহুৰ পদূলিত সোমাই অহা হেঁপাহ আৰু আনন্দ চিৰস্থায়ী হৈ ৰ'ব।



যুৱ প্ৰজন্মৰ মাজত ৰাজনৈতিক সচেতনতা বৃদ্ধিৰ প্ৰয়োজনীয়তা আজিৰ সময়ত অত্যন্ত অধিক। যুৱ সমাজেই হ'ল এখন দেশৰ ভৱিষ্যৎ, আৰু তেওঁলোকৰ চিন্তা-ধাৰাই সমাজৰ গতিপথ নিৰ্ণয় কৰে। শেহতীয়া সময়ছোৱাত দেখা গৈছে যে যুৱ সমাজৰ মাজত ৰাজনীতিক লৈ এক ধৰণৰ বিতৃষ্ণা গঢ়ি উঠিছে, যাক 'ৰাজনৈতিক উদাসীনতা' বুলি কোৱা হয়। বহু যুৱক-যুৱতীয়ে ভাৱে যে ৰাজনীতি এক লেতেৰা খেল আৰু ইয়াত সোমাই নিজৰ সময় নষ্ট কৰাৰ কোনো প্ৰয়োজন নাই। কিন্তু তেওঁলোকে পাহৰি যায় যে তেওঁলোকৰ শিক্ষাৰ খৰচ, নিযুক্তিৰ সুবিধা আৰু ভৱিষ্যতৰ নিৰাপত্তা- সকলোবোৰ ৰাজনৈতিক সিদ্ধান্তৰ ওপৰতেই নিৰ্ভৰশীল। যুৱ-প্ৰজন্মৰ মাজত যদি সুস্থ ৰাজনৈতিক চেতনা গঢ়ি উঠে, তেন্তে সমাজত নতুন চিন্তা আৰু আধুনিকতাৰ সংঞ্চাৰ হ'ব। তেওঁলোকে অন্ধ ধৰ্মান্ধতা বা জাতিগত সংকীৰ্ণতাৰ পৰা ঊৰ্ধত উঠি উন্নয়নৰ ৰাজনীতিক গুৰুত্ব দিব পাৰিব লাগিব।

# ৰাজনৈতিক সচেতনতা আৰু আমাৰ সমাজ

ৰাজনীতি কোনো নিৰ্দিষ্ট ব্যক্তি বা বিশেষ ৰাজনৈতিক দলৰ ব্যক্তিগত সম্পত্তি নহয়, বৰঞ্চ ই সমাজৰ প্ৰতিজন সচেতন ব্যক্তিৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। মানুহৰ জন্মৰ পৰা মৃত্যুলৈকে, খাদ্যৰ মূল্যৰ পৰা আৰম্ভ কৰি শিক্ষা আৰু স্বাস্থ্যৰ মানদণ্ডলৈকে সকলোবোৰ কথাই কোনো না কোনো প্ৰকাৰে ৰাজনৈতিক সিদ্ধান্তৰ দ্বাৰা প্ৰভাৱিত হয়। সমাজৰ এজন দায়িত্বশীল সদস্য হিচাপে ৰাজনৈতিক সচেতনতা গঢ়ি তোলাটো কেৱল এজন ব্যক্তিৰ অধিকাৰেই নহয়, ই এক গুৰুত্বপূৰ্ণ সামাজিক দায়িত্বও। বহু সময়ত দেখা যায় যে সমাজৰ এটা বুজন সংখ্যকে ৰাজনীতিক এক নেতিবাচক বিষয় হিচাপে গণ্য কৰি ইয়াৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰে, কিন্তু এই উদাসীনতাই অৱশেষত সমাজৰ অনিষ্টহে কৰে। ৰাজনৈতিক সচেতনতাৰ অৰ্থ কেৱল ভোটদান কৰাই নহয়, ইয়াৰ প্ৰকৃত অৰ্থ হ'ল দেশৰ শাসন ব্যৱস্থা, নীতি-নিৰ্দেশনা আৰু সমাজৰ ওপৰত সেইবোৰৰ প্ৰভাৱৰ বিষয়ে গভীৰভাৱে বুজি পোৱা। যেতিয়া এজন নাগৰিক ৰাজনৈতিকভাৱে সচেতন হয়, তেতিয়াই তেওঁ চৰকাৰৰ কাম-কাজৰ ওপৰত চকু ৰাখিব পাৰে আৰু সমাজৰ সামগ্ৰিক উন্নয়নৰ বাবে নিজৰ মতামত আগবঢ়াব পাৰে। সমাজ এখনৰ প্ৰগতি নিৰ্ভৰ কৰে সেই সমাজৰ লোকসকল কিমান দূৰ যুক্তিসংগত আৰু সচেতন, তাৰ ওপৰত। সেয়েহে, ৰাজনীতিক কেৱল ক্ষমতাৰ যুঁজ হিচাপে নাচায়, ইয়াক সমাজ পৰিৱৰ্তনৰ এক শক্তিশালী মাধ্যম হিচাপে গ্ৰহণ কৰিবলৈ হ'লে প্ৰতিজন ব্যক্তিৰ মনত ৰাজনৈতিক সচেতনতাৰ বীজ অংকুৰিত হোৱাটো অত্যন্ত প্ৰয়োজনীয়। এই সচেতনতাই সমাজত ন্যায় আৰু সমতাৰ পৰিৱেশ গঢ়ি তোলাত সহায় কৰে।

বৰ্তমানৰ ডিজিটেল যুগত তথ্যৰ প্ৰবাহ ইমান দ্ৰুত হৈছে যে সঠিক আৰু ভুল তথ্যৰ মাজৰ পাৰ্থক্য বিচাৰি উলিওৱাটো এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। ২০২৬ চনৰ এই সময়ছোৱাত কৃত্ৰিম বুদ্ধিমত্তা আৰু বিভিন্ন ছচিয়েল মিডিয়া এলগৰিদমে মানুহৰ চিন্তা-ধাৰাক এক বিশেষ দিশলৈ পৰিচালিত কৰিবলৈ সক্ষম হৈছে। এনে এক পৰিৱেশত ৰাজনৈতিক সচেতনতাৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। এতিয়া সচেতনতা মানে কেৱল খবৰ পঢ়াটোৱেই নহয়, বৰঞ্চ খবৰটোৰ আঁৰৰ সত্যতা পৰীক্ষা কৰাটোও এক গুৰুত্বপূৰ্ণ কাম। তথাকথিত 'তথ্য যুদ্ধ'ৰ যুগত মানুহৰ আৱেগক ব্যৱহাৰ কৰি তেওঁলোকক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰা হয়। এজন সচেতন নাগৰিকে আৱেগৰ বশৱৰ্তী নহৈ যুক্তিৰ আধাৰত বিষয়বোৰ বিশ্লেষণ কৰা উচিত। যেতিয়া সমাজৰ এটা শ্ৰেণীয়ে তথ্যৰ সত্যতা নিৰূপণ নকৰাকৈ যিকোনো ৰাজনৈতিক প্ৰচাৰক অন্ধভাৱে বিশ্বাস কৰে, তেতিয়া সমাজত বিভাজনৰ সৃষ্টি হয়। এই বিভাজনে সমাজৰ একতা আৰু উন্নয়নত বাধা জন্মায়। সেয়েহে, আধুনিক সমাজত ৰাজনৈতিক সচেতনতাৰ পৰিসৰ কেৱল ৰাজনৈতিক সভা-সমিতিতে সীমাবদ্ধ থকা উচিত নহয়, ইয়াক বৌদ্ধিক আলোচনা আৰু সমালোচনাত্মক চিন্তাৰ স্তৰলৈ লৈ যাব লাগিব। সমাজৰ বৌদ্ধিক শ্ৰেণীটোৱে যেতিয়া নিৰপেক্ষভাৱে ৰাজনৈতিক বিষয়বোৰ পৰ্যালোচনা কৰে, তেতিয়া সাধাৰণ জনসাধাৰণৰ মাজতো এক সঠিক ধাৰণা গঢ়ি উঠে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি অভিহিত কৰা সংবাদ মাধ্যমৰ লগতে আধুনিক যোগাযোগৰ মাধ্যমসমূহেও এই ক্ষেত্ৰত এক দায়িত্বশীল ভূমিকা পালন কৰিব লাগিব যাতে মানুহৰ মাজত বিভ্ৰান্তিৰ সলনি জ্ঞানৰ পোহৰ বিয়পে।

সমাজৰ অৰ্থনৈতিক ব্যৱস্থা আৰু ৰাজনৈতিক সচেতনতাৰ মাজত এক গভীৰ সম্পৰ্ক বিদ্যমান। কোনো এখন দেশৰ অৰ্থনৈতিক নীতি কেনে হ'ব, সেইটো সম্পূৰ্ণৰূপে সেই দেশৰ ৰাজনৈতিক নেতৃত্বৰ ওপৰত নিৰ্ভৰ কৰে। এজন সচেতন নাগৰিকে বুজি পোৱা উচিত যে দেশৰ বাজেট, কৰ ব্যৱস্থা আৰু উদ্যোগ নীতিয়ে তেওঁৰ পকেটত কেনে প্ৰভাৱ পেলাব। প্ৰায়েই দেখা যায় যে সাধাৰণ মানুহে অৰ্থনীতিৰ দৰে জটিল বিষয়বোৰ বিশেষজ্ঞৰ বাবে এৰি দিয়ে, কিন্তু প্ৰকৃততে এইবোৰেই আমাৰ দৈনন্দিন জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। ২০২৬ চনৰ বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত য'ত গোলকীয় ভূ-ৰাজনীতিয়ে প্ৰতিটো বস্তুৰ মূল্য নিৰ্ধাৰণ কৰে, তাত ৰাজনৈতিকভাৱে সচেতন নোহোৱাকৈ থকাটো এক ধৰণৰ বিপদজনক উদাসীনতা। সমাজৰ দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীটোৱে যদি ৰাজনৈতিকভাৱে সজাগ নহয়, তেন্তে তেওঁলোকৰ বাবে নিৰ্ধাৰিত কল্যাণমূলক আঁচনিবোৰ সঠিকভাৱে ৰূপায়িত হৈছে নে নাই, সেইটো জানিবলৈ তেওঁলোকৰ কোনো উপায় নাথাকিব। সচেতনতাই ব্যক্তিক নিজৰ অধিকাৰৰ প্ৰতি সজাগ কৰে আৰু যিকোনো অৰ্থনৈতিক বৈষম্যৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস দিয়ে। যেতিয়া ৰাজনৈতিক সচেতনতাৰ লগত অৰ্থনৈতিক জ্ঞানৰ সংমিশ্ৰণ ঘটে, তেতিয়া চৰকাৰে সমাজক অসাৰ প্ৰতিশ্ৰুতিৰে ভোল নিয়াব নোৱাৰে। এইটোৱেই হ'ল এখন সুস্থ আৰু সবল সমাজৰ পৰিচয় য'ত মানুহে ৰাজনীতিবিদসকলক তেওঁলোকৰ কামৰ বাবে জবাবদিহি কৰিব পাৰে। প্ৰশ্ন কৰাৰ পৰিৱেশ এটা গঢ়ি উঠিবলৈ হ'লে ৰাজনৈতিক চেতনাৰ কোনো বিকল্প নাই।



হিমাংশু ৰণ্‌জন ভূঞা

যুৱ প্ৰজন্মৰ মাজত ৰাজনৈতিক সচেতনতা বৃদ্ধিৰ প্ৰয়োজনীয়তা আজিৰ সময়ত অত্যন্ত অধিক। যুৱ সমাজেই হ'ল এখন দেশৰ ভৱিষ্যৎ, আৰু তেওঁলোকৰ চিন্তা-ধাৰাই সমাজৰ গতিপথ নিৰ্ণয় কৰে। শেহতীয়া সময়ছোৱাত দেখা গৈছে যে যুৱ সমাজৰ মাজত ৰাজনীতিক লৈ এক ধৰণৰ বিতৃষ্ণা গঢ়ি উঠিছে, যাক 'ৰাজনৈতিক উদাসীনতা' বুলি কোৱা হয়। বহু যুৱক-যুৱতীয়ে ভাৱে যে ৰাজনীতি এক লেতেৰা খেল আৰু ইয়াত সোমাই নিজৰ সময় নষ্ট কৰাৰ কোনো প্ৰয়োজন নাই। কিন্তু তেওঁলোকে পাহৰি যায় যে তেওঁলোকৰ শিক্ষাৰ খৰচ, নিযুক্তিৰ সুবিধা আৰু ভৱিষ্যতৰ নিৰাপত্তা- সকলোবোৰ ৰাজনৈতিক সিদ্ধান্তৰ ওপৰতেই নিৰ্ভৰশীল। যুৱ-প্ৰজন্মৰ মাজত যদি সুস্থ ৰাজনৈতিক চেতনা গঢ়ি উঠে, তেন্তে সমাজত নতুন চিন্তা আৰু আধুনিকতাৰ সংঞ্চাৰ হ'ব। তেওঁলোকে অন্ধ ধৰ্মান্ধতা বা জাতিগত সংকীৰ্ণতাৰ পৰা ঊৰ্ধত উঠি উন্নয়নৰ ৰাজনীতিক গুৰুত্ব দিব পাৰিব লাগিব। শিক্ষা প্ৰতিষ্ঠানসমূহেও কেৱল পুথিগত বিদ্যাতে সীমাবদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীৰ মাজত দেশৰ সংবিধান, নাগৰিকৰ দায়িত্ব আৰু গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত আলোচনাৰ সুযোগ কৰি দিব লাগে। যেতিয়া এজন যুৱকে বুজি পাব যে তেওঁৰ এটা সচেতন ভোট বা এটা গঠনমূলক সমালোচনাই দেশৰ নীতিত পৰিৱৰ্তন আনিব পাৰে, তেতিয়া তেওঁ ৰাজনীতিৰ প্ৰতি বিমুখ নহৈ সমাজ গঢ়াৰ কামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব। গণতন্ত্ৰত অংশগ্ৰহণৰ অৰ্থ কেৱল প্ৰাৰ্থী হোৱাটো নহয়, বৰঞ্চ এজন নিৰপেক্ষ বিচাৰক হিচাপে নিজৰ ভূমিকাক সফল কৰি তোলাটোহে আচল উদ্দেশ্য হোৱা উচিত।

সামাজিক ন্যায় আৰু সমতাৰ ক্ষেত্ৰতো ৰাজনৈতিক সচেতনতাই এক প্ৰহৰীৰ দৰে কাম কৰে। আমাৰ সমাজত আজিও বহুতো বৈষম্য বিৰাজমান- সেয়া লিংগভিত্তিক হওক বা জাতিভিত্তিক। এই বৈষম্যবোৰ দূৰ কৰিবলৈ হ'লে কেৱল আইন বনালেই নহ'ব, সমাজৰ লোকসকল ৰাজনৈতিকভাৱে ইমান সজাগ হ'ব লাগিব যাতে কোনো ব্যক্তিক তেওঁৰ পৰিচয়ৰ বাবে বঞ্চিত কৰিব নোৱাৰি। সচেতনতাই মানুহক ইজনে সিজনৰ অধিকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিকায়। যেতিয়া সমাজৰ এটা বৃহৎ অংশই ৰাজনৈতিকভাৱে নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে জানিব পাৰে, তেতিয়া সমাজত শোষণৰ মাত্ৰা কমি যায়। ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু তৃণমূল পৰ্যায়ৰ শাসন ব্যৱস্থাত সাধাৰণ মানুহৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ ৰাজনৈতিক শিক্ষাৰ অতি প্ৰয়োজন। পঞ্চায়তী ৰাজ বা পৌৰ নিগমৰ দৰে স্থানীয় শাসন ব্যৱস্থাত যিমান বেছি মানুহৰ সচেতন অংশগ্ৰহণ হ'ব, সিমানেই সমাজত দুৰ্নীতিৰ মাত্ৰা হ্ৰাস পাব। সচেতনতা অবিহনে গণতন্ত্ৰ কেৱল সংখ্যাৰ খেল হৈ পৰে, য'ত সৰ্বসাধাৰণৰ স্বাৰ্থতকৈ ব্যক্তিগত বা দলীয় স্বাৰ্থই অগ্ৰাধিকাৰ পায়। সেয়েহে, ৰাজনৈতিক সচেতনতাক এক বিলাসিতা হিচাপে নহয়, ইয়াক এক মৌলিক প্ৰয়োজনীয়তা হিচাপে গ্ৰহণ কৰি সমাজৰ প্ৰতিটো স্তৰত ইয়াৰ প্ৰসাৰ ঘটোৱাটো আমাৰ সকলোৰে দায়িত্ব। সমাজ এখন তেতিয়াহে শক্তিশালী হয়, যেতিয়া ইয়াৰ প্ৰতিজন সদস্যই জানে যে তেওঁৰ মাতটোৰ মূল্য আছে আৰু তেওঁৰ চিন্তাৰ দ্বাৰা শাসন ব্যৱস্থাক প্ৰভাৱিত কৰিব পৰা যায়।

মুঠৰ ওপৰত ক'বলৈ গ'লে, ৰাজনৈতিক সচেতনতা হ'ল এক গভীৰ বৌদ্ধিক প্ৰক্ৰিয়া যি আমাক অন্ধ অনুকৰণৰ পৰা মুক্ত কৰি স্বতন্ত্ৰভাৱে চিন্তা কৰিবলৈ শিকায়। ই আমাক শিকায় যে চৰকাৰ আমাৰ ওপৰত শাসন কৰা কোনো বহিৰাগত শক্তি নহয়, বৰঞ্চ ই আমাৰ দ্বাৰা নিৰ্বাচিত আমাৰ প্ৰতিনিধিহে। এই ধাৰণাটো যেতিয়া সমাজৰ প্ৰতিজন ব্যক্তিৰ মনত দৃঢ়কৈ বহি যাব, তেতিয়াহে সমাজত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠিত হ'ব। ৰাজনৈতিক সচেতনতাই আমাক সহনশীলতাও শিকায়, কাৰণ ই আমাক ভিন্ন মতাদৰ্শক সন্মান জনাবলৈ আৰু যুক্তিৰে কথা ক'বলৈ প্ৰেৰণা যোগায়। ক্ৰমাৎ সংকীৰ্ণ হৈ অহা আধুনিক পৃথিৱীত য'ত অসহনশীলতা আৰু বিভাজনে সমাজক গ্ৰাস কৰিছে, তাত ৰাজনৈতিকভাৱে সচেতন আৰু যুক্তিবাদী সমাজ এখন গঢ়ি তোলাটোৱেই হ'ল একমাত্ৰ সমাধান। আমি যদি এখন প্ৰগতিশীল সমাজ বিচাৰো, তেন্তে আমি নিৰপেক্ষ আৰু গভীৰ বিশ্লেষণৰ অভ্যাস কৰিব লাগিব। ৰাজনীতিক ঘৃণা কৰাৰ সলনি ইয়াক বুজিবলৈ চেষ্টা কৰা আৰু সমাজৰ সামগ্ৰিক মংগলৰ বাবে নিজৰ বৌদ্ধিক ক্ষমতা ব্যৱহাৰ কৰাটোৱেই এজন প্ৰকৃত সচেতন নাগৰিকৰ পৰিচয়। এই সচেতনতাই আমাক এক উন্নত ভৱিষ্যতৰ দিশে আগুৱাই লৈ যাব পাৰিব।

# নাৰী শক্তি বিকশিত ভাৰতৰ পৰিৱৰ্তন আৰু সংস্কাৰৰ মূল চালিকাশক্তি

**কবিতা নাথ**

একবিংশ শতিকাৰ তৃতীয়টো দশকৰ মাজভাগত থিয় হৈ ভাৰতবৰ্ষই আজি এক ঐতিহাসিক সন্ধিক্ষণৰ সাক্ষী হৈছে। যি সময়ত বিশ্বৰ বৃহৎ অৰ্থনীতিসমূহ স্থবিৰতাৰ সন্মুখীন হৈছে, সেই সময়ত ভাৰতৰ দ্ৰুত উন্নয়নৰ যাত্ৰাত এক নতুন আয়াম যোগ হৈছে- 'নাৰী শক্তি'। এয়া কেৱল এক আৱেগিক শ্লোগান নহয়, বৰঞ্চ আগন্তুক দশকৰ বাবে ভাৰতৰ এক সুচিন্তিত অৰ্থনৈতিক আৰু সামাজিক সংস্কাৰৰ মূল মন্ত্ৰ। সাম্প্ৰতিক সময়ত সংসদত গৃহীত হোৱা 'নাৰী শক্তি বন্দন অধিনিয়ম'ৰ পৰা আৰম্ভ কৰি ২০২৬ বৰ্ষৰ বাজেটত মহিলাকেন্দ্ৰিক আঁচনিসমূহলৈকে লক্ষ্য কৰিলে দেখা যায় যে দেশৰ নীতিনিৰ্ধাৰকসকলে বুজি উঠিছে— মহিলাৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে 'বিকশিত ভাৰত ২০৪৭'ৰ লক্ষ্যত উপনীত হোৱাটো অসম্ভৱ।

ভাৰত চৰকাৰে ২০৩০ চনৰ ভিতৰত মহিলা শ্ৰম শক্তিৰ অংশগ্ৰহণৰ হাৰ (FLFPR) বৰ্তমানৰ ৪১.৭ শতাংশৰ পৰা ৫৫ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই পৰিসংখ্যাই এক বিশাল পৰিৱৰ্তনৰ ইংগিত দিয়ে। মেককিনছে (McKinsey)ৰ এক গৱেষণা অনুসৰি, যদিহে ভাৰতত পুৰুষ আৰু মহিলাৰ কৰ্মসংস্থাপনৰ বৈষম্য দূৰ কৰিব পৰা যায়, তেন্তে ২০২৫-২৬ চনৰ ভিতৰত দেশৰ মুঠ ঘৰুৱা উৎপাদনত (GDP) অতিৰিক্ত ৭০০ বিলিয়ন ডলাৰ যোগ হ'ব পাৰে। এয়া কোনো সৰু কথা নহয়। ৰাজনীতিৰ পথাৰৰ পৰা অৰ্থনীতিৰ প্ৰতিটো স্তৰত নাৰীৰ এই 'সংজ্ঞায়িত আৰু পৰিশোধিত' (Defining and Refining) সংস্কাৰেই হ'ব আগন্তুক দহ বছৰৰ প্ৰধান চৰ্চাৰ বিষয়। ৰাজনৈতিক সংস্কাৰৰ দিশটো লক্ষ্য কৰিলে দেখা যায় যে 'নাৰী শক্তি বন্দন অধিনিয়ম' (১০৬ তম সংবিধান সংশোধনী আইন, ২০২৩) ভাৰতীয় গণতন্ত্ৰৰ বাবে এক মাইলৰ খুঁটি। ২০২৯ চনৰ নিৰ্বাচনৰ পৰা কাৰ্যকৰী হ'বলগীয়া এই ৩৩ শতাংশ সংৰক্ষণে সংসদ আৰু বিধানসভাসমূহত মহিলাৰ কণ্ঠস্বৰক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিব। ২০২৬ চনত চলি থকা সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়াৰ পাছত যেতিয়া লোকসভাৰ আসনৰ সংখ্যা বৃদ্ধি পাব, তেতিয়া প্ৰায় ২৭৩ গৰাকী মহিলা সাংসদে দেশৰ নীতি নিৰ্ধাৰণত অংশ ল'ব। ই কেৱল প্ৰতিনিধিত্বই নহয়, বৰঞ্চ দেশৰ শাসন ব্যৱস্থাক অধিক সংবেদনশীল আৰু অন্তৰ্ভুক্তিমূলক কৰি তুলিব। গৱেষণাই কয় যে মহিলা জনপ্ৰতিনিধিসকলে শিক্ষা, স্বাস্থ্য আৰু খোৱাপানীৰ দৰে মৌলিক বিষয়সমূহ অধিক অগ্ৰাধিকাৰ দিয়ে, যিয়ে সমাজৰ তৃণমূল পৰ্যায়ত দ্ৰুত পৰিৱৰ্তন আনে। অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা চালে, 'মহিলাৰ দ্বাৰা নেতৃত্বাধীন উন্নয়ন' (Women-led Development) ধাৰণাটোৱে ভাৰতত নতুন গতি লাভ কৰিছে। বিশেষকৈ গ্ৰাম্য ভাৰতত 'লখপতি দিদি'ৰ দৰে অভিযানে এক মৌন বিপ্লৱৰ সূচনা কৰিছে। ১০ কোটিতকৈও অধিক গ্ৰাম্য মহিলাক আত্মসহায়ক গোটৰ (SHG) সৈতে জড়িত কৰাটো বিশ্বৰ এক বিৰল উদাহৰণ। ২০২৬ চনৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা অনুসৰি, অনাগত বৰ্ষসমূহত প্ৰায় ৫ কোটি মহিলাক উদ্যমিতাৰ বাবে বিশেষ প্ৰশিক্ষণ আৰু ঋণৰ ব্যৱস্থা কৰা হৈছে। এয়া কেৱল দৰিদ্ৰতা নিৰ্মূলৰ চেষ্টা নহয়, বৰঞ্চ দেশৰ এক বৃহৎ অব্যৱহৃত মানৱ সম্পদক উৎপাদনমুখী কৰাৰ প্ৰচেষ্টা। যেতিয়া এজনী মহিলাই উপাৰ্জন কৰে, তেতিয়া সেই ধনৰ বেছিভাগ অংশই পৰিয়ালৰ পুষ্টি আৰু সন্তানৰ শিক্ষাত ব্যয় হয়, যিয়ে মানৱ সম্পদ সূচকত (HDI) ইতিবাচক প্ৰভাৱ পেলায়। প্ৰযুক্তি আৰু বিজ্ঞানৰ ক্ষেত্ৰতো নাৰী শক্তিৰ উত্থান উল্লেখনীয়। ভাৰতত STEM (Science, Technology, Engineering, Mathematics) শিক্ষাৰ ক্ষেত্ৰত মহিলাৰ নামভৰ্তিৰ হাৰ বিশ্বৰ ভিতৰতে অন্যতম (প্ৰায় ৪৩ শতাংশ)। চন্দ্ৰযান-৩ ৰ পৰা আদিত্য-এল ১ অভিযানলৈকে ভাৰতীয় মহিলা বিজ্ঞানীসকলৰ নেতৃত্বই প্ৰমাণ কৰিছে যে ভৱিষ্যতৰ 'ডিজিটেল ভাৰত'ত তেওঁলোকৰ ভূমিকা কেনে হ'ব। ডিজিটেল বিত্তীয় অন্তৰ্ভুক্তিৰ ক্ষেত্ৰতজন ধন একাউণ্টৰ জৰিয়তে কোটি কোটি মহিলাক বেংকিং ব্যৱস্থাৰ লগত জড়িত কৰাৰ ফলত আজি চৰকাৰী সাহায্য (DBT) পোনপটীয়াকৈ তেওঁলোকৰ হাতত পৰিছে। ইয়াৰ ফলত মহিলাৰ সামাজিক তথা আৰ্থিক সিদ্ধান্ত লোৱাৰ ক্ষমতা বৃদ্ধি পাইছে। এই সংস্কাৰ যাত্ৰাত কিছু প্ৰত্যাহ্বানো আছে। ভাৰতত আজিও মহিলাৰ ওপৰত ঘৰুৱা কামৰ বোজা (Unpaid Care Work) পুৰুষতকৈ বহুত বেছি। ২০২৫ চনৰ টাইম ইউজ চাৰ্ভে (Time Use Survey) অনুসৰি, এজনী মহিলাই দিনটোৰ সিংহভাগ সময় ঘৰুৱা কামত ব্যয় কৰে, যাৰ বাবে বহু দক্ষ মহিলাই আনুষ্ঠানিক কৰ্মক্ষেত্ৰৰ পৰা আঁতৰি থাকিবলগীয়া হয়। আগন্তুক দশকত আমাক এনে এক পৰিৱেশৰ প্ৰয়োজন হ'ব য'ত কেয়াৰ ইকনমী (Care Economy) বা যত্নৰ অৰ্থনীতিৰ ওপৰত গুৰুত্ব দিয়া হয়। শিশুৰ যত্নৰ কেন্দ্ৰ (Creche) আৰু মহিলা অনুকূল কৰ্মক্ষেত্ৰই এই ক্ষেত্ৰত ডাঙৰ ভূমিকা ল'ব।

'নাৰী শক্তি' কেৱল মহিলাৰ কল্যাণৰ বিষয় নহয়, এয়া এক ৰাষ্ট্ৰীয় কৌশল। ভাৰতক ৫ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ লক্ষ্যত মহিলাসকল হ'ব মূল স্তম্ভ। শিক্ষা, স্বাস্থ্য (যেনে— উজ্জ্বলা আঁচনি বা আয়ুষ্মান ভাৰত) আৰু নিৰাপত্তাৰ ক্ষেত্ৰত হোৱা উন্নতিয়ে মহিলাক ঘৰৰ চাৰিবেৰৰ পৰা উলিয়াই আনি দেশ নিৰ্মাণত অংশীদাৰ কৰিছে। আগন্তুক দশকটো হ'ব এই সংস্কাৰসমূহৰ পৰিশোধনৰ সময় (Refining Period), য'ত মহিলাৰ সুৰক্ষা আৰু অধিকাৰ কেৱল আইনত সীমাবদ্ধ নাথাকি সমাজৰ মানসিকতাতো প্ৰতিফলিত হ'ব। নাৰী শক্তিৰ এই জোৱাৰে ভাৰতক এক বিশ্ব শক্তি (Vishwa Shakti) হিচাপে প্ৰতিষ্ঠা কৰাত নিশ্চিতভাৱে এক শক্তিশালী ভেটি প্ৰদান কৰিব।

# সকলো শিক্ষাৰ্থীৰ বাবে সফলতাৰ বিভিন্ন পথ

**ড° বুলজিৎ বুঢ়াগোহাঁই**

শিক্ষাৰ্থীসকলৰ কেৰিয়াৰ গঢ়াৰ সুযোগ কেৱল প্ৰথম বিভাগ লাভ কৰা সকলৰ মাজতে সীমাবদ্ধ নহয়। বাস্তৱত, প্ৰথম, দ্বিতীয়, তৃতীয় বিভাগ পোৱা আৰু আনকি যিসকল শিক্ষাৰ্থী দশম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ নহয়, তেওঁলোকৰ বাবেও বিভিন্ন কেৰিয়াৰ পথ সদায় মুকলি থাকে। নম্বৰ জীৱনৰ এটা অংশ মাত্ৰ, ই কেতিয়াও মানুহৰ সম্পূৰ্ণ ভৱিষ্যৎ নিৰ্ধাৰণ নকৰে। জীৱনত সফলতা লাভ কৰিবলৈ সঠিক দিশ-নিৰ্দেশনা, অধ্যৱসায়, আত্মবিশ্বাস, নিজৰ দক্ষতাৰ ওপৰত বিশ্বাস আদি অধিক প্ৰয়োজন হয়।

প্ৰথম বিভাগ লাভ কৰা শিক্ষাৰ্থীসকলৰ বাবে নিশ্চয়কৈ উচ্চশিক্ষাৰ ক্ষেত্ৰত অধিক সুযোগ থাকে। তেওঁলোকে বিজ্ঞান, বাণিজ্য বা কলা শাখা বাছি লৈ ইঞ্জিনিয়াৰিং, চিকিৎসা, ব্যৱস্থাপনা, আইন আদি পেছাদাৰী ক্ষেত্ৰত আগবাঢ়িব পাৰে। বেছি নম্বৰ লাভ কৰাৰ ফলত উন্নত শিক্ষানুষ্ঠানত প্ৰৱেশ আৰু বৃত্তিৰ সুবিধাও সহজে লাভ কৰে। তথাপিও, এইটো মনত ৰাখিব লাগিব যে কেৱল নম্বৰে সফলতাৰ একমাত্ৰ মানদণ্ড নহয়- আগ্ৰহ, অধ্যৱসায়, শৃংখলাবদ্ধ পৰিশ্ৰম, লক্ষ্যপ্ৰতি নিষ্ঠা আদিয়ে প্ৰকৃত সফলতা নিশ্চিত কৰে।

দ্বিতীয় বিভাগ পোৱা শিক্ষাৰ্থীসকলেও নিজৰ আগ্ৰহ আৰু দক্ষতাৰ ভিত্তিত বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে। বহুতো ক্ষেত্ৰত দেখা যায় যে মধ্যম মানৰ একাডেমিক ফলাফল থকা শিক্ষাৰ্থীয়ে বাস্তৱ জীৱনত অধিক সফলতা লাভ কৰে, কাৰণ তেওঁলোকে দক্ষতা উন্নয়ন আৰু প্ৰায়োগিক জ্ঞান আহৰণত অধিক গুৰুত্ব দিয়ে। ব্যৱসায়, শিক্ষকতা, চৰকাৰী চাকৰি, বেংকিং, বীমা, তথ্য প্ৰযুক্তি, সৃষ্টিশীল ক্ষেত্ৰ আদিত এইসকল শিক্ষাৰ্থীয়ে যথেষ্ট সফলতা লাভ কৰিব পাৰে। সঠিক পথ-প্ৰদৰ্শন আৰু কঠোৰ পৰিশ্ৰম থাকিলে তেওঁলোকো সাফল্যৰ শিখৰত উপনীত হ'ব পাৰে।

তৃতীয় বিভাগ লাভ কৰা শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰতো হতাশ হোৱাৰ কোনো কাৰণ নাই। বৰ্তমান যুগত কেৱল একাডেমিক ফলাফলৰ ওপৰত নিৰ্ভৰ নকৰাকৈ দক্ষতা-ভিত্তিক আৰু কাৰিকৰী শিক্ষাৰ বহু সুযোগ সৃষ্টি হৈছে। তথ্য প্ৰযুক্তি, আতিথ্য ব্যৱস্থাপনা, ৰিটেইল ব্যৱস্থাপনা, পেৰামেডিকেল, অটোমোবাইল, ইলেক্ট্ৰিকেল, প্লাম্বিং, মোবাইল মাৰামতি আদি টেকনিকেল ট্ৰেডত প্ৰশিক্ষণ লৈ এক সুদৃঢ় আৰু স্বনিৰ্ভৰ কেৰিয়াৰ গঢ়ি তোলা সম্পূৰ্ণ সম্ভৱ। ধাপে ধাপে আগবাঢ়ি তেওঁলোকে পুনৰ একাডেমিক ক্ষেত্ৰতো উন্নতি সাধন কৰিব পাৰে।



যিসকল শিক্ষাৰ্থী দশম শ্ৰেণীত অনুত্তীৰ্ণ হয়, তেওঁলোকৰ বাবেও জীৱনৰ পথ বন্ধ নহয়। ই কেৱল নতুন আৰম্ভণিৰ এক মূল্যবান সুযোগ। তেওঁলোকে পুনৰ পৰীক্ষাত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হ'ব পাৰে। তদুপৰি, দক্ষতা উন্নয়ন কাৰ্যসূচী, কাৰিকৰী শিক্ষা, ক্ষুদ্ৰ উদ্যোগ, স্ব-নিয়োজিত কাম, সংগীত, চিত্ৰকলা, অভিনয়, খেলাধূলা, ইউটিউব বা ডিজিটেল কণ্টেণ্ট সৃষ্টি আদি ক্ষেত্ৰতো আগবাঢ়ি যাব পাৰে। ইতিহাস সাক্ষী যে বহুতো মহান ব্যক্তিয়ে প্ৰথম জীৱনত ব্যৰ্থতাৰ সন্মুখীন হৈছিল, কিন্তু পিছত তেওঁলোকে অসাধাৰণ সফলতা অৰ্জন কৰিছে।

বৰ্তমান যুগত কেৱল নম্বৰ নহয়, বৰঞ্চ দক্ষতা, ইতিবাচক মনোভাৱ, সৃষ্টিশীল চিন্তা আৰু পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই লোৱাৰ ক্ষমতাই সফলতাৰ মূল চাবিকাঠি হিচাপে বিবেচিত হৈছে। ডিজিটেল মাৰ্কেটিং, গ্ৰাফিক ডিজাইন, এনিমেচন, ৰন্ধন শিল্প, পৰ্যটন, কৃষি উদ্যোগ, ষ্টাৰ্টআপ, অনলাইন ব্যৱসায় আদি ক্ষেত্ৰসমূহ সকলো শিক্ষাৰ্থীৰ বাবে সমানভাৱে উন্মুক্ত। অনলাইন শিক্ষা প্লেটফৰ্মৰ জৰিয়তে যিকোনো সময়তে নতুন দক্ষতা আয়ত্ত কৰি নিজকে উন্নত কৰিব পৰা যায়। কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্ৰহী শিক্ষাৰ্থীয়ে জানিব বিচাৰে, তেন্তে প্ৰত্যেক শনিবাৰে বিয়লি ৬-৯ বজাৰ ভিতৰত ফোন (৯৪৩৫১৮৮৬৩০)ত যোগাযোগ কৰিব পাৰে।

*কেৰিয়াৰ পৰামৰ্শদাতা তথা মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ, অসম ডন বস্কʼ বিশ্ববিদ্যালয়*

# ৰঙিয়াত প্ৰয়াত শিক্ষাবিদ গোলোক চন্দ্ৰ ভূঞা স্মাৰক বক্তৃতা, স্মৃতিগ্ৰন্থ উন্মোচনী সভা

**অসম বাৰ্তা, ৰঙিয়া, ১২ এপ্ৰিল ঃ** ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সমাজ সংগঠক প্ৰয়াত গোলোক চন্দ্ৰ ভূঞাৰ পবিত্ৰ স্মৃতিত তেখেতৰ পৰিয়ালবৰ্গৰ উদ্যোগত আৰু শুভাকাংক্ষী সকলৰ সহযোগত আজি এখনি স্মাৰক বক্তৃতা আৰু স্মৃতিগ্ৰন্থ উন্মোচন সভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতেই অধ্যপক পবিন কলিতাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা প্ৰয়াত শিক্ষাবিদ গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে নৰেন শৰ্মা আৰু পৰমেশ্বৰ বুজৰবৰুৱাই। ৰঙিয়াৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত কাৰ্যসূচী অনুসৰি তপস্যা ভূএগ্ৰাৰ দ্বাৰা পৰিবেশিত গণেশ ষ্টুটি, ময়ূৰী ভূএগ্ৰাৰ দ্বাৰা পৰিবেশিত সৰস্বতী বন্দনা আৰু কৃতিকা মহন্ত, হৰ্ষিতা মহন্তৰ দ্বাৰা




বৰগীত পৰিবেশন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট শিক্ষাবিদ অধ্যাপক ড° উপেন ৰাভা হাকাচামে "অসমীয়া ভাষাত কামৰূপী সমল" শীৰ্ষক বক্তৃতা প্ৰদান কৰি উপস্থিত অভ্যগত সকলক আপ্লুত কৰে। ভাষাৰ ওজা গৰাকীয়ে বিশেষভাৱে উজনি নামনিত ব্যৱহৃত কিছু শব্দৰ সাদৃশ্য বৈসাদৃশ্যৰ বিষয়ে কৈ কামৰূপী ভাষাক গীতে মাতে ব্যৱহাৰ কৰি সমগ্ৰ অসমত বিলাই দিলে এক সমন্বয়ৰ সৃষ্টি হ'ব বুলি হাস্যমধুৰ কৈ বৰ্ণনা কৰে। অন্যহাতে ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ব্ৰজেন্দ্ৰ শইকীয়া, আয়োজক সমিতিৰ সভাপতি ড° দীনেশ লহকৰ, মুখ্য সম্পাদক ড° পাৰ্থ ফুকন মহন্ত, অৱসৰী অধ্যপক বুৰঞ্জীবিদ পবিন কলিতা, শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, পবিত্ৰ কুমাৰ কলিতাই মঞ্চত আসন গ্ৰহণ কৰি তেওঁলোকৰ চমু বক্তব্য ৰাখে। ইয়াৰ পাছতেই প্ৰয়াত শিক্ষাবিদ গৰাকীৰ স্মৃতিত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ "প্ৰাজ্ঞ" উন্মোচন কৰে বৰপেটা হাউলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে। উল্লেখ্য যে উক্ত অনুষ্ঠানত ৰঙিয়া অঞ্চলৰ কেবাগৰাকীও সাহিত্য সচেতক, সমাজকৰ্মী, অধিবক্তা, সাংবাদিক তথা শতাধিক জ্ঞানীগুণী ব্যক্তি উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। পৰিয়াল বৰ্গৰ তৰফৰ পৰা প্ৰয়াত গোলোক চন্দ্ৰ ভূএগ্ৰা জেষ্ঠ পুত্ৰ ড° প্ৰদীপ ভূএগ্ৰাই উপস্থিত আটাইকে ধন্যবাদ আৰু শলাগৰ শৰাই আগবঢ়ায়।

# বাক্সাৰ পূব অদলাত ৰঙালী বিহু উদ্‌যাপনৰ আয়োজন

**অসম বাৰ্তা, বাগানপাৰা, ১২ এপ্ৰিল ঃ** বাক্সা জিলাৰ পূব অদলাৰ নৱজ্যোতি যুৱক সংঘৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত অহা ১৮ আৰু ১৯ এপ্ৰিল ( ৪ আৰু ৫ বহাগ)ত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ২০তম পূব অদলা ৰঙালী বিহু সন্মিলন। বিহু পৰিচালনা কৰাৰ বাবে হিতেশ মেধিক সভাপতি, কাৰ্তিক ৰাজবংশীক উপ-সভাপতি, মনোহৰি ডেকাক সম্পাদক আৰু ত্ৰৈলোক্য ৰাজবংশীক সহকাৰী সম্পাদক হিচাপে লৈ এখন ৰঙালী বিহু উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী মতে ১৮ এপ্ৰিলত নৱজ্যোতি যুৱক সংঘৰ সভাপতি জীৱন মেধিয়ে সংঘৰ পতাকা উত্তোলন, বিহু উদযাপন সমিতিৰ সম্পাদক হিতেশ মেধিয়ে বিহু পতাকা উত্তোলন, নৱজ্যোতি যুৱক সংঘৰ সম্পাদক অজয় কলিতা আৰু বিহু উদযাপন সমিতিৰ সম্পাদক মনোহৰি ডেকাই স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচীত তৰ্পক আৰু প্ৰজ্বালক হিচাপে অংশগ্ৰহণ কৰিব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব নবন্তি এম ভি স্কুলৰ প্ৰধান শিক্ষক নীলকান্ত ৰাজবংশী, বগুলামাৰী আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক ৰঞ্জিত ভাণ্ডাৰী আৰু শান্তিপুৰ ভিচিডিচিৰ অধ্যক্ষ ভবেন বেশ্যই। অদলা বিটপাৰাৰ সমাজকৰ্মী পুষণ বাহাদুৰ ভাণ্ডাৰী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল শৰ্মা, অদলা গাঁৱৰ গাঁও প্ৰধান বিনয় বড়ো, অদলা ভিচিডিচিৰ অধ্যক্ষ ৰমেন চক্ৰৱৰ্তী, সমাজকৰ্মী দেবেন ৰাজবংশী আৰু নন্দেশ্বৰ মেধিয়ে গছপুলি ৰোপণ কৰিব। অনুষ্ঠিত হ'ব ৰচনা, খেল ধেমালি, কুইজ, কবিতা আবৃত্তি, একক আধুনিক কেছেট নৃত্য, মৌ কুৰঁৰীক, বিহু কুৰঁৰী, বোৱাৰী বিহু প্ৰতিযোগিতা। গেৰুৱাৰ নাৰায়ণ দাসৰ লোক সংগীত পৰিবেশন, সমন্বয় বিহু হুঁচৰি দল (কুৱৰি চ'ক)বিহু নৃত্য প্ৰদৰ্শন, থলুৱা সাংস্কৃতিক অনুষ্ঠানৰ লগতে ৰামধেনু সাংস্কৃতিক গোষ্ঠীৰ ভিন্নসুৰী কাৰ্যক্ৰম অনুষ্ঠিত হ'ব। ১৯ এপ্ৰিলত পুৱা সামূহিক চাফাই, ভেশচন সামূহিক চাফাই, ভেশচন, চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আবেলি বিষ্ণু জ্যোতি এম ই স্কুলৰ শিক্ষক ৰাতিয়া ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত হ'ব বঁটা বিতৰণী সভা। বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব বাক্সা জিলা আক্ৰাছুৰ মুখ্য উপদেষ্টা বলোৰাম দাস, শান্তিপুৰৰ বিশিষ্ট সমাজকৰ্মী ৰিজু প্ৰসাদ তালুকদাৰে নিৰ্দ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব ৪নং অদলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ধৰণীধৰ দাসে। অনুষ্ঠিত হ'ব সম্বৰ্ধনা অনুষ্ঠান। সন্ধিয়া বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘ বিহুৱা দলৰ দ্বাৰা বিহু হুঁচৰি প্ৰদৰ্শন, অনুষ্ঠিত হ'ব বিশেষ সাংস্কৃতিক অনুষ্ঠান। বিশেষ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব ১ নং মধ্যম বাস্কা বহুমুখী সমবায় সমিতিৰ সম্পাদক চতন কুমাৰ ৰামছিয়াৰীয়ে। বিশেষ সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানত আমন্ত্ৰিত শিল্পী দেবাশিষ প্ৰতিম, পাপৰী ডেকা আৰু ৰুণু ৰাজবংশীৰ সুৰীয়া গীতৰ শৰাই। বিহুৰ দুয়ো দিনৰ কাৰ্যসূচীত অঞ্চলবাসী ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি বিহু উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

## শিক্ষাবিদ প্ৰয়াত ভুৱনেশ্বৰ শৰ্মা আৰু মানৱদৰদী চিকিৎসক ডাঃ গৌৰীকান্ত শৰ্মা স্মৃতি বঁটা প্ৰদান

# বুদ্ৰুকুছিত ৩৬ সংখ্যক ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, বাঁহজানী, ১২ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত খাদী চ'ক সৰ্বজনীন ৰঙালী বিহু সমিতিৰ উদ্যোগত অইন বেলিৰ দৰে এইবেলিও অহা ১৬ এপ্ৰিল আৰু ৩০ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে ৩৬ সংখ্যক সৰ্বজনীন ৰঙালী বিহু উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে অনিল কুমাৰ ডেকাক সভাপতি আৰু হেমন্ত বৈশ্য, উৎপল বৈশ্যক যুটীয়া সম্পাদক হিচাপে লৈ এখন ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন কৰা হৈছে। ১৬ এপ্ৰিলৰ দিনা পুৱা ৮-৩০ বজাত ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি অনিল কুমাৰ ডেকাই বিহুৰ পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰিব লগা অনুষ্ঠানত ক্ৰমে শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিব বাঁহজানী জিলা পৰিষদৰ সদস্য হিতেশ তালুকদাৰে আৰু মাল্যাৰ্পণ কৰিব দহ নং মধ্যবাঁহজানী গাওঁ পঞ্চায়তৰ সভানেত্ৰী ৰিমা কলিতাই। গছপুলি ৰোপণ কৰিব সমাজসেৱক ৰবীন শৰ্মা, অজিত ডেকা আৰু কাবিল আলীয়ে। হিয়াৰ আমঠু জুবিন গাৰ্গৰ সোঁৱৰণত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব সমাজসেৱক মঃ মুকুতৰ ৰহমানে আৰু তাৰ লগে লগে বিহুৰ বাকৰিত সমবেত হোৱা সকলো ৰাইজে একেলগে জুবিন গাৰ্গৰ "মায়াবিনী ৰাতিৰ বুকুত" গীতটো গোৱা হব। ইয়াৰ পিছতে ৰঙালী বিহুৰ লগত সংগতি ৰাখি ৯-২০ বজাত অনুষ্ঠিত হব লগা বঁটা প্ৰদান অনুষ্ঠানত মানৱদৰদী চিকিৎসক প্ৰয়াত ডাঃ গৌৰীকান্ত শৰ্মা স্মৃতি বঁটা প্ৰদান কৰিব গুৱাহাটী প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ডাঃ বসন্ত কুমাৰ বৈশ্যক আৰু শিক্ষাবিদ প্ৰয়াত ভুৱনেশ্বৰ শৰ্মা স্মৃতি বঁটা প্ৰদান কৰা হব বৰভাগ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা সু-লেখক, নিৱন্ধকৰ ড° ধনেশ্বৰ বৈশ্যক। ইফালে এই অনুষ্ঠানটোতে অঞ্চলটোৰ কেইবাগৰাকীও বিশেষ ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে ৭০ বছৰ উৰ্ধৰ জ্যেষ্ঠ জনলৈ বিহুৱান আৰু আশীৰ্বাদ গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হব। উল্লেখ্য যে, বিহু আৰু সাংস্কৃতিক অনুষ্ঠানেৰে অহা ৩০ এপ্ৰিলত সামৰণী পৰিব লগা ৰঙালী বিহুৰ লাইখুটা স্থাপন কৰিব বয়োজ্যেষ্ঠ মহিলা তথা সমাজসেৱীকা সাবিত্ৰী বালা দাসে।

## চোৰাং গৰুহালাল দিয়া অৱস্থাত উদ্ধাৰ

# গৰু বিহুৰ প্ৰাকক্ষণতে দেৰগাঁৱৰ মাজগাঁৱত সৃষ্টি হয় এক চাঞ্চল্যকৰ ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ১২ এপ্ৰিল ঃ** গৰু বিহুৰ প্ৰাকক্ষণতে দেৰগাঁৱৰ মাজগাঁৱত সৃষ্টি হয় এক চাঞ্চল্যকৰ ঘটনা। চুৰ কৰি অনা গৰু হালাল দি কাটি থকা অৱস্থাত হাতে লোটে ধৰা পৰে চোৰ। শনিবাৰে নিশা নাহৰণিৰ আলাৰত আলি আৰু জানতো কলিতাৰ ঘৰৰ পৰা চুৰ হৈছিল দুজনী গাই গৰু। পুৱাই শুই উঠি গৃহস্থয় গৰু নেদেখি বিচাৰ-খোচাৰ কৰাত আচিক আলি আৰু আতিক আলি নামৰ ব্যক্তি দুজনৰ ঘৰৰ চৌহদৰ এটা পৰিতক্ত ঘৰত ডিঙি কটা অৱস্থাত উদ্ধাৰ হয় গাই গৰু দুজনী। লাগে লাগে ৰাইজে খবৰ দিছিল আৰক্ষীক। ঘটনা স্থলীত দেৰগাঁৱৰ আৰক্ষী উপস্থিত হৈ ইতিমধ্যে ঘটনা সন্দৰ্ভত অনুসন্ধান আৰম্ভ কৰিছে। ঘটনাত আতিক, আচিকৰ উপৰিও বুতি নামৰ আন এজনো জড়িতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে বিগত বহু দিন ধৰি অঞ্চলটোত গৰু চোৰে উপদ্ৰৱ চলাই আহিছিল। দেৰগাঁৱৰ বিভিন্ন প্ৰান্তৰ পৰা সঘনাই চুৰি হৈছিল গৰু। সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

# বাঁহজানীত কাব্যালোচনী 'গজালি'ৰ বিশেষ বসন্ত সংখ্যা উন্মোচন

**অসম বাৰ্তা, বাঁহজানী, ১২ এপ্ৰিল ঃ** অসমীয়া সাহিত্যত বিষেকৈ কবিতাৰ পথাৰখনত বিভিন্ন সময়ত নতুন নতুন কাব্যালোচনী প্ৰকাশ হৈ আহিছে। আৰু সেই কবিতাৰ জগতখনে পুৰনীৰ লগতে নতুন নতুন কবিসকলকো কবিতা লিখা আৰু প্ৰকাশৰ এখন মঞ্চ প্ৰদান কৰি আহিছে। ঠিক তেনেকুৱা এখন মঞ্চৰ জন্ম দিব পৰিছে এই 'গজালি' নামৰ কাব্যালোচনীখনে। এই ব্যৱস্থাই অঞ্চলটোত কাব্য সাহিত্য চৰ্চা জীৱন্ত কৰি ৰাখিবলৈ সক্ষম হৈছে। এখন আলোচনী নীৰৱচ্ছিন্ন ভাৱে বিগত ১৪ বছৰ ধৰি প্ৰকাশ পাই থকা কথাটো অসমীয়া সাহিত্যৰ ক্ষেত্ৰ খনৰ বাবে এক আশাপ্ৰদ খবৰ। বিশেষকৈ কবিতাৰ আলোচনী এখন ইমান দীঘলীয়া সময়ৰ বাবে প্ৰকাশ হৈ থকাটো উলাই কৰিব পৰা কথা নহয়। এই মন্তব্য দক্ষিণ নলবাৰী প্ৰেছ ক্লাৱ, বাঁহজানীৰ সভাপতি তথা 'দৈনিক অসম' কাকতৰ সাংবাদিক কামিনী কান্ত মিশ্ৰৰ। আজি নলবাৰী জিলাৰ বাঁহজানীৰ বগলচ্‌ ৰোড চকস্থিত জেপ কাব্যালোচনী গজালিৰ কাৰ্যালয়ত বসন্ত বিশেষ সংখ্যা 'গজালি' আনুষ্ঠানিকভাৱে উন্মোচন কৰি সাংবাদিক গৰাকীয়ে এনেদৰে কয়। গজালিৰ সম্পাদক তথা 'দৈনিক জনমভূমি' কাকতৰ সাংবাদিক শংকৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত কবি-লেখক ডাঃ প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী, কবি তথা শিক্ষক সঞ্জীৱ মহাজন, গজালিৰ কাৰ্যবাহী সম্পাদক তথা সাংবাদিক কমল কলিতাকে ধৰি কেইবাগৰাকীও কবি-সাহিত্যিক উপস্থিত থাকে। উল্লেখযোগ্য যে একুৰি তেৰ গৰাকী নবীন-প্ৰবীন কবিৰ ভিন্ন ৰুচিৰ কবিতাৰ মেটমৰা সম্ভাৰেৰে এইবাৰৰ গজালিৰ বিশেষ বসন্ত সংখ্যাটো সজোৱা হৈছে বুলি গজালি প্ৰকাশন গোষ্ঠীয়ে জানিবলৈ দিছে।

# ১ ব'হাগত সকলো খিলঞ্জীয়া জনগোষ্ঠীকে এগছিকৈ বন্তি প্ৰজ্বলন কৰিবলৈ মহাসংঘৰ আহ্বান

**অসম বাৰ্তা, নামতি, ১২ এপ্ৰিল ঃ** অসম দেশ খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ বাবে উপৰিপুৰুষৰ পৰা বংশানুক্ৰমিকভাবে লাভ কৰা স্থায়ী গৃহভূমিহে, কেৱল মাতৃভূমি নহয়। ১৯৪৭ চনৰ পৰা বৰ্তমানলৈকে অসমৰ হাজাৰ বছৰীয়া শাসক খিলঞ্জীয়া জনগোষ্ঠী সমূহে নিজৰ গৃহভূমিতে দিনে দিনে শাসন ক্ষমতাৰ পৰা উৎখাত হৈ গৈ আছে। অযোগ্য আৰু অ-দূৰদৰ্শী বাবেই ৭৯ বছৰে সৰ্বভাৰতীয় আৰু আঞ্চলিক ৰাজনৈতিক দল আৰু সামাজিক সংগঠনবোৰে এই ক্ষেত্ৰত তিলমানো একো কৰিব পৰা নাই। প্ৰৱজনকাৰীক তথা আশ্ৰয় প্ৰাৰ্থীক মহান মানৱতা আৰু দয়া-মমতাৰে আঁকোৱালি লোৱাৰ পৰিণতি স্বৰূপে সেইবোৰেই খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ মূৰত উঠি নাচি-বাগি লুটি-পুটি খাই আছে আৰু শাসন ক্ষমতাও অতি কৌশলেৰে কাঢ়ি নিছে। পৃথিৱীৰ ইতিহাসত বিৰল আৰু গৌৰৱোজ্জ্বল দৃষ্টান্ত থকা অসমৰ খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ মাজৰ একতা, ভাতৃত্ববোধ, সাম্প্ৰদায়িক সম্প্ৰীতি সকলো ধূলিস্যাত হোৱাৰ উপক্ৰম হৈছে বিদেশী-বহিৰাগতৰ নানা চক্ৰান্তৰ ফলত। সেয়ে সীমাহীন দুৰ্যোগৰ পৰা মুক্তি পাবলৈ তথা সকলো শত্ৰুৰ বিৰুদ্ধে দৃঢ়তাৰে যুঁজিবলৈ শক্তি পাবলৈকে অসমৰ জাতি সংঘ অসম সন্মিলিত মহাসংঘই ১ বহাগ ১৫ এপ্ৰিলত অসমীয়া নতুন বছৰৰ আৰম্ভণিৰ দিনাই সকলো খিলঞ্জীয়া জনগোষ্ঠীৰ লোকক নিজৰ নিজৰ পদূলিত সন্ধিয়া এগছিকৈ বন্তি প্ৰজ্বলন কৰি উপৰিপুৰুষ তথা মহান সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ সবিনয়ে অনুৰোধ জনাইছে। ১ ব'হাগত অসম সন্মিলিত মহাসংঘই মহাসংঘৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাসংঘৰ জন্ম স্থান ঐতিহাসিক শিৱসাগৰৰ ৰংপুৰ নগৰৰ তাহানিৰ স্বাধীন অসমৰ ৰাজদৰবাৰ তলাতল ঘৰৰ চৌহদত ১৯গছি বন্তি প্ৰজ্বলন কৰি টাই আহোম নিয়ম অনুসৰি প্ৰাৰ্থনা জনাব অসম দেশ আৰু খিলঞ্জীয়া জাতি জনগোষ্ঠী সমূহৰ আৰু প্ৰকৃত ভাৰতীয় নাগৰিক সকলৰ সৰ্বাংগীণ কল্যাণ, ভিতৰৰ-বাহিৰৰ সকলো শত্ৰু আৰু দেশদ্ৰোহী-জাতিদ্ৰোহীৰ পতনৰ বাবে। আজি তলাতল ঘৰৰ বাকৰিৰ পৰা অসম সন্মিলিত মহাসংঘৰ সুৰক্ষা পৰিষদৰ সভাপতি মতিউৰ ৰহমান আৰু মহা সচিব ডাঃ হেমন্ত গগৈ আৰু মহাসংঘৰ কাৰ্যকৰী পৰিষদৰ সভাপতি শান্তনু দাস বৰহাজোৱাল আৰু মহা সচিব ভূপেন নৰহে এক বাৰ্তা যোগে খিলঞ্জীয়া জনগোষ্ঠী সমূহলৈ অসমীয়া নতুন বছৰ আৰু বহাগ বিহুৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি বিহুৰ হাজাৰ বছৰীয়া ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতি অক্ষুণ্ণ ৰাখিবলৈ সবিনয়ে কৰযোৰে অনুৰোধ জনোৱাৰ লগতে ১ বহাগত বন্তি প্ৰজ্বলন কৰিবলৈ অনুৰোধ জনাইছে।

# পুৰণিগুদামৰ বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ফণীন্দ্ৰনাথ গায়নৰ ৮৮ সংখ্যক জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ এপ্ৰিল ঃ** নগাঁৱৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত নগাঁৱৰ পুৰণিগুদামৰ মহীৰূহ সদৃশ বিশিষ্ট সমাজসেৱক, শিক্ষাবিদ, সাহিত্যিক পেঞ্চনাৰ তথা পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ফণীন্দ্ৰনাথ গায়নৰ ৮৮ সংখ্যক জন্মদিন আজি তেওঁৰ নিজ বাসগৃহত পালন কৰা হয়। জ্যেষ্ঠ নাগৰিক সন্মিলন, পুৰণিগুদামৰ সম্পাদক তথা নগাঁৱৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ শিক্ষা সম্পাদক দ্বিপেন বৈৰাগীয়ে আঁত ধৰা অনুষ্ঠানটিত সমাজ জীৱনৰ বৰেণ্য ব্যক্তিগৰাকীক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৰফৰ পৰা ফুলাম গামোচা, চেলেং, জাপি আৰু কিতাপৰ টোপোলাৰে আদৰণি জনাই নগাঁৱৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি তথা নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। ইয়াৰ পাছতে পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ তৰফৰ পৰা সভাপতি পুলিন হাজৰিকা, অনিৰ্বাণ গোষ্ঠীৰ তৰফৰ পৰা সভাপতি জ্যোতিৰ্ময় গোস্বামী আৰু শতদল শাখা সাহিত্য সভাৰ তৰফৰ পৰা সভাপতি-সম্পাদক ক্ৰমে বিমল গোঁহাই আৰু তিলক কুমাৰ গায়নে একোখনকৈ ফুলাম গামোচাৰে শিক্ষাবিদ গৰাকীক ৮৮ সংখ্যক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰা হয়। নগাঁৱৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি, সাংবাদিক-সাহিত্যিক ড° শৰৎ বৰকটকী আৰু লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ, সাহিত্যিক কৃষ্ণ গোস্বামীয়ে পুৰণিগুদামৰ সমাজ জীৱনৰ অভিভাৱক গৰাকীৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰ প্ৰেৰণাদায়ক বহু কথাৰ প্ৰসঙ্গৰে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। আজিৰ অনুষ্ঠানত পুলিন হাজৰিকা, অনিল বৈৰাগী, দুৰ্লভ শৰ্মা, জ্যোতিৰ গোস্বামী, অলক খাউণ্ড, ৰাজেন বেজবৰুৱা, প্ৰতাপ দাস, সাংবাদিক নীলৰঞ্জন শৰ্মা আদিয়ে ফণীন্দ্ৰনাথ গায়নৰ ৮৮ সংখ্যক জন্মদিনৰ শুভেচ্ছা জনোৱাৰ লগতে তেওঁৰ সুস্বাস্থ্য কামনা কৰে। অনুষ্ঠানৰ শেষত তেওঁৰ "ছহীদ হোৱাৰ প্ৰতিজ্ঞাৰে" শীৰ্ষক এটি স্বৰচিত কবিতা আবৃত্তি কৰি পৰিৱেশটো বৰ্ণময় কৰি তোলাৰ লগতে উপস্থিত সকলোকে অভিনন্দন জ্ঞাপন কৰে।

# গোৱালপাৰা আৰক্ষীয়ে উন্মোচিত কৰিলে দীৰ্ঘদিনীয়া কেলেংকাৰী বিজেপি নেতাৰ হোটেলত অবৈধ নাৰী দেহ ব্যৱসায়ৰ চক্ৰ

**অসম বাৰ্তা, গোৱালপাৰা, ১২ এপ্ৰিল ঃ** শুক্ৰবাৰে নিশা প্ৰায় ১১ বজাত চহৰৰ মাজমজিয়াত অৱস্থিত হোটেল ময়ূৰ নামৰ এখন আবাসিক হোটেলত গোৱালপাৰা আৰক্ষীয়ে গোপন তথ্যৰ ভিত্তিত এক অভিযান চলায়। উক্ত অভিযান হোটেলখনত দীৰ্ঘদিন ধৰি চলি অহা বুলি অভিযোগ থকা অবৈধ নাৰী দেহ ব্যৱসায়ৰ এক চক্ৰ উন্মোচিত হয়। আৰক্ষীৰ অভিযানত হোটেলখনৰ পৰা মুঠ ৭ গৰাকী যুৱক-যুৱতীক আটক কৰা হয়। ঘটনাৰ পিছতে আটক কৰা লোকসকলক থানালৈ লৈ যোৱা হয়। পাছত আৰক্ষীয়ে চলোৱা তদন্তৰ ভিত্তিত আটক কৰা লোকসকলৰ মাজৰ ৫ জনৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰি আদালতৰ জৰিয়তে আজি জেল হাজোতলৈ প্ৰেৰণ কৰে। এই ঘটনাৰ পিছত এক গুৰুত্বপূৰ্ণ আৰু চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। জানিব পৰা মতে, হোটেলখনৰ স্বত্বাধিকাৰীৰ নাম অতিকুৰ ৰহমান, আৰু তেওঁ বিজেপি দলৰ এজন সক্ৰিয় নেতা। স্থানীয় সূত্ৰ অনুসৰি, আতিকুৰ ৰহমান ওৰফে 'জানু' নামৰ এই বিজেপি নেতা গৰাকীৰ ছত্ৰছায়াত উক্ত হোটেলখনত দীৰ্ঘদিন ধৰি এই অবৈধ নাৰী দেহ ব্যৱসায় চলি আহিছিল বুলি অভিযোগ উত্থাপন হৈছে। যদিও এই অভিযোগসমূহৰ সত্যতা আৰক্ষীৰ পৰা আনুষ্ঠানিকভাৱে নিশ্চিত কৰা হোৱা নাই, তথাপি এই বিষয়টোয়ে সমগ্ৰ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে, হোটেল ময়ূৰ নামৰ এই আবাসিক হোটেলখনৰ বিৰুদ্ধে কিছুদিন পূৰ্বেও অবৈধ নাৰী দেহ ব্যৱসায় চলোৱাৰ অভিযোগ উত্থাপন হৈছিল। আনকি পূৰ্বৰ অভিযানসমূহতো একে ধৰণৰ কাৰ্যকলাপৰ সৈতে জড়িত লোক উদ্ধাৰ কৰা হৈছিল বুলি স্থানীয় সূত্ৰে জানিবলৈ দিয়ে। চহৰৰ মাজমজিয়াত এনে অবৈধ কাৰ্যকলাপ, আৰু তাৰ সৈতে ৰাজনৈতিক ব্যক্তিৰ নাম জড়িত হোৱাৰ অভিযোগে গোৱালপাৰা চহৰবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। বহুতে ঘটনাটোৰ সম্পূৰ্ণ আৰু নিৰপেক্ষ তদন্তৰ দাবী জনাইছে। উল্লেখ্য যে, গোৱালপাৰা চহৰৰ একাংশ হোটেলত নাৰী দেহ ব্যৱসায় চলি আছে যদিও গোৱালপাৰা আৰক্ষীয়ে ৰহস্য জনক ভাৱে নীৰৱ ভূমিকা পালন কৰা দেখিবলৈ পোৱা গৈছে।

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ৩০ গৰাকী শিক্ষাৰ্থীলৈ সম্বৰ্দ্ধনা

# বাঘজানত অসম মৰাণ সভাৰ উদ্যোগত মৰাণ বিহুনাচ কৰ্মশালাৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১২ এপ্ৰিল ঃ** সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ তত্বাৱধানত অসম মৰাণ সভা, বাঘজান শাখা সমিতিৰ উদ্যোগত যোৱা ১ এপ্ৰিলৰ পৰা ১২ এপ্ৰিল, ২০২৬ তাৰিখলৈকে বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত মৰাণ বিহুনাচৰ কৰ্মশালা দেওবাৰে সফল সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি সদ্যঘোষিত ২০২৫-২৬ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ অঞ্চলটোৰ প্ৰায় ৩০ গৰাকীতকৈ অধিক শিক্ষাৰ্থীক একোখনি মৰাণ ফুলাম গামোচা আৰু এখনি অভিনন্দন পত্ৰৰে বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অসম মৰাণ সভা বাঘজান শাখা সমিতিৰ সভাপতি ৰূপম মৰাণৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মৰাণ বিহুনাচ কৰ্মশালাৰ সামৰণি আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ কেন্দ্ৰীয় সভাপতি লম্বেশ্বৰ মৰাণ, অসম মৰাণ সভা, ডুমডুমা আঞ্চলিক সমিতিৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক প্ৰদীপ মৰাণ, প্ৰাক্তন সভাপতি দিগন্ত মৰাণ, সাধাৰণ সম্পাদক বিশ্বজিত হাজৰিকা, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম, তিনিচুকীয়া জিলা সমিতিৰ



সাধাৰণ সম্পাদক ৰাণাদ্বীপ দুৱৰা, বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ সভাপতি তিলক নেওগ, সাধাৰণ সম্পাদক জিণ্টু হাজৰিকা, সদৌ মৰাণ ছাত্ৰ সন্থা বাঘজান শাখা সমিতিৰ সভাপতি বাবুল মৰাণ, সাধাৰণ সম্পাদক বুলবুল মৰাণ, বাঘজান গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য অন্নজিৎ হাজৰিকা, বাঘজান গাঁও পঞ্চায়তৰ ১ নং ৱাৰ্ডৰ সদস্য বংশীধৰ বৰুৱা, বাঘজান দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অনিল বৰুৱা, বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণেশ্বৰ চেতিয়া, বাঘজান-দীঘলটৰং ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ৰ সঞ্চালক হেমন্ত মৰাণ, Updet Nowৰ পৰিচালন সঞ্চালক ৰণ্টু ডাঙৰীয়া, বিশিষ্ট সমাজকৰ্মী কমল বৰুৱা, আখেশ্বৰ চেতিয়া, সাংস্কৃতিক কৰ্মী যতীন চেতিয়া, সমাজসেৱক প্ৰাঞ্জল গগৈ, সাংবাদিক প্ৰতাপ মৰাণ, প্ৰশান্ত খাটোৱাল, হিৰন্ময় মৰাণ, ফটো সাংবাদিক হিমাংক প্ৰধান, কমল চাউৰক, যুৱ লেখক পাপুল গগৈসহ অসম মৰাণ সভা বাঘজান শাখাৰ বিষয়-ববীয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, এই কৰ্মশালাত অংশগ্ৰহণ কৰা অঞ্চলটোৰ প্ৰায় শতাধিক নাচনীক সামৰণি অনুষ্ঠানত একোখনি মানপত্ৰৰে প্ৰশংসিত কৰে আৰু চাৰিগৰাকী নাচনীক নিৰ্বাচিত কৰি বিশেষ বঁটাৰে পুৰস্কৃত কৰে। অনুষ্ঠানটি আঁত ধৰে অসম মৰাণ সভা, বাঘজান শাখাৰ সাধাৰণ সম্পাদক অনুপম নেওগে। ১২ দিনীয়া কৰ্মশালাৰ প্ৰশিক্ষক হিচাবে উপস্থিত আছিল মৃণাল মৰাণ, মধুস্মৃতা মৰাণ, প্ৰেয়সী গোহাঁই, বাবুল মৰাণ, ছয়নিকা নেওগ, নেহা চুতীয়া, মিথুন মৰাণ।

## ২০ এপ্ৰিলৰ পৰা দুদিনীয়াকৈ ৫৯ সংখ্যক দুধনৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

# ঢোল, পেঁপা, গগণাৰ শব্দত দুধনৈত উখল-মাখল পৰিৱেশ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১২ এপ্ৰিল ঃ** বসন্তৰ আগমনে ধৰণী সজাই তোলাৰ লগে লগে ৰাজ্যৰ অন্য প্ৰান্তৰ দৰে দুধনৈতো বিহুৰ ব্যাপক প্ৰস্তুতি চলিছে। অহা ২০ আৰু ২১ এপ্ৰিল (৬ আৰু ৭ ব'হাগ) তাৰিখে দুদিনীয়াকৈ দুধনৈ ৰাজহুৱা খেলপথাৰত উলহ-মালহেৰে উদ্‌যাপন কৰা হ'ব ৫৯সংখ্যক দুধনৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। বিহু সন্মিলনখনি সফল কৰি তুলিবলৈ ইতিমধ্যে এখন শক্তিশালী বিহু পৰিচালনা কমিটি গঠন কৰা হৈছে। এই সমিতিত দাৰা হাজোৱাৰীক সভাপতি, বশিষ্ঠ চেৰাণক কাৰ্যকৰী সভাপতি আৰু বনজিৎ ৰাভা, কাকলি বসুমতাৰী ও দেৱজিত ৰায়ক সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। উদ্বোধনী দিনটোত ৰাতিপুৱা বিহু পতাকা উত্তোলন, স্মৃতি তপণ, সম্বৰ্ধনা, বিহু নাচ লগতে বিভিন্ন জনগোষ্ঠীয় নাচ প্ৰদৰ্শন আৰু খেলধেমালি অনুষ্ঠিত কৰা হ'ব। আনহাতে সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান উপলক্ষে বিহু মঞ্চখনি অঞ্চলটোৰ বিশিষ্ট ব্যক্তি প্ৰয়াত কালীমোহন বড়ো, প্ৰকাশ ৰায়, গুণিল ৰাভা, হিমাৰাণী ৰিভা আৰু বভ্ৰুবাহন ৰাভাৰ স্মৃতিত উৎসৰ্গা কৰা হ'ব। প্ৰথম দিনটোৰ মুখ্য আকৰ্ষণ হিচাপে থাকিব, আমন্ত্ৰিত হুঁচৰি দল ধেমাজী, মৰাণ, দুধনৈ আৰু উৰপদবিলৰ পৰা অহা আমন্ত্ৰিত বিহু হুঁচৰি দলৰ প্ৰদৰ্শন। ইয়াৰ উপৰিও সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পী সকলৰ দ্বাৰা বিবিধ কলা-সংস্কৃতিৰ অনুষ্ঠান পৰিৱেশন। বিহু সন্মিলনৰ দ্বিতীয় দিনাৰ সাংস্কৃতিক সন্ধিয়াৰ মঞ্চখনি অসমৰ জনপ্ৰিয় শিল্পী অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা হৈছে। এই সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট অতিথিয়ে। এই বৰ্ষৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হিচাপে থাকিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দিব্যজ্যোতি গগৈ আৰু লক্ষ্মীচন্দ্ৰ। তেওঁলোকৰ গীতৰ শৰায়ে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব বুলি বিহু সমিতিয়ে আশা প্ৰকাশ কৰিছে। ৫৯সংখ্যক এই বিহু সন্মিলনৰ সকলো কাৰ্যসূচীতে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ উপস্থিতি আৰু সহযোগিতা বিহু পৰিচালনা সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# দুঘণ্টা ধৰি পাণবজাৰ

কুংকি চৌধুৰীক দেওবাৰে পুৱা ১১ বজাত পাণবজাৰ থানাত হাজিৰ হ'বলৈ চমন জাৰি কৰিছিল। সেই অনুসৰি তেওঁ থানাত উপস্থিত হয় আৰু প্ৰায় দুঘণ্টা ধৰি জেৰা চলে। থানাৰ পৰা ওলাই আহি কুংকি চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, "মোক আৰক্ষীয়ে মতাৰ বাবে খুব ভাল পাইছোঁ। মোৰ ভাষ্য সম্পূৰ্ণকৈ দিলোঁ। ছিষ্টেমটোৰ ওপৰত মোৰ বিশ্বাস আছে। তেওঁলোকে তদন্ত ভালদৰে কৰিব বুলি আশা ৰাখিলোঁ। মোৰ বিৰুদ্ধে অনা সকলো অভিযোগ সম্পূৰ্ণ মিছা।" তেওঁ লগতে কয়, "আনহাতে মই অপৰাধ শাখাত তৰা গোচৰ সন্দৰ্ভত আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। কিয় ইমান সময় লাগিছে, মই নাজানো।" কুংকি চৌধুৰী থানাত উপস্থিত হোৱাৰ লগে লগে তেওঁৰ সমৰ্থক আৰু নাগৰিক সমাজৰ লোকসকলে পাণবজাৰ থানাৰ বাহিৰত ভিৰ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে থানাৰ বাহিৰত সংবাদ মাধ্যমক কয়, "এইটো কোনো গুৰুতৰ অভিযোগ নহয়। প্ৰাৰ্থীগৰাকীক হাৰাশাস্তি কৰাৰ উদ্দেশ্যে তেওঁৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে। এনে এটা গোচৰৰ বাবে বাৰম্বাৰ থানালৈ মাতি থকা আৰু নিশা ১২ বজাতো থানালৈ আহিবলগীয়া হোৱাটো একেবাৰে অনুচিত।" অধিবক্তা বৰঠাকুৰে আৰু কয়, "কুংকি চৌধুৰী নিৰ্বাচনী প্ৰচাৰৰ প্ৰভাৱত ভীতিগ্ৰস্ত হৈ মুখ্যমন্ত্ৰীয়ে ইয়াক ব্যক্তিগত আক্ৰোশৰ বিষয় হিচাপে লৈছে।" যোৱা ৯ এপ্ৰিলত ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পিছত কুংকি চৌধুৰীৰ সামাজিক মাধ্যম কোষৰ তিনিগৰাকী সদস্যক পাণবজাৰ থানাৰ আৰক্ষীয়ে ভোটগ্ৰহণ কেন্দ্ৰত নিৰ্বাচনী বিধি উলংঘা কৰা অভিযোগত ৭৪/২৬ নম্বৰ গোচৰত গ্ৰেপ্তাৰ কৰিছিল। পিছদিনা তেওঁলোকক জামিনত মুক্তি দিয়া হয়। একেটা গোচৰতে এইবাৰ মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী কুংকি চৌধুৰীক কৈফিয়ত তলব কৰা হয়। ভোটগ্ৰহণৰ দিনা পাণবজাৰৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত কুংকি চৌধুৰীক প্ৰৱেশৰ অনুমতি দিয়া নাছিল নিৰাপত্তাৰক্ষীয়ে। ইয়াকে লৈ বাক-বিতণ্ডাৰ সৃষ্টি হয়। অৱশেষত প্ৰাৰ্থীগৰাকীক কেন্দ্ৰটোত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হয়। এই ঘটনাক লৈয়ে নিৰ্বাচনী বিধি উলংঘা কৰা অভিযোগত কুংকি চৌধুৰী আৰু তেওঁৰ সতীৰ্থসকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হয়। কুংকি চৌধুৰীক থানাত তলব কৰাৰ ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। তেওঁ কয়, "মধ্য গুৱাহাটী সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰীক আৰক্ষীয়ে চমন দিয়াৰ ঘটনাটো আশ্চৰ্যজনক আৰু দুৰ্ভাগ্যজনক। এয়া কেৱল এগৰাকী প্ৰাৰ্থীৰ ওপৰত প্ৰশাসনিক চাপ নহয়, বৰঞ্চ সাম্প্ৰতিক অসমত গণতন্ত্ৰৰ ওপৰত চলি থকা বিজেপি চৰকাৰৰ দমননীতিৰ জ্বলন্ত উদাহৰণ।" গগৈয়ে আৰু কয়, "যেতিয়া শাসনক্ষমতাত থকা দলটোৱে ক্ষমতা হেৰুৱাব বুলি শংকিত হৈ উঠে আৰু জনগণৰ মতদান তেওঁলোকৰ বিপক্ষে গৈছে বুলি নিশ্চিত হয়, তেতিয়াই বিজেপিৰ দৰে ফেচিষ্ট দলে অগণতান্ত্ৰিক পন্থা অৱলম্বন কৰে। হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিয়ে নিজৰ ৰাজনৈতিক সুবিধাৰ বাবে প্ৰশাসন আৰু আৰক্ষীক ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। এয়া গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে বিপজ্জনক সংকেত।" লুৰীণজ্যোতি গগৈয়ে প্ৰশ্ন তুলি কয়, "কুংকি চৌধুৰীয়ে এজাহাৰ দাখিল কৰাৰ পাছতো ডীপফেক ভিডিঅ' প্ৰকাশ কৰা বিজেপিৰ পালিনেতাসকলক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হোৱা নাই কিয়? অসম আৰক্ষীয়ে কিয় পক্ষপাতমূলক আচৰণ কৰিছে?"

# ভুল পদক্ষেপে মাৰাত্মক ঘূৰ্ণি-

আইআৰজিচিৰ নৌ-আদেশ বিভাগে সামাজিক মাধ্যম এ'ত পাৰ্চী ভাষাত প্ৰকাশ কৰা এটা পোষ্টত কোৱা হৈছে, "সমগ্ৰ যাতায়াত আৰু অ-যাতায়াত কাৰ্যকলাপ সশস্ত্ৰ বাহিনীৰ সম্পূৰ্ণ নিয়ন্ত্ৰণত আছে। যদি শত্ৰুৱে কোনো ভুল পদক্ষেপ গ্ৰহণ কৰে, তেন্তে তেওঁলোক হৰমুজ সাগৰপথত এক মাৰাত্মক ঘূৰ্ণিপাকত আবদ্ধ হৈ পৰিব।" এই মন্তব্য আহিছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে হৰমুজ সাগৰপথত আমেৰিকাৰ নৌবাহিনীৰ অৱৰোধ আৰোপ কৰাৰ নিৰ্দেশ দিয়াৰ কেইঘণ্টামানৰ পিছতে। ট্ৰাম্পে দেওবাৰে সামাজিক মাধ্যমত ঘোষণা কৰি কৈছে যে আমেৰিকাৰ নৌবাহিনীয়ে "তৎক্ষণাত" এই অৱৰোধ আৰম্ভ কৰিব। ইয়াৰ ফলত কোনো জাহাজে হৰমুজ সাগৰপথত প্ৰৱেশ কৰিব বা ওলাই যাব নোৱাৰিব। তেওঁ লগতে কৈছে যে ইৰাণক শুল্ক দিয়া যিকোনো জাহাজক আন্তৰ্জাতিক জলসীমাত আটক কৰা হ'ব আৰু সাগৰপথত থকা সম্ভাব্য মাইনসমূহ ধ্বংস কৰা হ'ব। ট্ৰাম্পৰ মতে, ইৰাণে এই সাগৰপথক "অবৈধ উৎপীড়ন"ৰ বাবে ব্যৱহাৰ কৰিছে। পাকিস্তানৰ ৰাজধানী ইছলামাবাদত আমেৰিকা আৰু ইৰাণৰ মাজত অনুষ্ঠিত ২১ ঘণ্টীয়া মুখামুখি শান্তি আলোচনা কোনো চুক্তি নোহোৱাকৈ সমাপ্ত হোৱাৰ পিছতেই এই সিদ্ধান্ত লোৱা হৈছে। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্সৰ নেতৃত্বত থকা প্ৰতিনিধি দল আৰু ইৰাণৰ সংসদৰ অধ্যক্ষ মোহাম্মদ বাকিৰ কালিবাফৰ নেতৃত্বত থকা প্ৰতিনিধি দলে যুদ্ধবিৰতি আগবঢ়োৱাৰ উপায়সমূহ আলোচনা কৰিছিল। কিন্তু ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচী, হেজবোল্লাহৰ বিৰুদ্ধে ইজৰাইলৰ অব্যাহত আক্ৰমণ আদি গভীৰ মতভেদৰ বাবে আলোচনা ব্যৰ্থ হয়। ভান্সে আলোচনাৰ অন্তত কৈছে, "সৰল সত্যটো হৈছে যে আমি এটা সঁহাৰিমূলক প্ৰতিশ্ৰুতি দেখাৰ প্ৰয়োজন। তেওঁলোকে পাৰমাণৱিক অস্ত্ৰ নিবিচাৰে আৰু তেওঁলোকক সোনকালে পাৰমাণৱিক অস্ত্ৰ লাভ কৰিবলৈ সক্ষম কৰা সঁজুলিও বিচাৰিব নোৱাৰিব।" ইৰাণে অৱশ্যে আমেৰিকাৰ দাবীসমূহক "অযুক্তিক" বুলি প্ৰত্যাখ্যান কৰিছে। এই সংঘাত এতিয়া সপ্তম সপ্তাহত প্ৰৱেশ কৰিছে। ইয়াত হাজাৰ হাজাৰ লোক নিহত হোৱাৰ লগতে বিশ্ব অৰ্থনীতি আৰু তেল বজাৰতো উল্লেখযোগ্য প্ৰভাৱ পৰিছে। লেবাননৰ স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা অনুসৰি, ইজৰাইলৰ অবিৰত আক্ৰমণত নিহতসকলৰ ভিতৰত ২৫২ গৰাকী মহিলা, ১৬৫ গৰাকী শিশু আৰু ৮৭ গৰাকী স্বাস্থ্যকৰ্মী অন্তৰ্ভুক্ত আছে। আঘাতপ্ৰাপ্ত লোকৰ সংখ্যা ৬, ৫৮৮ জন। ইৰাণে হৰমুজ সাগৰপথেৰে পাৰ হোৱা জাহাজৰ পৰা শুল্ক আদায় কৰাৰ অধিকাৰ দাবী কৰি আহিছে। ট্ৰাম্পে ইয়াৰ তীব্ৰ সমালোচনা কৰি কৈছে যে যিয়ে এই শুল্ক দিব, তেওঁলোকৰ "মহাসাগৰত সুৰক্ষিত গতিপথ" নাথাকিব। বিশেষজ্ঞসকলে সতৰ্ক কৰি দিছে যে এই পৰিস্থিতি আৰু অধিক উত্তেজনা বৃদ্ধি কৰিব পাৰে আৰু বিশ্বৰ তেল সৰবৰাহত ব্যাঘাত জন্মাব পাৰে। দুসপ্তাহীয়া যুদ্ধবিৰতিৰ ভৱিষ্যৎ এতিয়া অনিশ্চিত হৈ পৰিছে। আন্তৰ্জাতিক সম্প্ৰদায়ে উভয় পক্ষকে সংযম অৱলম্বন কৰি কূটনৈতিক পথেৰে সমাধান বিচাৰিবলৈ আহ্বান জনাইছে।

# লেখাপানী আৰক্ষীৰ জালত

বিশেষ অভিযানত নিষিদ্ধ ঘোষিত সংগঠন আলফা (স্বাধীন)-ৰ সাতজন যোগাযোগকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। আৰক্ষী সূত্ৰে জানিব দিয়া অনুসৰি, গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত আটক হোৱা যুৱকসকলে সংগঠনটোৰ হয়ে বিভিন্ন ধৰণৰ কাম-কাজত সহায় কৰি অহাৰ অভিযোগ উঠিছে। বৰ্তমান আটকাধীন যুৱকসকলক লেখাপানী থানাত আৰক্ষীয়ে মাৰাথন জেৰা চলাই আছে। আৰক্ষীয়ে আটক কৰা সাতজন যোগাযোগকাৰীক চিনাক্ত কৰা হৈছে যেনে— বৰ্লিন নেওগ (বৰডুমচা), মিঠু গোহাঁই (পেঙেৰী), লীলাম্বৰ মৰাণ (পেঙেৰী), বিকাশ ডেকা (কাকপথাৰ), শিৱ দে' (অৰুণাচল প্ৰদেশৰ মিয়াও), পৰিতোষ দে' (অৰুণাচল প্ৰদেশৰ মিয়াও), মানৱ দে' (মাকুম)। আৰক্ষী সূত্ৰে জানিব দিছে যে, আটকাধীন যুৱকসকল আলফা(স্বা)ৰ সৈতে কেনেদৰে জড়িত আছিল, অঞ্চলটোত সংগঠনটোৰ কোনো সক্ৰিয়তা বা ধন দাবীৰ দৰে ঘটনাৰ সৈতে তেওঁলোক জড়িত আছিল নেকি, সেইসকলো দিশ বিশেষভাৱে পৰীক্ষা কৰি থকা হৈছে। তদন্তৰ স্বাৰ্থত আৰক্ষীয়ে বৰ্তমানলৈকে অধিক তথ্য প্ৰকাশ কৰা নাই। উল্লেখ্য যে, এই ঘটনাই সমগ্ৰ লেখাপানী অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইয়াৰ মাজতে ৰাজ্যজুৰি চৰ্চিত হৈ থকা আলফা(স্বা)ৰ মেজৰ জেনেৰেল অৰুণোদয় দহোটীয়া ওৰফে বিজিত বৰুৱাৰ নিজগৃহত উপস্থিত হোৱাৰ ঘটনাৰ পটভূমিত তিনিচুকীয়া জিলাত আলফা(স্বা) বিৰোধী অভিযান তীব্ৰতৰ হোৱা দেখা গৈছে।

# অসমীয়া সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য পিঠা-পনা আৰু জা-জলপান

বোৰত ভাৰতবৰ্ষৰ অন্যান্য ভাষা-ভাষী, ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ সংমিশ্ৰণত আহি সাংস্কৃতিক দিশত নানান প্ৰকাৰৰ সমন্বয় ঘটিছে। দেশ-বিদেশৰ অসংখ্য লোকৰ স'তে সঘন মিলা-মিছা কৰি চলিবলগীয়া হোৱাত অসমীয়া সমাজ জীৱনলৈও অনেক মিশ্ৰণ-পৰিৱৰ্তনৰ বা বলিছে। আজি অসমীয়াৰ কেতবোৰ কৃতী ছাত্ৰ-ছাত্ৰী বিদেশত বা বাহিৰত অধ্যয়ন কৰিবলৈ গৈছে, ৰাজনৈতিক, শৈক্ষিক-সাংস্কৃতিক আৰু ব্যৱসায়িক আদি কাৰণত অসমৰ অসমীয়া সমাজৰ বহুলোকে অন্যান্য জন-পৰম্পৰাৰ স'তে ভাৱ-বিনিময় কৰি চলিব লগা হোৱাত স্বাভাৱিকতে কিছু সমন্বয় সংহতি আহি পৰিছে। মানৱ সমাজত আজিৰ প্ৰতিযোগিতা মঞ্চত এনেধৰণৰ সমন্বয়ৰ যোগাযোগ চলি থাকিবই, ইবোৰক কেতিয়াও কোনো কাৰণতে বাৰণ কৰি ৰাখিব পৰা নাযায়। সেয়েহে কোৱা হয় যে সংস্কৃতি সদায় বোৱতী নদীৰ দৰে ধাৱমান, ইয়াৰ গতি প্ৰবাহ আৰু মিশ্ৰিত ধাৰাবাহিকতা কেতিয়াও স্তব্ধ নহয়।

যি কি নহওক, সংস্কৃতিত এনে প্ৰাত্যহিকতা সদা জাগ্ৰত। আমি আলোচনা কৰিবলৈ লোৱা বিষয়টোৰ গৰ্ভ ভেদিবলৈ গৈ অসমীয়া জনজীৱনত ইয়াৰ গুৰুত্ব বিশে-ষণ কৰি চোৱাৰ প্ৰয়াস কৰিছোঁ। বসন্তৰ বতৰত অসমৰ প্ৰকৃতিকুঞ্জ মুখৰিত হ'য়, অসমৰ মনোমুকুললৈ ব'হাগ আহে, হৰ্ষ-উল্লাসেৰে বিহু আহে। জনমন জনপ্ৰাণত আৱেগ সঞ্চাৰিত হয়, আলোক উন্মেষিত হয়। বিহুৰ প্ৰস্তুতিৰ স'তে জনমানসত বহু বহু নব্য-নৈবেদ্য আৰু আহিলা উপকৰণে ভূমুকি মাৰে। সেই সকলোবোৰৰ মাজতে এক আচুতীয়া আসন দখল কৰে অসমীয়া সমাজৰ বিহুৰ পিঠা-পনা আৰু জা-জলপানে।

অসমীয়া সমাজৰ বিহু পিঠা-পনা আৰু জা-জলপান আদি সকলোবোৰ তৈয়াৰ কৰা হয় চাউলৰ পৰা। ভাতেই আমাৰ প্ৰধান আহাৰ। কৃষিভিত্তিক অসমীয়া সমাজৰ, গ্ৰাম্য জীৱনৰ বাবে এই পিঠা-পনা আৰু জা-জলপানৰ আদৰ আৰু সন্মান অতি প্ৰচুৰ। বিহুৰ বতৰত অসমীয়া সমাজৰ জীয়াৰী-বোৱাৰী আৰু গৃহিণীসকলে চাউলেৰে পিঠাগুড়ি খুন্দি বিধে বিধে পিঠা-পনা কৰিব নোৱাৰিলে বা লাহি-শালি, বৰা-জহা ধানেৰে জুতি লগাই জা-জলপান কৰিব নোৱাৰিলে মনত কেতিয়াও শান্তি নাপায়। বিহুৰ বতৰত ৰাতি টোপনি খতি কৰি কলহে-কলহে জা-জলপান আলহী-অতিথিৰ বাবে সাঁচি ৰাখিব নোৱাৰাটো অসমীয়া তিৰোতাৰ বাবে এটি বৰ লজ্জাৰ বিষয়, দুখৰ কথা। ব'হাগ বা মাঘ বিহু ওচৰ চপাৰ প্ৰায় সপ্তাহ-দহদিনৰ আগৰে পৰাই জীয়াৰী-বোৱাৰীহঁতৰ মনত একপ্ৰকাৰ উখল-মাখল লাগে।

বতৰ-বুদ্ধি চাই আতিথ্যৰ উপকৰণ জা-জলপানমুঠি যোগাৰ কৰি ল'ব নোৱাৰা পৰ্যন্ত তেওঁলোকৰ গাত ত'ত নোহোৱা হয়। চিৰা, সান্দহ, মুড়ি, হুৰুম, কোমল চাউল, পিঠাগুৰি, আৱৈ বৰা চাউল আৰু বৰা মালভোগৰ আখৈ আদি তৈয়াৰ কৰি তুহ-ধান বাছি নিৰ্দিষ্ট কলহ-টেকেলিত ভৰাই জুহালৰ ওপৰত থকা আখলৰ চাঙত তুলি ৰাখে অতি সযতনে। কলহৰ ভিতৰত যাতে পৰুৱা-পিপৰা, জেঠী, নিগনি, ডালশলীয়া আৰু পইতাচোৰা আদিও সোমাব নোৱাৰে সেইবাবে সুন্দৰকৈ সোপা বা মুখনীও মাৰি ৰখা হয়। অসমীয়া সমাজত জা-জলপানৰ এনে আয়োজন মাথোঁ বিহু সংক্ৰান্তি আদিতেই নহ'য়, গাঁওবাসী তথা অসমীয়া সমাজত বছৰৰ আন আন সময়তো চাউলৰ পৰা বিধে বিধে তৈয়াৰ কৰা এনে জা-জলপানৰ সোৱাদ সদায়েই থাকে বুলি ক'ব পাৰি। আলহী-অতিথিৰ বাবে বা আপোন পৰিয়ালেও ৰাতিপুৱা-আবেলি চাহৰ স'তে খাবলৈ এনেকুৱা জা-জলপানৰ যোগাৰ কৰি ৰখাটো একোটা প্ৰাত্যহিক নিয়ম, পৰম্পৰা।

গাঁৱলীয়া সমাজত বিয়া-বাৰু হ'লে, মৰা সকাম-নিকাম হ'লে বা মহাপুৰুষীয়া তিথি-উৎসব, জন্মাষ্টমী আদি পাতিবৰ বেলিকাও বিশেষকৈ গাই গৰু বা মেনী ম'হৰ চমৰা পতা আঠা দৈ আৰু গুৰৰ স'তে চিৰা বা কোমল চাউলৰ জলপানৰ ব্যৱস্থা কৰা হয়। সমূহীয়াকৈ খাবৰ বাবে ব্যৱহাৰ কৰা হ'য় ভীমকল গছৰ পটুৱাৰে সজা ডোং। মাঙ্গলিক কাজ-কৰ্মৰ স'তে কলপটুৱাৰ ডোং এক অতি শোভনীয় পাত্ৰ। আজিকালি বজাৰত কেতবোৰ আটকধুনীয়া পাত-পাত্ৰ ওলাইছে যদিও গ্ৰামাঞ্চলত কলপটুৱাৰ ডোং আৰু পানী খাবৰ বাবে লোটা-ঘটিৰ প্ৰচলন একেবাৰে ওৰ পৰাগৈ নাই। এইবোৰ হৈছে অসমীয়া সমাজৰ পৰম্পৰাগত সংস্কৃতিৰ কেতবোৰ শোভন আহিলা উপকৰণ। দৈ-গাখীৰ, গুৰ আৰু কোমল চাউল - এই তিনিবিধ উপাদান লগ হৈ অসমীয়া সমাজৰ মাঙ্গলিক পৰিৱেশত হ'য় পকা জলপান। অসমীয়া সমাজৰ ভকতীয়া পৰিয়াল পৰিৱেশত আজিও বৰ্তি থকা পকা জলপানৰ আন এটি আধ্যাত্মিক পৰম্পৰা হৈছে বিশেষকৈ মাঘ আৰু ব'হাগ বিহুৰ সংক্ৰান্তিৰ দিনাখন তিনিজনমান ভকত মাতি ভগৱন্তৰ চৰণ চিন্তি সভক্তিৰে আয়োজন কৰা বিহু জলপান। আলহী-অতিথি বা আত্মীয় স্বজনলৈকে বুলি জা-যোগাৰ কৰা এই বিহুৱবীয়া জা-জলপানো পোনপ্ৰথমতে এনেকৈ গুৰু ভকত আৰু ভগৱন্তলৈ বুলি উছৰ্গা কৰিহে অইনে খোৱাৰ নিয়ম। বিহুৰ বতৰত যিদৰে অসমৰ প্ৰতি অসমীয়াৰ ঘৰে-ঘৰে জা-জলপানৰ জা-যোগাৰ চলে তেনেকৈয়ে চাউলৰ পৰা তৈয়াৰ কৰা পিঠা-পনা আদিৰো বেচ পয়োভৰ হয়। তিল পিঠা, নাৰিকল পিঠা, তেল পিঠা, ঘিলা পিঠা, সুতুলি পিঠা, ফেণি পিঠা, বৰপিঠা, ভুৰভুৰি পিঠা, পাত পিঠা, ভাপত দিয়া পিঠাকে মুখ্য কৰি তিলৰ লাডু, নাৰিকলৰ লাডু, গমৰ লাডু আদি বিধে বিধে খাদ্য উপকৰণ তৈয়াৰ কৰে। বৰা চাউলৰ স'তে গুৰ মিহলি কৰি আৰু পিঠাগুড়িৰ লগতো গুৰ বা চেনি মিহলি কৰি চুঙাত ভৰাই, উচিত অনুপাতত পানী মিলাই পকা আঙঠাৰে ভক ভকাই থকা জুইত সিজাই ঠাণ্ডা কৰি লোৱা হয়। তাৰ পাচত লাহেকৈ চুঙাটো ফালি ভিতৰৰ পৰা চুঙাৰ সাঁচত পিঠাবোৰ ডোখৰ-ডোখৰকৈ কাটি উলিয়াই এৰাঁ বা দৈ গাখীৰৰ লগত খোৱাৰ যি আনন্দ এয়া কেতিয়াও পাহৰিব নোৱাৰি। এনেবোৰ খাদ্য-সংস্কৃতিৰ সোৱাদ গ্ৰাম্য অসমীয়া সমাজৰ অতি নজহা-নপমা উপাদান। পিচে অসমীয়া মানুহো যেতিয়া নগৰমুখী হ'য়, চাকৰি-বাকৰি বা ব্যৱসায় বাণিজ্যাদিৰ খাতিৰত যেতিয়া বহু অসমীয়াই নগৰত বসবাস কৰিবলৈ লয়, তেতিয়াই লাহে লাহে অন্যান্য সাজ-পাৰ, কথা-বতৰা, আহাৰ-বিহাৰ আৰু ভাৱ-ভঙ্গীমা আদিৰ দৰে অসমৰ গ্ৰামাঞ্চলৰ প্ৰচলিত এনেবোৰ পিঠা-পনা, জা-জলপানৰ প্ৰয়োজন লাহে লহে কমি যোৱাৰ লগতে নোহোৱাই হ'বলৈ ধৰে। নগৰীয়া জীৱনৰ বৰঘৰ, আখল ঘৰৰ চাং নাইকিয়া হোৱাৰ লগতে এনে ধৰণৰ খাদ্য-সম্ভাৰ আদিবোৰো অপ্ৰচলিত হোৱাৰ দৰে হয়। ইয়াৰ কাৰণ হৈছে নগৰীয়া পৰিৱেশত অতি কম আয়াসতে মুঠেই কষ্ট নকৰাকৈ বজাৰৰ পৰা নানান প্ৰকাৰৰ তৃপ্তিদায়ক মিঠাই আৰু খাদ্য উপকৰণ ক্ৰয় কৰিবলৈ পোৱা যায়। অসমীয়া সমাজৰ নানান তৰহৰ পিঠা-পনাৰ ঠাইবোৰ দেশী-বিদেশী মিঠাই যেনে - ৰসগোল্লা, লালমোহন, জেলেপি, বালুচাই, চমচম, খুৰ্মা, লঙ, খাজা, গজা, ৰসমল্লাই, পেৰা, বৰফি, কাজু, বুন্দিয়া-ভুজিয়া, বুন্দিয়াৰ লাড়ু, নিমকি আদিৰ দৰে মিঠাইবোৰে আমাৰ অসমীয়া সমাজবোৰ চানি ধৰিলেহি। অসমীয়াৰ অতি সুন্দৰ তৃপ্তিদায়ক জা-জলপানবোৰৰ পৰিৱৰ্তে বাহিৰৰ পৰা হোটেল-ৰেষ্টোৰাৰ যোগেদি আমদানি হোৱা লুচি, পুৰী, পৰঠা, মুগলাই পৰঠা, দোচা, ইদলি, কামামা, চাওমিন, চাওচাও, মেগি, চেঁৰই, পোলাও আদিৰ দৰে খাদ্য-সম্ভাৰৰ সোৱাদক অসমীয়া সমাজেও বহু বেচি প্ৰাধান্য দিবলৈ ধৰিলে। ফলস্বৰূপে অসমীয়া সমাজৰ বহু বৈশিষ্ট্যপূৰ্ণ জা-জলপানবোৰ আজি আমাৰ উত্তৰপুৰুষে লাহে লাহে চিনিকে নোপোৱা হ'ল। অন্যহাতেদি অসমীয়া তিৰোতা মানুহবোৰে এইবোৰ কৰি থাকিবলৈ হাতত সময় নাই বুলিয়েই অজুহাত দেখুৱাই ক্ৰমাগতভাৱে এনেবোৰ সংস্কৃতিৰ কৰ্ষণ কাৰ্যৰ পৰা আঁতৰি আহিবলৈ ধৰিছে। বহু সময়ত নিজৰ কৃষ্টি জীয়াই ৰখাৰ ক্ষেত্ৰত নগৰত থকা পৰিয়ালসমূহলৈ বিহুৰ বতৰত গাঁৱৰ পৰা নিজৰ আত্মীয়-কুটুমসকলেহে পিঠা-পনা, জা-জলপান আদি যোগান ধৰা দেখা পোৱা যায়। সম্প্ৰতি অসমীয়া তিৰোতা সমাজৰ মাজত অসমৰ এনে খাদ্য-কৃষ্টি ৰক্ষা আৰু জনপ্ৰিয়কৰণ কাৰ্যত এক শুভবুদ্ধি উদয় হোৱা আমি দেখিবলৈ পাইছোঁ। অসম চৰকাৰৰ বদান্যতাত অসমৰ গাঁৱে-ভূঞে গঢ় লৈ উঠা আত্মসহায়ক গোটসমূহৰ প্ৰভাৱত মহিলা-পুৰুষ উভয়ৰ মাজতে কেতবোৰ প্ৰশংসনীয় স্বনিয়োজন আঁচনি ৰূপায়িত হ'বলৈ ধৰিছে। অন্য বহুবোৰ উন্নয়নমূলক শিল্পকৰ্মত হাত দিয়াৰ লগতে অসমৰ মহিলাসমাজে বিধে বিধে পিঠা-পনা, জা-জলপানাদি তৈয়াৰ কৰি বিক্ৰীৰ বিপণীও গঢ়ি তুলিছে। নিজৰ দেশীয় খাদ্য-সামগ্ৰীবোৰ এনেদৰে মুকলি মঞ্চ বা বিক্ৰী কেন্দ্ৰসমূহত ক্ৰয় কৰিবলৈ পোৱাটো যথাযৰ্থতেই এটা ভাল কাম হৈছে। প্ৰগতিৰ ধামখুমীয়াত পৰি আৰু উত্তৰপুৰুষৰ প্ৰায় অচিনাকি হ'বলৈ ধৰা এনে খাদ্য উপকৰণবোৰ জনপ্ৰিয় হৈ আহিবলৈ ধৰিছে আৰু বজাৰত ইবোৰৰ চাহিদা বাঢ়িবলৈ উপক্ৰম হৈছে।

স্বৰূপতে দেখা পোৱা গৈছে, ইবোৰ প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত যদিও বা অলপ কষ্ট কৰিবলগীয়া হৈছে তথাপি ইয়াৰদ্বাৰা শ্ৰমিকসকল লাভবানো হৈছে। বিশেষকৈ বিহুৰ বতৰত যিসকলৰ পিঠা-পনা তৈয়াৰ কৰিবলৈ হাতত আহৰি নাই, তেনে সময়ত এনেধৰণৰ শ্ৰমিক বিপণীসমূহৰ পৰা অসমৰ ৰাইজৰ যথেষ্ট উপকৃত হৈছে। নিজৰ কৃষ্টি-পৰম্পৰা আৰু স্বকীয়তাৰ প্ৰতি আন্তৰিকতা থকা প্ৰায়বোৰ অসমীয়া লোকেই অন্ততঃ এনে কাৰ্যক প্ৰশংসা কৰিছে আৰু লগতে নানান প্ৰকাৰে সহায়-সহযোগো আগবঢ়াইছে।

এটা কথা ভাবি অসমীয়া সমাজে বেয়া পালে নহ'ব যে অসমীয়া সমাজৰ বাণিজ্যিক সজাগতা অতি লেহেমীয়া। এই কথাষাৰ এই কাৰণেই অৱতাৰণা কৰিছোঁ যে অসমত থকা অনা-অসমীয়া ব্যৱসায়ী সমাজে এই প্ৰকল্প বহু আগতেই লৈ পেলালে। চিৰা, মুড়ি, সান্দহ, কঁঢ়াই আৰু কোমল চাউলৰ বেপাৰত সিসকল বেচ লাভবান হৈছে। শেহতীয়াকৈ হ'লেও যে আমাৰ অসমীয়া সমাজ এই ক্ষেত্ৰত সচকিত হৈছে সেয়া আমাৰ পৰম কপাল। এই যাত্ৰা দীৰ্ঘস্থায়ী হওক তাৰেই কামনা কৰিলোঁ।

# অসম চিভিল ছ'চাইটিৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

প্ৰাৰ্থী লুৰিণজ্যোতি গগৈ, কুনকি চৌধুৰী আৰু তেওঁলোকৰ সমৰ্থকসকলৰ প্ৰতি চলোৱা বৈষম্যমূলক আচৰণ আৰু হাৰাশাস্তিয়ে জনসাধাৰণৰ মনত নিৰ্বাচনী ব্যৱস্থাৰ প্ৰতি সন্দেহৰ সৃষ্টি কৰিছে। বৰ্তমান ৰাজ্যৰ প্ৰশাসনৰ বাঘজৰী নিৰ্বাচন আয়োগৰ হাতত থকাৰ পিছতো বিৰোধীৰ প্ৰতি দমনমূলক কাৰ্যই আয়োগৰ নিৰপেক্ষ ভাৱমূৰ্তিৰ প্ৰতি প্ৰত্যাহ্বান কঢ়িয়াই আনিছে বুলি সংগঠনটোৱে অভিযোগ কৰিছে। অসম চিভিল ছ'চাইটিয়ে বিশেষকৈ মধ্য গুৱাহাটী সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুনকি চৌধুৰীৰ বিৰুদ্ধে আৰক্ষী আৰু প্ৰশাসনে গ্ৰহণ কৰা দ্ৰুত ব্যৱস্থাৰ সমালোচনা কৰিছে। একে সময়তে কুনকি চৌধুৰীয়ে দাখিল কৰা গুৰুতৰ অভিযোগসমূহৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ ৰহস্যজনক মৌনতাই ৰাইজৰ মনত সন্দেহ বৃদ্ধি কৰিছে বুলি সংগঠনটোৱে উল্লেখ কৰে। সংগঠনটোৰ মতে, জনসাধাৰণৰ মনত এনে সন্দেহৰ সৃষ্টি হ'লে ভৱিষ্যতে নিৰ্বাচনৰ ফলাফলক লৈয়ো অবিশ্বাসৰ বতাহ বিয়পি পৰিব পাৰে। ইয়াৰ ফলত গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতি মানুহৰ আস্থা কমি যাব পাৰে। অসম চিভিল ছ'চাইটিৰ সভাপতি হাফিজ ৰছিদ আহমেদ চৌধুৰী আৰু কাৰ্যকৰী সভাপতি আব্দুল মান্নানে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া কিছুমান বক্তব্যক ভাৰতীয় গণতান্ত্ৰিক পৰম্পৰাৰ সম্পূৰ্ণ পৰিপন্থী বুলি অভিহিত কৰিছে। বিশেষকৈ 'অসমীয়া প্ৰতিদিন', 'ডিব্ৰাই ৩৬৫'ৰ দৰে সংবাদ প্ৰতিষ্ঠান, অন্যান্য নিউজ প'ৰ্টেল আৰু কুনকি চৌধুৰীৰ পৰিয়ালৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা আক্ৰোশমূলক মন্তব্যক সংগঠনটোৱে অত্যন্ত দুৰ্ভাগ্যজনক বুলি কৈছে। সংগঠনটোৱে মুখ্যমন্ত্ৰীক এনে ধৰণৰ অসহিষ্ণু আচৰণৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। একে সময়তে শাসকীয় পক্ষৰ কোনো ধৰণৰ প্ৰৰোচনাত ভৰি নিদিবলৈ বিৰোধী দল আৰু তেওঁলোকৰ সমৰ্থকসকলক সতৰ্ক কৰি দিছে। অসম চিভিল ছ'চাইটিয়ে সুস্থ গণতন্ত্ৰৰ স্বাৰ্থত নিৰ্বাচন আয়োগক অধিক নিৰপেক্ষ আৰু সক্ৰিয় ভূমিকা পালন কৰিবলৈ অনুৰোধ জনাইছে। সংগঠনটোৰ মতে, নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু নিৰপেক্ষতা নিশ্চিত কৰাটো আয়োগৰ দায়িত্ব। ইয়াৰ অভাৱ হ'লে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ প্ৰতি জনসাধাৰণৰ আস্থা হেৰুৱাব পাৰে। এই প্ৰেছ বিজ্ঞপ্তিয়ে বৰ্তমানৰ ৰাজনৈতিক পৰিৱেশত নিৰ্বাচনৰ পিছৰ সময়তো শান্তি, সহনশীলতা আৰু নিৰপেক্ষতাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিছে। অসম চিভিল ছ'চাইটিয়ে আশা কৰিছে যে সংশ্লিষ্ট সকলো পক্ষই সুস্থ গণতান্ত্ৰিক মূল্যবোধক সন্মান কৰি আগবাঢ়িব।

# পদূলিমুখত হেঁপাহৰ ৰঙালী

পৰিচয়ৰ এক অবিচ্ছেদ্য অংশ। ই কেৱল এটা উৎসৱ নহয়, বৰঞ্চ কৃষি সংস্কৃতিৰ সৈতে জড়িত এক পৰম্পৰা। বসন্ত কালৰ আগমন, প্ৰকৃতিৰ সজীৱতা আৰু নতুন খেতিৰ আৰম্ভণিৰ প্ৰতীক হিচাপে এই বিহু পালন কৰা হয়। সাত দিনীয়া এই উৎসৱত গৰু বিহু, মানুহ বিহু, চেনেহী বিহু আদি বিভিন্ন দিনৰ নিজা তাৎপৰ্য আছে। গৰু বিহুৰ দিনা গো-ধনক সন্মান জনাই তেল-পানী দি গা ধুৱোৱা হয় আৰু লাও-বেঙেনাৰে মালা পিন্ধোৱা হয়। উৰুকাৰ ৰাতি পৰিয়াল আৰু আত্মীয়-স্বজনৰ সৈতে একেলগ হৈ ভোজ ভোজাৰ পৰম্পৰা অসমীয়া সমাজৰ এক সুন্দৰ দিশ। এই দিনটোত সকলোৱে নিজৰ নিজৰ ঘৰত বিহুৰ বাবে প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰি ৰাখে। চ'ত মাহৰ পৰাই জীয়ৰী-বোৱাৰীয়ে তাঁতশালত ব্যস্ত হৈ পৰে বিহুৱান কাটিবলৈ। নতুন কাপোৰ পিন্ধি, বিহু গীত গাই আৰু নাচি অসমীয়াই এই উৎসৱক আদৰি লয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ দিনটো বিশেষ উৎসাহেৰে পালন কৰা হয়। নলবাৰী, তিনিচুকীয়া, ধিং আদি ঠাইত বিহু আখৰাত যুৱক-যুৱতীসকলে অনুশীলন চলাইছে। ঢোল-পেঁপাৰ শব্দই গাঁও-চহৰক ৰঙালী কৰি তুলিছে। অসম চৰকাৰেও বিহু উদযাপনৰ বাবে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। এই বিহুৰ মাজতে অসমীয়া জাতিৰ ঐক্য আৰু সাংস্কৃতিক সমৃদ্ধি প্ৰতিফলিত হয়। বিভিন্ন জাতি-উপজাতিৰ লোকে একেলগ হৈ এই উৎসৱ উদযাপন কৰে। ব'হাগ বিহুৱে সকলোৰে মনত নতুন আশা আৰু উৎসাহৰ সঞ্চাৰ কৰে। অসমীয়া সমাজৰ প্ৰতিজন লোকে ব'হাগ বিহুৰ উৰুকাৰ এই শুভ মুহূৰ্তত পৰম্পৰা ৰক্ষা কৰি উৎসৱ পালন কৰক। গৰু-মানুহ সকলোৰে মংগল কামনা কৰি, প্ৰকৃতিৰ সৈতে মিলি-জুলি জীয়াই থাকোঁক। ৰঙালী বিহুৰ এই আনন্দময় দিনত সকলোৰে জীৱনত সুখ-শান্তি আৰু সমৃদ্ধি নামি আহক। বিহুৰ এই উৎসৱে অসমীয়াৰ মন-প্ৰাণক সদায় ৰাঙলী কৰি ৰাখক। লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা— এই পৰম্পৰাগত আশীৰ্বাদ সকলোৰে মাজত বিয়পি পৰক।

# কিংবদন্তি শিল্পী আশা

কৰোৱা হৈছিল। চিকিৎসকে জানিব দিয়া অনুসৰি, বুকুৰ সংক্ৰমণ আৰু হৃদৰোগজনিত জটিলতাৰ ফলত বহু অংগ বিকল হোৱাত তেওঁৰ মৃত্যু হয়। ১৯৩৩ চনত জন্মগ্ৰহণ কৰা আশা ভোচলে অতি কম বয়সৰ পৰাই সংগীতৰ জগতত প্ৰৱেশ কৰিছিল। ১৯৫০ চনৰ পৰা এগৰাকী আগশাৰীৰ নেপথ্য গায়িকা হিচাপে তেওঁ বিশ্বজুৰি খ্যাতি লাভ কৰে। নিজৰ সুদীৰ্ঘ কেৰিয়াৰত তেওঁ বিভিন্ন ভাৰতীয় ভাষাত প্ৰায় ১২ হাজাৰৰো অধিক গীত বাণীবদ্ধ কৰিছে। শাস্ত্ৰীয় সংগীত, গজল, পপ, লোকগীত, ভজন, কাৱালি, ৰবীন্দ্ৰ সংগীতকে ধৰি প্ৰায় সকলো ধৰণৰ সংগীতত তেওঁৰ দক্ষতা আছিল অপূৰ্ব। তেওঁক 'নাইটিংগেল অৱ ইণ্ডিয়া' বুলিও সম্বোধন কৰা হৈছিল। তেওঁৰ মৃত্যুত দেশ-বিদেশৰ বিভিন্ন ক্ষেত্ৰৰ লোকে গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মূৱে সামাজিক মাধ্যম 'X'-ত লিখিছে, "আশা ভোচলেৰ মৃত্যুৱে সংগীত জগতখনত এক শূন্যতাৰ সৃষ্টি কৰিছে। মই ব্যক্তিগতভাৱে তেওঁৰ সৈতে কৰা বাৰ্তালাপৰ স্মৃতি এতিয়া মনত পৰিছে। তেওঁ নিজৰ কণ্ঠৰে ভাৰতীয় সংগীতক বহু দশক ধৰি সমৃদ্ধ কৰি ৰাখিছিল। তেওঁৰ সংগীত চিৰকালৰ বাবে জীয়াই থাকিব।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও সামাজিক মাধ্যমত আৱেগিক পোষ্টযোগে শোক প্ৰকাশ কৰি কয়, "ভাৰতৰ অন্যতম বিখ্যাত আৰু বহুমুখী প্ৰতিভাৰ অধিকাৰী শ্ৰীমতী আশা ভোচলেৰ মৃত্যুত গভীৰভাৱে মৰ্মাহত হৈছোঁ। তেওঁৰ সংগীত যাত্ৰাই দশক দশক ধৰি আমাৰ সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰিছে। তেওঁৰ কণ্ঠ সদায়েই বিশেষ আছিল। তেওঁৰ সৈতে হোৱা কথা-বতৰাৰ স্মৃতি মই সদায় সোঁৱৰণ কৰিম।" অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আৱেগিক পোষ্টত লিখিছে, "ৰাষ্ট্ৰই হেৰুৱালে এটি অমৰ কণ্ঠস্বৰ। ভাৰতবৰ্ষৰ গৌৰৱ আশা ভোচলে বাইদেউৰ মহাপ্ৰয়াণৰ খবৰ শুনি অত্যন্ত শোক অনুভৱ কৰিছোঁ। কেইবাটাও দশকজুৰি ভাৰতীয় সংগীতপ্ৰেমীক তেওঁৰ একক আৰু স্বকীয় কণ্ঠৰ যাদুৰে মোহাচ্ছন্ন কৰি ৰাখিছিল। তেওঁৰ সুৰৰ মায়াজালে প্ৰজন্মৰ পাছত প্ৰজন্মক মুগ্ধ কৰি ৰাখিব। ভাৰতীয় চিনেমা জগতৰ সংগীত সম্ৰাজ্ঞীগৰাকীৰ মহাপ্ৰয়াণ দেশৰ বাবে অপূৰণীয় ক্ষতি। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰোঁ।" শ্বাহৰুখ খানে ইনষ্টাগ্ৰামত লিখিছে, "আশা টাইৰ কথা শুনি দুখ লাগিল। তেওঁৰ কণ্ঠ ভাৰতীয় চিনেমাৰ এক স্তম্ভ। তেওঁৰ প্ৰতিভা বহুতৰ মাজত জীয়াই থাকিব।" ৰাজপাল যাদৱেও শোক প্ৰকাশ কৰি কয় যে মংগেশকাৰ পৰিয়ালে জাতিক দিয়া সাংস্কৃতিক উত্তৰাধিকাৰক শব্দৰে বন্দী কৰাটো অসম্ভৱ। তেওঁৰ পুত্ৰ আনন্দ ভোচলে জানিব দিয়ে যে সোমবাৰে পুৱা ১১ বজাত ল'ৰাৰ পেৰেলৰ কাছা গ্ৰাণ্ডেস্থিত বাসগৃহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। তাৰ পাছত আবেলি ৪ বজাত শিৱাজী পাৰ্কত শেষকৃত্য সম্পন্ন হ'ব। উল্লেখ্য যে, আশা ভোচলে অসমীয়া চলচ্চিত্ৰতো কণ্ঠ দান কৰিছিল। তেওঁৰ মৃত্যুত সমগ্ৰ সংগীত প্ৰেমী সমাজত গভীৰ শোকৰ ছায়া পৰিছে।

# অৱশেষত ৰাইজৰ দলো ত্যাগ কৰিলে ৰমেন চন্দ্ৰ

নিজৰ পদত্যাগ পত্ৰ দলৰ সভাপতি অখিল গগৈলৈ প্ৰেৰণ কৰিছে। টিকট নোপোৱাৰ বাবেই তেওঁ এই সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। বিগত লোকসভা নিৰ্বাচনত টিকট নোপোৱাত ৰমেন বৰঠাকুৰে কংগ্ৰেছ ত্যাগ কৰিছিল। তেওঁ কংগ্ৰেছত থাকোঁতে গুৱাহাটী সমষ্টিৰ পৰা টিকট বিচাৰিছিল আৰু প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰসহ একাধিক গুৰুত্বপূৰ্ণ দায়িত্বত আছিল। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে জালুকবাৰী সমষ্টিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল ৰমেন বৰঠাকুৰে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত টিকট নোপোৱাত তেওঁ কংগ্ৰেছ ত্যাগ কৰি আম আদমি পাৰ্টী (আপ)ত যোগদান কৰে। নতুন দিল্লীত আপৰ কেন্দ্ৰীয় নেত্ৰী আতিশীৰ উপস্থিতিত আনুষ্ঠানিকভাৱে যোগদান কৰিছিল যদিও সেই দলতো বেছিদিন নাথাকিল। আপ ত্যাগ কৰাৰ পাছত তেওঁ তৃণমূল কংগ্ৰেছৰ আশ্ৰয় লয়। কিন্তু তৃণমূল কংগ্ৰেছো তেওঁৰ বাবে উপযুক্ত নহ'ল বুলি ত্যাগ কৰে। তাৰ পাছতহে তেওঁ অখিল গগৈৰ নেতৃত্বাধীন ৰাইজৰ দলত যোগদান কৰি কাৰ্যকৰী সভাপতিৰ দায়িত্ব লাভ কৰে। সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত ৰমেন বৰঠাকুৰে ৰাইজৰ দলৰ পৰা জালুকবাৰী বা দিছপুৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু আছিল। দলেও জালুকবাৰী সমষ্টিৰ বাবে তেওঁৰ নাম ঘোষণা কৰিছিল। কিন্তু কংগ্ৰেছৰ সৈতে হোৱা মিত্ৰতাৰ বাবে ৰাইজৰ দলে জালুকবাৰী আৰু দিছপুৰ সমষ্টিত প্ৰাৰ্থী দিব নোৱাৰিলে। ফলত ৰমেন চন্দ্ৰ বৰঠাকুৰ টিকটৰ পৰা বঞ্চিত হ'ল। অৱশেষত নিৰ্বাচনৰ পাছতে তেওঁ ৰাইজৰ দল ত্যাগ কৰাৰ সিদ্ধান্ত লয়। বৰ্তমান তেওঁৰ পৰৱৰ্তী ৰাজনৈতিক ঠিকনা কি হ'ব সেয়া এতিয়াও স্পষ্ট হোৱা নাই।

# অগপই ডাবল ডিজিট আসন লাভ কৰিব

এইবাৰ অগপৰ আসন বহু বৃদ্ধি পাব আৰু দলটোৱে ডাবল ডিজিট আসন লাভ কৰাটো নিশ্চিত। দেওবাৰে গুৱাহাটীৰ আমবাৰীস্থিত অগপৰ মুখ্য কাৰ্যালয়ত দলৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ নেতৃত্বত এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত দলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, সাধাৰণ সম্পাদকসহ বিভিন্ন দায়িত্বত থকা বিষয়ববীয়া আৰু সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকল উপস্থিত আছিল। বৈঠকত সদ্য সমাপ্ত নিৰ্বাচনৰ বিভিন্ন দিশ বিতংভাৱে আলোচনা কৰা হয়। বৈঠকৰ অন্তত অগপ সভাপতি অতুল বৰাই সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, "এইবাৰ অগপৰ আসন সংখ্যা 'ডাবল ডিজিট' হ'ব। সংখ্যালঘু অধ্যুষিত সমষ্টিসমূহৰ পৰাও ভাল খবৰ আহিব। বিৰোধীৰ পৰা এইবাৰ তেমন প্ৰত্যাহ্বান নাই। সকলো ঠাইতে নাই। পূৰ্বৰ তুলনাত এইবাৰ পৰিৱেশ সম্পূৰ্ণ সুকীয়া।" তেওঁ আৰু কয়, "আমি নিৰ্বাচনত ঐক্যবদ্ধভাৱে অৱতীৰ্ণ হৈছিলোঁ। এইবাৰ এনডিএই পূৰ্বৰ তুলনাত বহু বেছি আসন লাভ কৰিব। প্ৰায় ৯০টাৰ ওচৰা-ওচৰি আসন লাভ কৰিব। অগপই ডাবল ডিজিট আসন পাব।" অতুল বৰাই লগতে উল্লেখ কৰে, "বোকাখাতত কোনো প্ৰত্যাহ্বান নাই। পূৰ্বৰ পৰিৱেশ একেবাৰে নাই। প্ৰাৰ্থীসকলৰ লগত কথা পাতি গম পাইছোঁ যে সকলোৱে আশাবাদী। তেওঁলোকে তথ্যৰ ভিত্তিতে কৈছে। ডাবল ডিজিট আসন লাভ কৰাটো নিশ্চিত। এইবাৰ যথেষ্ট ভাল ফলাফল হ'ব। সংখ্যালঘু সমষ্টিত আমি ভাল ভোট লাভ কৰিছোঁ। ধৰ্মীয় সংখ্যালঘুসকলে এইবাৰ অগপক সমৰ্থন জনাইছে। বিৰোধী একত্ৰিত হ'ব পৰা নাই।" বৈঠকত উপস্থিত থকা প্ৰাৰ্থীসকলৰ পৰা পোৱা তথ্যৰ ভিত্তিতে দলীয় নেতৃত্বই এনে আশাবাদ ব্যক্ত কৰা বুলি অতুল বৰাই জানিব দিয়ে।

# গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ

প্ৰদান কৰে। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে (এন.এইচ.এ.আই.) নিৰ্মাণ কৰিবলগীয়া ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ আৰু প্ৰায় ৬, ০০০ কোটি টকা ব্যয়সাপেক্ষ এই ৰিং ৰোড প্ৰকল্পটোক আবেদনকাৰীসকলে সম্পূৰ্ণৰূপে বিৰোধিতা কৰা নাই। কিন্তু প্ৰস্তাৱিত বাইপাছৰ গতিপথক লৈ তেওঁলোকে তীব্ৰ আপত্তি দৰ্শাইছে। অভিযোগ অনুসৰি, এই গতিপথে আমচাং বন্যপ্ৰাণী অভয়াৰণ্য আৰু ইয়াৰ পৰিৱেশগতভাৱে স্পৰ্শকাতৰ অঞ্চলক দ্বিখণ্ডিত কৰিব। ফলত বন্যপ্ৰাণীৰ আৱাসস্থল ধ্বংস হোৱাৰ গুৰুতৰ আশংকা দেখা দিছে। আবেদনকাৰীৰ হয়ে আদালতত যুক্তি দৰ্শোৱা জ্যেষ্ঠ অধিবক্তা কে. এন. চৌধুৰীয়ে কয় যে মহানগৰীত যান-জঁট নিৰাময়ৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য যদিও, এই প্ৰকল্পই হাতী, হলৌ বান্দৰ, নাহৰফুটুকী আৰু বনৰৌৰ দৰে বিৰল প্ৰজাতিৰ বন্যপ্ৰাণীৰ বাসস্থান আৰু হাতীৰ পৰম্পৰাগত যাতায়াত পথলৈ তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। আদালতে লক্ষ্য কৰে যে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডৰ স্থায়ী সমিতিয়ে কিছুমান চৰ্তসাপেক্ষে— যেনে নিশাৰ ভাগত নিৰ্মাণকাৰ্যত নিষেধাজ্ঞা আৰু বিতং পৰিৱেশগত প্ৰভাৱ অধ্যয়নৰ ভিত্তিতহে প্ৰকল্পটোলৈ অনুমোদন জনাইছে। কিন্তু আবেদনকাৰীসকলে অভিযোগ কৰিছে যে এই চৰ্তসমূহ কঠোৰভাৱে পালন কৰা হোৱা নাই। ইয়াৰ উপৰিও, ১৯৮০ চনৰ বন (সংৰক্ষণ) আইনৰ অধীনত বাধ্যতামূলক 'বন অনুমোদন' লাভ নকৰাকৈয়ে গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলৰ সংমণ্ডল বন বিষয়াই অভয়াৰণ্যৰ ভিতৰত গছ কটাৰ বাবে ঠিকাদাৰ নিযুক্তিৰ ই-নিবিদা জাৰি কৰা কাৰ্যক আদালতে খৰধৰ আৰু ক্ষতিকাৰক পদক্ষেপ হিচাপে অভিহিত কৰিছে। আদালতৰ এই স্থগিতাদেশে পৰিৱেশ সুৰক্ষা আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি পৰিৱেশবাদীসকলে আশা প্ৰকাশ কৰিছে। একে সময়তে, প্ৰকল্পৰ নিৰ্মাণকাৰ্য আৰু পৰিৱেশগত ভাৰসাম্যৰ মাজত সংগতি ৰক্ষা কৰাটো কেনেদৰে সম্ভৱ সেই বিষয়ত সংশ্লিষ্ট কৰ্তৃপক্ষক স্পষ্ট নিৰ্দেশনা দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰিছে। এই ৰিং ৰোড প্ৰকল্পই গুৱাহাটী মহানগৰীৰ যান-জঁট সমস্যাৰ সমাধানত সহায়ক হ'ব পাৰে যদিও, আমচাং অভয়াৰণ্যৰ দৰে স্পৰ্শকাতৰ বন্যপ্ৰাণী অঞ্চলৰ মাজেৰে পথ নিৰ্মাণ কৰিলে দীৰ্ঘম্যাদী পৰিৱেশগত ক্ষতি হ'ব পাৰে বুলি বিশেষজ্ঞসকলে সতৰ্ক কৰি দিছে। আদালতৰ স্থগিতাদেশৰ পিছত সংশ্লিষ্ট বিভাগসমূহে পৰিৱেশগত প্ৰভাৱ অধ্যয়ন আৰু বন অনুমোদন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি পুনৰ বিবেচনা কৰিব লাগিব। এই ঘটনাই উন্নয়নমূলক প্ৰকল্প আৰু বন্যপ্ৰাণী সংৰক্ষণৰ মাজত সংগতি ৰক্ষা কৰাৰ প্ৰয়োজনীয়তা পুনৰ এবাৰ স্পষ্ট কৰি তুলিছে।

গাঞ্জা সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব ঃ দীপক দাস

# ঢেকীয়াজুলিৰ ভোটপাৰাত ১০ কেজি গাঞ্জা সহিতে দুগৰাকী সৰবৰাহকাৰী আটক

## গোপন খবৰৰ ভিত্তিত আৰক্ষীৰ নাকা অভিযান, চুইফট ডিজাৰ বাহনসহ জব্দ হ'ল গাঞ্জা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১২ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ ভোটপাৰাত আজি আৰক্ষীয়ে এক গুৰুত্বপূৰ্ণ অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে দুগৰাকী লোকক আটক কৰিবলৈ সক্ষম হয়। এক গোপন খবৰৰ ভিত্তিত ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসৰ নেতৃত্বত তথা ঢেকীয়াজুলি আৰক্ষী থানাৰ উপ পৰিদৰ্শক প্ৰদীপ বৰা আৰু মহিলা উপ পৰিদৰ্শক নয়নমণি বৰুৱাৰ সহযোগত আৰক্ষীৰ এটি দলে





ভোটপাৰাৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত নাকা চেকিং আৰম্ভ কৰে। নাকা চেকিং চলাকালীন সময়ত এখন চুইফট ডিজাৰ বাহন সন্দেহজনকভাৱে অহা দেখা পোৱা যায়। আৰক্ষীয়ে তৎক্ষণাৎ বাহনখন ৰখাই তালাচী চলোৱাত বাহনৰ ভিতৰত লুকুৱাই ৰখা অৱস্থাত প্ৰায় ১০ কেজি গাঞ্জা উদ্ধাৰ কৰে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা গাঞ্জাখিনি জব্দ কৰাৰ লগতে বাহনখনো নিজৰ জিম্মাত লয়। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ৪০ বছৰীয়া ৰমজান আলী আৰু ৩৫ বছৰীয়া চিকন্দৰ কাজীক আটক কৰে। আটকাধীন দুয়ো গৰাকী লোক মিছামাৰী অঞ্চলৰ বাসিন্দা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। প্ৰাথমিক অনুসন্ধানত গাঞ্জাখিনি সৰবৰাহৰ উদ্দেশ্যে লৈ অহা হৈছিল বুলি সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। ইফালে এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে আটক কৰা লোক দুজনক সোধপোছ অব্যাহত ৰাখিছে আৰু এই চক্ৰৰ সৈতে জড়িত আন লোকৰ সন্ধানত তদন্ত জোৰদাৰ কৰিছে।

স্মৃতিয়ে উত্তৰ পুৰুষক অগ্ৰজসকলৰ কৃতকৰ্মৰ অনুপ্ৰেৰণাৰে প্ৰভাৱিত কৰে

# সেউজী সাহিত্য কানন (স্বৰ্ণ শাখা)ৰ ৬১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বৰ্তা, বাঁহজানী, ১২ এপ্ৰিল ঃ** অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা সাহিত্য সভা বাঁহজানীৰ যজ্ঞভূমিত থকা সেউজী সাহিত্য কাননৰ ৬১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। সেউজী সাহিত্য কাননৰ কাৰ্যালয়ত পুৱা ৮বজাত সেউজী সাহিত্য কাননৰ সভাপতি ভগবান ডেকাই অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি পাতনি মেলা অনুষ্ঠানটোত শ্বহীদ তৰ্পণ কৰে সেউজীৰ উপ-সভাপতি যতীন্দ্ৰ নাথ শৰ্মাই। সেউজী সাহিত্য কাননৰ প্ৰয়াত প্ৰতিষ্ঠাপক সকলৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে সেউজী সাহিত্য কাননৰ প্ৰাক্তন সভাপতি ৰবীন্দ্ৰ নাথ তালুকদাৰে। সেউজী সাহিত্য কাননৰ প্ৰাক্তন সম্পাদক বসন্ত মজুমদাৰে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত স্মৃতিচাৰণ কৰি সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাই স্মৃতিৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিশদ ব্যাখ্যা কৰি কয় যে মানুহ শ্ৰেষ্ঠ জীৱ হিচাপে এক স্মৃতিপৰায়ণ জীৱো, যাৰ স্মৃতি অন্য জীৱ-জন্তুতকৈ দীৰ্ঘস্থায়ী চিৰচিৰা, বেগবেগা, বেগাচিৰা। এই তিনিবিধ স্মৃতিৰ ভিতৰত বেগাচিৰা স্মৃতিয়ে মানুহক বহুসময়ত সহায় কৰে। স্মৃতিয়ে কৃতজ্ঞতাৰ স্বীকৃতি আৰু উত্তৰ পুৰুষক অগ্ৰজসকলৰ কৃতকৰ্মৰ



অনুপ্ৰেৰণাৰে প্ৰভাৱিত কৰে। তেওঁ সেউজী সাহিত্য কাননৰ প্ৰতিষ্ঠাকালৰ সকলো কেইগৰাকী পুৰোধা ব্যক্তিৰ স্মৃতিচাৰণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ আদৰ্শেৰে উত্তৰ উদ্বোধিত হ'বলৈ আহ্বান জনায়। ইয়াৰ পিছতে ১০-৩০ বজাৰ পৰা সেউজীৰ সভাপতি ভগবান ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত সেউজীৰ প্ৰাক্তন সভাপতি তথা লেখক হিতেশ বৈশ্য আৰু শিক্ষক তথা সাংবাদিক অচ্যুত কলিতা দুয়োগৰাকী অতিথিয়ে অংশগ্ৰহণ কৰি নিজ নিজ ভাষণত সেউজী সাহিত্য কাননৰ জন্ম আৰু বৰ্তমানলৈ শাখা সাহিত্য সভাখনৰ কৰ্মৰাজিৰ ওপৰত এক সুন্দৰ আলোকপাত কৰে। ইফালে প্ৰতিষ্ঠা দিৱস উপলক্ষে ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত ঠাইতে লিখা ৰচনা প্ৰতিযোগিতাৰ বঁটা সমূহো এই মুকলি সভাতে প্ৰদান কৰা হয়।

# মাটিয়াৰ শতায়ু গৰকা সমাজসেৱিকা তথা জেষ্ঠ ভোটাৰ বৃষ্টিবালা সাউদৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১২ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ মাটিয়া অঞ্চলৰ এগৰাকী সৰ্বৰহী মহিলা, ধৰ্মপ্ৰাণ সমাজসেৱিকা তথা শতায়ু গৰকা বৃষ্টিবালা সাউদৰ ৬ এপ্ৰিল তাৰিখে বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০৫ বছৰ। অঞ্চলটোৰ এগৰাকী দক্ষ নামতি হিচাপে সুপৰিচিত বৃষ্টিবালা সাউদে জীৱনৰ শেষ সময়লৈকে সামাজিক কাম-কাজৰ সৈতে জড়িত হৈ আছিল। তেওঁৰ বিয়োগৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ মাটিয়া অঞ্চলত শোকৰ ছাঁ পৰে। মৃত্যুৰ খবৰ পাই তেওঁৰ অন্তিম দৰ্শনৰ বাবে বাসভৱনত বহু গুণমুগ্ধ তথা শুভাকাংক্ষীৰ ভিৰ পৰিলক্ষিত হয়। উল্লেখ্য যে, ১০৫ বছৰ বয়সতো তেওঁ গণতন্ত্ৰৰ প্ৰতি থকা দায়িত্ব পাহৰি যোৱা নাছিল। সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত, যোৱা ১ এপ্ৰিলত জিলা আয়ুক্তৰ কাৰ্যালয়ে মাটিয়া উন্নয়ন খণ্ডৰ সহযোগত তেওঁৰ বাসগৃহৰ পৰাই ভোট সংগ্ৰহ কৰিছিল। গণতন্ত্ৰৰ প্ৰতি তেওঁ দেখুওৱা এই নিষ্ঠাৰ বাবে গোৱালপাৰা জিলা আয়ুক্তই তেওঁক বিশেষ মানপত্ৰৰে সন্মানিত কৰিছিল। মৃত্যুৰ সময়ত তেওঁ ৪ গৰাকী পুত্ৰ, ৭ গৰাকী জীয়ৰীৰ লগতে বোৱাৰী, জোৱাই, নাতি-নাতিনী, পো-নাতি আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। আজি সন্ধিয়া স্থানীয় শ্মশানত সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। এগৰাকী সমাজসেৱিকা তথা ধৰ্মপৰায়ণ মহিলা হিচাপে তেওঁৰ বিয়োগ মাটিয়া অঞ্চলৰ বাবে এক অপূৰণীয় ক্ষতি বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে।

■ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা ■

# মেট্ৰিকত এশ শতাংশ উত্তীৰ্ণৰে পুনৰ উজ্বলিল লাহৰীঘাট গ'ল্ডেন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**অসম বাৰ্তা, লাহৰীঘাট, ১২ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ উত্তৰাঞ্চল লাহৰীঘাটৰ এক নিৰ্ভৰযোগ্য ব্যক্তিগত খণ্ডৰ শৈক্ষিক প্ৰতিষ্ঠান লাহৰীঘাট গ'ল্ডেন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পুনৰ সুনাম কঢ়িয়াই আনে বৃহত্তৰ লাহৰীঘাট অঞ্চললৈ। বিদ্যালয়খনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ৩৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈছিল। ইয়াৰে চাৰিগৰাকীয়ে ডিষ্টিংচন, ন-গৰাকীয়ে ষ্টাৰ মাৰ্কসহ মুঠ ২৯ গৰাকীয়ে প্ৰথম বিভাগত আৰু চাৰিগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ শিক্ষানুষ্ঠানখনলৈ গৌৰৱ কঢ়িয়াই আনে। উল্লেখ্য যে, আব্দুল্লাহ ছিদ্দিকীয়ে ছয়টা বিষয়তে লেটাৰ নম্বৰসহ ৯০ শতাংশ, ৰেজুৱান উল্লাহ মজুমদাৰে ছয়টা বিষয়তে লেটাৰ নম্বৰসহ ৮৯ শতাংশ, মোছফিকা খাতুনে চাৰিটা বিষয়ত লেটাৰ নম্বৰসহ ৮৭ শতাংশ আৰু নিশ্বাত আনজুমে চাৰিটা বিষয়ত লেটাৰ নম্বৰসহ ৮৬ শতাংশ নম্বৰ লৈ ডিষ্টিংচন নম্বৰ লাভ কৰাৰ লগতে ৰোহান ইবাদীয়ে ষ্টাৰ মাৰ্কসহ সাধাৰণ গণিত বিষয়ত ১০০ নম্বৰৰ ভিতৰত ১০০ নম্বৰ লাভ কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। আজি বিদ্যালয়খনত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰী সকলক একোখনকৈ ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনায় বিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে।

# উজ্জ্বলপুৰ হাইস্কুলৰ ২৭ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত উত্তীৰ্ণ

**অসম বাৰ্তা, লীলাবাৰী, ১২ এপ্ৰিল ঃ** সদ্যঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উজ্জ্বলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৮১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হয়। ২০২৬ বৰ্ষত বিদ্যালয়খনৰ পৰা ১২৩ গৰাকী শিক্ষাৰ্থীয়ে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। উল্লেখ্য যে, বিদ্যালয়খনৰ পৰা ২৭ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ মাৰ্কসহ প্ৰথম বিভাগ, ৫১ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৩ গৰাকী শিক্ষাৰ্থীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ পৰা উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীৰ শতকৰা ৬৫.৮৫ শতাংশ।

# বৰপেটাৰোডত ৰে'লৰ খুন্দাত অচিনাক্ত বৃদ্ধাৰ মৃত্যু; চিনাক্ত কৰণৰ বাবে আৰক্ষীৰ আহ্বান

**অসম বাৰ্তা, বৰপেটাৰোড, ১২ এপ্ৰিল ঃ** বৰপেটাৰোড ৰে'লৱে ষ্টেচনত আজি এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। আজি আবেলি ষ্টেচনটোৰ ২নং প্লেটফৰ্মৰ ৰাজহুৱা প্ৰস্ৰাৱাগাৰৰ সমীপত এখন দ্ৰুতবেগী ৰে'লৰ খুন্দাত এগৰাকী অচিনাক্ত বৃদ্ধাৰ থিতাতে মৃত্যু ঘটে। প্ৰাপ্ত তথ্যমতে, মৃত মহিলাগৰাকীৰ বয়স আনুমানিক ৭০ বছৰ। তেওঁ পিন্ধনত এখন সেউজীয়া ৰঙৰ শাৰী আছিল আৰু গাৰ বৰণ মাগুৰ বৰণীয়া। ৰে'লপথ পাৰ হ'বলৈ ধৰোঁতেই ৰেলৰ খুন্দাত তেওঁ প্ৰাণ হেৰুৱাই বুলি সন্দেহ কৰা হৈছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে বৰপেটাৰোড ৰে'ল আৰক্ষী (GRP) ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। আৰক্ষীয়ে প্ৰাথমিক অনুসন্ধান চলাই মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰিছে। বাতৰি লিখা পৰলৈকে মহিলাগৰাকীৰ পৰিচয় জানিব পৰা হোৱা নাই। বৰ্তমান মৃতদেহটো বৰপেটা মেডিকেল কলেজৰ মৰ্গত সংৰক্ষণ কৰি ৰখা হৈছে। যদি কোনো লোকে এই বৰ্ণনাৰ সৈতে মিল থকা সন্ধানহীন ব্যক্তিৰ বিষয়ে জানে, তেন্তে স্থানীয় ৰে'ল আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা ঢোলবাদন আৰু বিহুনাচ কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ এপ্ৰিল ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত বিগত বছৰৰ দৰে এই বাৰো ডুমডুমা নগৰ খেলপথাৰত যোৱা ১ এপ্ৰিলৰ পৰা অনুষ্ঠিত কৰা দহদিনীয়া ঢোলবাদন আৰু বিহুনাচ কৰ্মশালাৰ সামৰণি অনুষ্ঠানটি যোৱা ১১ এপ্ৰিলত অনুষ্ঠিত হয়। ডুমডুমা অঞ্চলৰ ভিন্ন ভাষা-ভাষীৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানটি পৰিচালনা কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণে। ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, ডুমডুমাৰ বিশিষ্ট সমাজকৰ্মী অৰ্জুন বৰুৱা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক মৃগেন শইকীয়া, বিশিষ্ট সাংবাদিক দীনেশ গোয়েল আৰু সুজিত দেব, সাংস্কৃতিক কৰ্মী নয়ন ডেকা, সমাজকৰ্মী হামিদ খান, ডুমডুমা আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ সম্পাদক পলাশ মৰাণৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সামৰণি অনুষ্ঠানটোত দহদিনীয়া এই কৰ্মশালাত প্ৰশিক্ষক ৰূপে থকা উৎপল শইকীয়া, কুঁহিমামণি গগৈ, অনুপ গগৈ আৰু পল্লৱ তামোলীক পৰিষদৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। কৰ্মশালাৰ সামৰণি অনুষ্ঠানটোত প্ৰতিকুল বতৰৰ মাজতে প্ৰশিক্ষাৰ্থীসকলে ঢোলবাদন আৰু বিহুনাচ প্ৰদৰ্শন কৰে।

উত্তেজিত ৰাইজে বিদ্যালয়ত সভা পাতি জবাবদিহি কৰিলে অধ্যক্ষক

# জাহোৰপাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মেট্ৰিক পৰীক্ষাৰ শোচনীয় ফলাফলক লৈ উত্তেজনা

**অসম বাৰ্তা, জনীয়া, ১২ এপ্ৰিল ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শোচনীয় ফলাফলক কেন্দ্ৰ কৰি জাহোৰপাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি অভিভাৱক আৰু সচেতন যুৱকে বিদ্যালয়খনৰ অধ্যক্ষক জবাবদিহি কৰা পৰিলক্ষিত হয়। ফলত এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয় যদিও পাছত এক গঠনমূলক আলোচনাৰ মাজেৰে ইয়াৰ সমাধান আনিবলৈ সক্ষম হয়। জানিব পৰা মতে এই বেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত জাহোৰপাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ৬৪ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয় যদিও ইয়াৰে মাত্ৰ ৪ গৰাকীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। এনে এক দুৰ্ভাগ্যজনক ফলাফল কিহৰ বাবে কাৰ কাৰণে হ'বলৈ পালে তাৰ বাবে অধ্যক্ষ গৰাকীক জবাবদিহী কৰাত এচ এম ডি চিৰ সভাপতি জাহিদুল ইছলাম খানে তাৎক্ষণিক ভাৱে এখন সভাৰ আয়োজন কৰে। বৃহত্তৰ এলেকাৰ অভিভাৱক, সচেতন যুৱসমাজ, ছাত্ৰ সংগঠনৰ বিষয় ববীয়া উপস্থিত সভাখনত সভাপতিত্ব কৰে স্থানীয় সচেতন নাগৰিক আতোৱাৰ ৰহমানে। পৰ্যাপ্ত শিক্ষক-শিক্ষয়িত্ৰী থকাৰ পিছতো বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল কিয় ভাল নহল এইলৈ বিভিন্নজনে বিভিন্ন ধৰণৰ আলোচনা আগবঢ়ায়। এইক্ষেত্ৰত অৱশ্যে বিদ্যালয়খনৰ অধ্যক্ষ সঞ্জীৱ দাসে নিজৰ ফালৰ হোৱা ভুলখিনি স্বীকাৰ কৰে আৰু অনাগত দিনত যাতে এনেধৰণৰ নহয় তাৰ বাবে অভিভাৱক, সচেতন যুৱসমাজৰ পৰা দিহা পৰামৰ্শ বিচাৰে। উল্লেখ্য যে সমগ্ৰ বিষয়টো পুংখানুপুংখভাৱে আলোচনা কৰি সমাধান কৰিবলৈ সক্ষম হোৱাত সচেতন মহলে জাহোৰপামবাসীক ধন্যবাদ জনায়।

৩০ টাতকৈও অধিক আত্মসহায়ক গোটৰ সা-সামগ্ৰীৰে উভৈনদী ব'হাগী মেলা

# মঙলদৈত অসমী ব'হাগী মেলা

**অসম বাৰ্তা, মঙলদৈ, ১২ এপ্ৰিল ঃ** পদুলিমুখত বৈ আছেহি অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু। ঢোল, পেঁপা, গগনাৰ মাতত ৰজন জনাব চৌপাশ। সমান্তৰালভাৱে ৰঙালী বিহুত প্ৰিয়জনে দিব বিহুৱান, আপোনজনক এখন বিহুৱান দিবলৈ সকলোৱে মনত আশা পুহি ৰাখিছে। আপোনাৰ আপোনজনক তাঁতশালৰ হাতে বোৱা গামোচা যদি দিব বিচাৰে তেনেহ'লে মঙলদৈলৈ আহক। ৰঙালী বিহু উপলক্ষে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত দৰং জিলাৰ মঙলদৈ চহৰত জয়ন্ত হাজৰিকা উদ্যানত শনিবাৰৰ পৰা অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলা-২০২৬ উপলক্ষে মহিলা আত্মসহায়ক গোটৰ এই মেলা অনুষ্ঠিত হৈছে। ৩০টাতকৈয়ো অধিক আত্মসহায়ক গোটে গামোচা, মেখেলা-চাদৰ আৰু অন্যান্য সামগ্ৰী বিক্ৰী কৰিছে। এই মেলাৰ জৰিয়তে জিলাখনৰ আত্মসহায়ক গোটসমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰী আৰু প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। এই ব'হাগী মেলাৰ শুভাৰম্ভ কৰে জিলা আয়ুক্ত আয়ুষী জৈনে। উপস্থিত থাকে দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী কৰণ শইকীয়া। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান জিলা প্ৰকল্প প্ৰবন্ধক দীপক সূত্ৰধৰ। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী কৰণ শইকীয়াই এই সম্পৰ্কে কয় যে অসম গ্ৰামীণ জীৱিকা অভিযানৰ জৰিয়তে আনবাৰৰ দৰে এইবাৰো ব'হাগী মেলা পতা হৈছে। এই মেলাখন তিনি দিন ধৰি থাকিব, ১৩ এপ্ৰিললৈ থাকিব। জিলাখনৰ পাঁচটা ব্লকৰ পৰা ৩০টা ষ্টল আহিছে। সকলোৱে আদৰণি লৈছে, এতিয়া বিহুৰ বতৰ হাতে বোৱা ধুনীয়া ধুনীয়া গামোচা ওলাই ছে, মেখেলা- চাদৰ ওলাইছে, ৰাইজে আদৰি লৈছে। মহিলাসকলে ১০ হাজাৰ টকাকৈ যি মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে লাভ কৰিছিল, তেওঁলোকে সেয়া সদ্ব্যৱহাৰ কৰিছে। মহিলাসকল বহু আগবাঢ়ি আহিছে, ব্যৱসায় কৰিব শিকিছে, এইসকল মহিলাই ব্যৱসায় দখল কৰিব পাৰিছে বুলি গম পোৱা যায়। হাতে বোৱা গামোচা, চাদৰ-মেখেলা ক্ৰয় কৰিবলৈ গ্ৰাহকক আহ্বান জনোৱাৰ লগতে গ্ৰাহকে হাতে বোৱা কাপোৰ ক্ৰয় কৰিলে বাহিৰৰ পৰা অহা বহিৰাগত গামোচা বন্ধ হৈ পৰিব বুলি কৰবী কৰণ শইকীয়াই আশা প্ৰকাশ কৰে। ৰঙালী বিহু উপলক্ষে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত দৰং জিলাৰ মঙলদৈ চহৰত জয়ন্ত হাজৰিকা উদ্যানত অসমী ব'হাগী মেলাখন ১৩ এপ্ৰিললৈ চলিব।

# বৰপেটাৰোডত ইউৰোপ-ইংলেণ্ডৰ ভ্ৰমণ কাহিনীৰে সমৃদ্ধ 'ডাষ্টবিন কালচাৰ' শীৰ্ষক গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, বৰপেটাৰোড, ১২ এপ্ৰিল ঃ** আজি বৰপেটাৰোড প্ৰেছ ক্লাবত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট লেখক মথুৰা দাসৰ ভ্ৰমণভিত্তিক স্মৃতিগ্ৰন্থ 'ডাষ্টবিন কালচাৰ' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বৰপেটাৰোডৰ শিমলাগুৰী নিবাসী তথা সমাজকৰ্মী মথুৰা দাসে লিখি উলিওৱা এই গ্ৰন্থখনত ইউৰোপ আৰু ইংলেণ্ডৰ বিভিন্ন দেশ ভ্ৰমণৰ বিচিত্ৰ অভিজ্ঞতা আৰু কাহিনীসমূহ অত্যন্ত সাৱলীলভাৱে বৰ্ণনা কৰাৰে লগতে কিছু জানিবলগীয়া তথ্য সম্বলিত কৰা হৈছে। প্ৰবাসৰ এই ভ্ৰমণ অভিজ্ঞতাই পাঠক সমাজৰ বাবে এক অনন্য দাপোণ হিচাপে কাম কৰিব বুলি উন্মোচনী অনুষ্ঠানত আশা প্ৰকাশ কৰা হয়। গ্ৰন্থখনৰ লেখক মথুৰা দাস বৰপেটাৰোডৰ এজন পৰিচিত ব্যক্তি। তেওঁৰ সমাজসেৱা আৰু পেছাগত দিশসমূহ এনেধৰণৰ- মটৰ পৰিবহণ সেৱা: তেওঁ 'মটৰ পৰিবহণ সেৱা কৰ্মী সন্মিলিত মঞ্চ, অসম'ৰ সাধাৰণ সম্পাদক হিচাপে কৰ্মৰত। এই মঞ্চখন পৰিবহণ খণ্ডৰ কৰ্মচাৰী, মালিক আৰু স্ব-নিয়োজিত মটৰ মালিকসকলৰ এক উমৈহতীয়া মঞ্চ। অসম ইউনিটৰ সভাপতি- তেওঁ অল ইণ্ডিয়া ৰোড ট্ৰেন্সপৰ্ট ৱৰ্কাৰ্ছ ইউনিয়নৰ অসম ইউনিটৰ সন্মানীয় সভাপতি। সমাজসেৱা- লেখকগৰাকী 'M4M' (মানুহ মানুহৰ বাবে) নামৰ এটা বেচৰকাৰী সংস্থাৰ (NGO) সম্পাদক হিচাপেও সামাজিক কাম-কাজৰ সৈতে জড়িত। আজিৰ এই উন্মোচনী অনুষ্ঠানত অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তি আৰু সাহিত্যপ্ৰেমী উপস্থিত থাকে। গ্ৰন্থখনে ভ্ৰমণ পিপাসু পাঠকসকলৰ মাজত বিশেষ সমাদৰ লাভ কৰিব বুলি সচেতন মহলে মত পোষণ কৰিছে।

# শ্ৰীলংকাৰ নৌসেনাৰ জালত ১২জন ভাৰতীয়

ওচৰত সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। শ্ৰীলংকাৰ নৌসেনাৰ মতে, তেওঁলোকৰ উত্তৰ কেন্দ্ৰীয় নৌ কমাণ্ডে অভিযান চলাই ভাৰতীয় মাছমৰীয়াৰ নাওখন আৰু ১২জন মাছমৰীয়াক আটক কৰে। তেওঁলোকে শ্ৰীলংকাৰ আঞ্চলিক জলসীমাত প্ৰৱেশ কৰি অবৈধভাৱে মাছ ধৰি আছিল বুলি অভিযোগ উত্থাপন কৰা হৈছে। এই বছৰৰ আৰম্ভণিৰ পৰা এতিয়ালৈকে শ্ৰীলংকাৰ নৌসেনাই ১৬খনতকৈ অধিক ভাৰতীয় ট্ৰ'লাৰ জব্দ কৰিছে আৰু ১১২ জনতকৈ অধিক ভাৰতীয় মাছমৰীয়াক গ্ৰেপ্তাৰ কৰিছে। ভাৰতীয় মাছমৰীয়াসকল অধিকাংশই তামিলনাডুৰ ৰামেশ্বৰম, পাম্বান বা কাৰাইকাল অঞ্চলৰ বুলি জানিব পৰা গৈছে। পাল্ক বে আৰু পাল্ক ষ্ট্ৰেইটৰ সমৃদ্ধ মাছৰ ভাণ্ডাৰৰ বাবে দুই দেশৰ মাছমৰীয়াসকলে প্ৰায়ে একে ঠাইতে মাছ ধৰে, যাৰ ফলত আন্তঃৰাষ্ট্ৰীয় সীমা উলংঘনৰ ঘটনা বাৰে বাৰে ঘটে। দুই দেশৰ চৰকাৰে এই সমস্যাৰ সমাধানৰ বাবে যৌথ আলোচনা আৰু কূটনৈতিক পথেৰে সমাধান বিচাৰি আছে। মাছমৰীয়াৰ সুৰক্ষা আৰু দুই দেশৰ মৈত্ৰী সম্পৰ্ক ৰক্ষাৰ বাবে দুই পক্ষই সচেতন হোৱাৰ প্ৰয়োজন আছে।

# খিলঞ্জীয়াৰ ওপৰত হাত দিলে ফিৰিঙতিৰ

সৰৱ হৈছে সদৌ টাই আহোম ছাত্ৰ সন্থা (আটাছু)। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে কঠোৰ ভাষাত সকিয়নী দি কৈছে যে, খিলঞ্জীয়াৰ ওপৰত হাত দিলে ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হ'ব। আটাছুৰ সভাপতি বসন্ত গগৈয়ে শনিবাৰে এক বিবৃতিত কয়, "শিৱসাগৰত খিলঞ্জীয়াৰ ওপৰত বহিৰাগত লোকে আক্ৰমণ কৰা ঘটনাৰ শান্তি নামি অহাৰ আগতেই কাৰ্বি আংলঙত বহিৰাগত লোকে খিলঞ্জীয়াক 'গ' বেগ চাইনা' বুলি ধ্বনি দিব পৰা হ'ল। গুৱাহাটীৰ ফাঁচী বজাৰৰ মাজ মজিয়াত দিন দুপৰতে এগৰাকী আইনৰ ছাত্ৰীক বহিৰাগত লোকে আক্ৰমণ কৰিব পৰা হ'ল।" তেওঁ লগতে কয়, "ফটাশিল আমবাৰীত স্কুটিত অহা দুগৰাকী ভগ্নীক বহিৰাগত লোকে খেদি খেদি মাৰধৰ কৰিব পৰা হ'ল। পল্টনবজাৰৰ এটা পেট্ৰ'ল পাম্পত এজন খিলঞ্জীয়া যুৱকক হত্যাৰ ভবুকি দিয়া হ'ল। এইসমূহ ঘটনা দেখি খিলঞ্জীয়া লোকৰ বুকু কঁপি উঠিছে।" বসন্ত গগৈয়ে আৰু কয়, "যদি আমি এইসমূহ দেখিও মনে মনে বহি থাকোঁ, তেন্তে অসমত খিলঞ্জীয়া লোকৰ দপদপনি একেবাৰে নাথাকিব। এই দৃশ্যই প্ৰতিগৰাকী খিলঞ্জীয়াৰ অন্তৰত ভয়ৰ সঞ্চাৰ কৰিছে।" গুৱাহাটী মহানগৰ আয়ুক্ত পাৰ্থ সাৰথি মহন্তক 'এজন স্বাভিমানী অসমীয়া' বুলি সম্বোধন কৰি আটাছু সভাপতিয়ে কয়, "যিজনক লৈ আমি গৌৰৱ কৰোঁ, তেওঁ গুৱাহাটীত হোৱা এনে ঘটনাৰ বাবে নিৰৱে বহি নাথাকিব। ফিৰিঙতিৰ পৰা যাতে খাণ্ডৱ দাহ নহয়, তাৰ বাবে ঘটনা সংঘটিত কৰা দুৰ্বৃত্তসকলক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰিব লাগে।" তেওঁ চৰকাৰ আৰু প্ৰশাসনক স্পষ্ট সকিয়নী দি কয়, "অসমত খিলঞ্জীয়া লোকে যাতে নিৰ্যাতন আৰু নিগ্ৰহৰ বলি নহয়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক। অন্যথা পৰিস্থিতি ভয়ানক ৰূপ ধাৰণ কৰিলে অসমৰ ৰাইজ জগৰীয়া নহ'ব। মনত ৰাখিব, এইখন অসমীয়া তথা খিলঞ্জীয়াৰ অসম।" আটাছুৰ এই কঠোৰ সকিয়নীয়ে ৰাজ্যৰ বৰ্তমানৰ আইন-শৃংখলা পৰিস্থিতিৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে। সংগঠনটোৱে দাবী কৰিছে যে, খিলঞ্জীয়া লোকৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ চৰকাৰ আৰু প্ৰশাসনে অধিক সক্ৰিয় হ'ব লাগিব।

# সংবাদ মাধ্যমৰ কাৰ্যালয় আক্ৰমণ আৰু সাংবাদিকক অপমান কৰা কাণ্ডক ধিক্কাৰ ডুমডুমা প্ৰেছ ক্লাবৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ এপ্ৰিল ঃ** গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ স্বৰূপ সংবাদ মাধ্যমক লক্ষ্য কৰি এচাম শাসকীয় ৰাজনৈতিক দলৰ নেতা আৰু গুণ্ডা বাহিনীয়ে বিগত দিনবোৰত উপৰ্যুপৰি ভয়-ভাবুকি প্ৰদান কৰাৰ লগতে সাংবাদিকক আক্ৰমণৰ ঘটনাও সংঘটিত হৈছে। একাংশ দুস্কৃতিকাৰীয়ে 'অসমীয়া প্ৰতিদিন' কাকতৰ লক্ষ্মীমপুৰস্থিত কাৰ্যালয়ত আক্ৰমণ চলাই ৰাজ্যৰ সংবাদ জগতলৈ যি অশনি সংকেত নমাই আনিছে আৰু শাসক পক্ষই অগণতান্ত্ৰিক, সাংবিধানিক আচৰণেৰে সাংবাদিকক আতংকিত কৰি তুলিছে তাক তীব্ৰ গৰিহণা দিছে ডুমডুমা প্ৰেছ ক্লাবে। ডুমডুমা প্ৰেছ ক্লাবৰ সম্পাদক প্ৰদীপ কুমাৰ মৰাণে এক প্ৰেছ বিবৃতিত কয়, সংবাদ গোষ্ঠীৰ কাৰ্যালয় তথা সাংবাদিকক আক্ৰমণ আৰু দুৰ্ব্যৱহাৰ কৰি গণকণ্ঠক কোনেও ৰুদ্ধ কৰিব নোৱাৰে। শাসনলৈ আহিলে 'অসমীয়া প্ৰতিদিন', 'ডি ৱাই ৩৬৫' ক বৌদ্ধিক আৰু ৰাজনৈতিকভাৱে শেষ কৰি দিম বুলি দম্ভ মৰা কাৰ্যই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ আসনখনকে চৰম ভাৱে অপমানিত কৰা হৈছে। প্ৰশ্ন সুধি উত্তৰ বিচাৰি জনসাধাৰণক জনোৱাটোৱেই হৈছে সংবাদ জগতত সাংবাদিকৰ মৌলিক দায়িত্ব। সাংবাদিকে সংশ্লিষ্ট পক্ষক প্ৰশ্ন সুধিবই। প্ৰশ্ন সুধিলে উত্তৰ দিব নোৱাৰি অপমান কৰাৰ অধিকাৰ এখন গণতান্ত্ৰিক দেশত কাৰোৰেই নাই। ইয়াৰ আচিলাতে এখন সংবাদ পত্ৰৰ কাৰ্যালয়ত এনে আক্ৰমণ অগ্ৰহণযোগ্য আৰু নিন্দনীয়। প্ৰতিদিন গোষ্ঠীৰ কাৰ্যালয় আক্ৰমণকাৰী দুৰ্বৃত্তক চিনাক্ত কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে ডুমডুমা প্ৰেছ ক্লাবে।

